e-paper : www.janamukti.in
The Janamukti | 14 December, 2017 | Guwahati | ₹ 7/-
স্ব-অধিকাৰ ৰক্ষাৰ পক্ষত
জনমুক্তি
প্ৰথম বছৰ | সংখ্যা ৮ | ২৮ আঘোন | ১৯৩৯ শক | বৃহস্পতিবাৰ | গুৱাহাটী | মূল্য ঃ ৭ টকা

## ভিতৰৰ পৃষ্ঠাত...


▲আলোচনা আৰু বিচাৰপ্ৰক্ৰিয়া একেলগে সম্ভৱ নহয় ঃ দৈমাৰী
▲ লক্ষ্যভ্ৰষ্ট হৈছে নেকি স্বেচ্ছাসেৱী অনুষ্ঠান ?
▲ উচ্চতম ন্যায়ালয়ৰ ধমক ঃ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ ভৱিষ্যৎ
▲গ্ৰাহক অধিকাৰ সুৰক্ষাৰ্থে এক শক্তিশালী আন্দোলনৰ আৱশ্যক
▲বন্যহস্তীৰ মৃত্যু ঃ দায়ী কোন ?
▲ গণিতজ্ঞ ড° বিজয় কৃষ্ণ দেৱশৰ্মাৰ লগত এখন্তেক
▲ বৌদ্ধ যুগৰ স্মৃতিচিহ্নই মাতে ৰিজ্ঞিাই


## মুখ্য সম্পাদকৰ মুকলি চিন্তা

▲ উপেন্দ্ৰ নাথ কলিতা

# ৰাজনৈতিক স্বাৰ্থক উৰ্দ্ধত ৰাখি নতুন অসম গঢ়োঁ আহক

অসম আৰু অসমীয়াৰ ভৱিষ্যৎ কি ? প্ৰাপ্য অধিকাৰৰ বাবে অসমীয়াই চিৰদিন আন্দোলনেই কৰি থাকিব লাগিব নেকি ? মাধ্যম আন্দোলন, অসম আন্দোলন, অথবা স্বাধীনোত্তৰ ভাৰতবৰ্ষত সুদীৰ্ঘ দিনত অসমবাসীয়ে যদি কিবা পাইছে সেয়া জনতাৰ আন্দোলনৰ ফল। স্বাধীনতাৰ দিন ধৰি কেন্দ্ৰীয় চৰকাৰে অসমক সদায় মাহী আইৰ চকুৰে চাই আহিছে। অসমৰ সম্পদৰ ওপৰত কেন্দ্ৰৰ সেন চকু সদায় আছে। কিন্তু সেই সম্পদক পৰিৱৰ্তনৰ শেষাংশ ৪ পৃষ্ঠাত

## এন আৰ চিক বাধা দিবলৈ ভয়ংকৰ ব্লু-প্ৰিণ্ট

# সাৱধান ! পি এফ আইৰ জালত ভৰি নিদিব

**জনমুক্তিৰ প্ৰতিবেদন ঃ** মহামান্য সৰ্বোচ্চ ন্যায়ালয়ৰ নিৰ্দেশত তৎপৰতাৰে চলি আছে নাগৰিকপঞ্জী উন্নীতকৰণৰ কাম। ন্যায়ালয়ৰ কাঢ়া নিৰ্দেশত ৩১ ডিচেম্বৰৰ ভিতৰত এন আৰ চিৰ প্ৰথমখন খচৰা প্ৰকাশৰ বাবে যুদ্ধকালীন ক্ষিপ্ৰতাৰে আগবাঢ়িছে এন আৰ চিৰ লগত জড়িত সকলো বিষয়া-কৰ্মচাৰী তথা আৰক্ষী প্ৰশাসন। চৌদিশে সষ্টম হৈ আছে আৰক্ষী । চোৰাংচোৱাৰ নেটৱৰ্ক শক্তিশালী কৰি পৰিস্থিতিৰ ওপৰত নিৰন্তৰ চোকা দৃষ্টি ৰাখিছে আৰক্ষী প্ৰশাসনে। তাৰ মাজতে এন আৰ চিক প্ৰকাশৰ সমগ্ৰ প্ৰক্ৰিয়াটো বাধাগ্ৰস্ত কৰিবলৈ এক মৌলবাদী চক্ৰ তৎপৰ হৈ পৰাৰ ভয়ংকৰ তথ্য পোহৰলৈ আহিছে। শেষাংশ ১৮ পৃষ্ঠাত

## উজনিত আলফাৰ (স্বাঃ) ৰ তৎপৰতা বৃদ্ধি

# খিলঞ্জীয়াৰ ওপৰত আক্ৰমণ বন্ধ কৰক ঃ অনুপ চেতিয়া



**জনমুক্তিৰ প্ৰতিবেদন ঃ** উজনি অসমত বৃদ্ধি পাইছে আলফা (স্বাঃ) ৰ তৎপৰতা। বিগত প্ৰায় ছমাহ ধৰি তিনিচুকীয়াত আলফা (স্বাঃ) ই ধনদাবী আৰু ভাবুকি প্ৰদান কৰি সন্ত্ৰাস চলাই অহাৰ খবৰ শেষাংশ ১৮ পৃষ্ঠাত

## বিশ্ব মানৱ অধিকাৰ সহায়ক সংস্থাৰ অসম শাখাৰ উদ্যোগত, অল ইণ্ডিয়ান ৰিপৰ্টাৰচ এছোচিয়েশ্বন, অসম শাখা আৰু জনমুক্তি কাকতৰ সহযোগত মানৱ অধিকাৰ দিৱস উদযাপন

# মানৱ অধিকাৰ ৰক্ষাৰ বাবে সকলোৰে দায়িত্ব আছে ঃ কনকসেন ডেকা

**জনমুক্তিৰ প্ৰতিবেদন ঃ** ১৯৮০ চনলৈকে সমাজখন শান্তিৰ আছিল। ইয়াত কোন বড়ো, কোন ৰাভা, জয়ছোৱাল অথবা চৰ-চাপৰিৰ মানুহ তাৰ কোনো পাৰ্থক্য নাছিল। সকলোৰে সমান অধিকাৰ আছিল। প্ৰকৃতাৰ্থত সেয়াই মানৱ অধিকাৰ। এই মন্তব্য প্ৰবীণ সাংবাদিক অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° কনকসেন ডেকাৰ। বিশ্ব মানৱ অধিকাৰ সহায়ক সংস্থা অসম শাখাৰ উদ্যোগত অল ইণ্ডিয়া ৰিপৰ্টাৰ্চ এছ'চিয়েচন অসম শাখা আৰু সাপ্তাহিক 'জনমুক্তি' কাকতৰ সহযোগত অসম টেক্সটাইল ইনষ্টিটিউট প্ৰেক্ষাগৃহত আয়োজিত বিশ্ব মানৱ অধিকাৰ দিৱস উদ্যাপন অনুষ্ঠানত নিৰ্দিষ্ট বক্তা ৰূপে উপস্থিত থাকি প্ৰবীণ সাংবাদিকজনে এই মন্তব্য আগবঢ়ায়। 'মানৱ অধিকাৰ ৰক্ষাত সংবাদ মাধ্যমৰ ভূমিকা' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি প্ৰবীণ সাংবাদিক গৰাকীয়ে কয় কেৱল সংবাদ মাধ্যমৰে নহয় সমাজৰ প্ৰতিজন সচেতন ব্যক্তি তথা পিতৃ-মাতৃ অভিভাৱক সকলৰো মানৱ অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত যথেষ্ট কৰণীয় আছে। প্ৰত্যেকখন বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীক শিক্ষক-শিক্ষয়িত্ৰীয়ে এই কথা শেষাংশ ২২ পৃষ্ঠাত



বিশ্ব মানৱ অধিকাৰ সহায়ক সংস্থাৰ অসম শাখাৰ উদ্যোগত, অল ইণ্ডিয়ান ৰিপৰ্টাৰচ এছোচিয়েশ্বন, অসম শাখা আৰু জনমুক্তি কাকতৰ সহযোগত অনুষ্ঠিত মানৱ অধিকাৰ দিৱসৰ মুকলি সভাত ভাষণৰত অৱস্থাত বাঁওফালৰ পৰা ক্ৰমে — সভাৰ সঞ্চালক ভৱানীপ্ৰসাদ অধিকাৰী, ড° বিজয়কৃষ্ণ দেৱশৰ্মা. হাইদৰ হুছেইন, কনকসেন ডেকা, দেৱানন্দ কোঁৱৰ, অৰবিন্দ ৰাজখোৱা, কিৰণ কুমাৰ গগৈ আৰু উপেন্দ্ৰ নাথ কলিতা

# মুখ্যমন্ত্ৰী ডাঙৰীয়া, শুনিবনে জনতাৰ মনৰ কথা



জনমুক্তিৰ, 'মুখ্যমন্ত্ৰী মহোদয়, শুনিবনে জনতাৰ মনৰ কথা শিতানত আপোনাৰ অঞ্চল ভিত্তিক সমস্যাৰ অভিজ্ঞতাভিত্তিক মন্তব্য আমালৈ পঠাওক। মুখ্যমন্ত্ৰীৰ দৃষ্টি গোচৰ কৰাবলৈ আপুনিও লিখক। আপোনাৰ মন্তব্যৰ সৈতে নাম-ঠিকনা সহ একপি ফটো আমালৈ পঠিয়াওক হোৱাটছএপৰ জৰিয়তে।
আমাৰ হোৱাটছএপ নম্বৰ ৯৫০৮৬ ৭৭১৮৩।
EMail : Janamukti11@gmail.com

### পংকজ বৰদলৈ, যোৰহাট

জন্মসূত্ৰে মই এজন যোৰহাটৰ নাগৰিক, সৰুৰে পৰা যোৰহাটৰ বিভিন্ন সা-সমস্যা স্ব-চক্ষুৰে দেখা পাই আহিছো। সকলো বিষয় নহ'লেও আজি এই মজিয়াৰ দ্বাৰা যোৰহাটৰ কেইটিমান জ্বলন্ত সমস্যা আপোনাক অৱগত কৰিব খুজিছোঁ।



মহোদয়, বৰ্তমান সময়ত যোৰহাটবাসীয়ে বাৰিষা কালত প্ৰায়ে সন্মুখীন হ'বলৈ লৈছে কৃত্ৰিম বানপানীৰ। অসমৰ সংস্কৃতিৰ ৰাজধানী যোৰহাট চহৰৰ মাজমজিয়াৰ ড্ৰেইনসমূহ উপযুক্তভাৱে খনন কৰি এই কৃত্ৰিম বান অনতি পলমে ৰোধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। সমান্তৰালভাৱে চহৰখনৰ জাৱৰ-নিষ্কাষণৰ বৰ্তমানৰ দুৰ্বল ব্যৱস্থাটোক নগৰ উন্নয়ন সমিতি, পৌৰসভা আদিৰ জৰিয়তে জৰুৰীভাৱে বিজ্ঞানসন্মত আৰু সবল কৰি তোলাৰ সময় আহি পৰিছে। তদুপৰি আমাৰ চহৰখনৰ মাজৰ ঘাইপথৰ কাষে কাষে গঢ়ি উঠা সৰু-বৰ অস্থায়ী দোকান বা বজাৰবোৰে পদযাত্ৰীসকলৰ বাবে বিশেষ সমস্যা হৈ থিয় দিয়া পৰিলক্ষিত হয়। বিশেষকৈ উৎসৱ-পাৰ্বনৰ সময়ৰ জনস্ৰোতত ই ব্যাপক সমস্যাৰ সৃষ্টি কৰে। সংশ্লিষ্ট কৰ্তৃপক্ষৰ জৰিয়তে এই ব্যৱস্থাটো কিছু নিয়ন্ত্ৰণ অনা নিতান্তই প্ৰয়োজন। ই অতি জনহিতাৰ্থক কাৰ্য বুলি আমাৰ অনুভৱ।

সদৌ শেষত অসম ৰাজ্যৰ লগতে যোৰহাট জিলাৰ বাবে এটি প্ৰধান সমস্যা হৈ পৰিছে, নগাৰ বেদখল। যোৰহাট জিলাৰ মৰিয়নীকে ধৰি এই সমগ্ৰ অঞ্চলত বৰ্তমান সময়তো নগাই অব্যাহত ৰাখিছে বে-আইনী বেদখল, মহোদয় আপোনালোকৰ চৰকাৰৰ প্ৰধান শ্লʼগানৰে এক অংশ হৈছে 'ভেটি' কিন্তু এনেকৈয়ে হ'লে আগলৈ আমাৰ 'ভেটি'তো সুৰক্ষিতভাৱে থাকিব জানো ! গতিকে মহোদয়লৈ মোৰ লগতে সমগ্ৰ যোৰহাটবাসী তথা অসমবাসী জনসাধাৰণৰ এয়ে কাতৰ অনুৰোধ যে অনতি পলমে যাতে অসম চৰকাৰৰ ফালৰ আপুনি এক শক্তিশালী বলিষ্ঠ ভূমিকা পালন কৰি উক্ত সীমা সমস্যা সমাধান কৰাৰ লগতে ৰাতিৰ ভিতৰতে নগাই বেদখল কৰা সেই অসমীয়া গাঁওসমূহৰ ৰাইজৰ সুখ ঘূৰাই অনাত এক পদক্ষেপ গ্ৰহণ কৰে।

### প্ৰতিমা বৰুৱা, জামুগুৰিহাট



পোনপ্ৰথমে অসমৰ মুখ্যমন্ত্ৰী মহোদয়ক মোৰ প্ৰণিপাত। আপোনাৰ নেতৃত্বত গঠন হোৱা বিজেপি চৰকাৰখনে কাৰ্যভাৰ দখলৰ দিন ধৰি কেতবোৰ গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যৰ বিভিন্ন বিভাগৰ লগতে শিক্ষা বিভাগৰো আমূল পৰিৱৰ্তনৰ চেষ্টা কৰিছে। বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰখনতো পৰিৱৰ্তন আনিবলৈ চেষ্টা কৰিছে চৰকাৰখনে । তাৰ বাবেই মই আপোনালোকক ধন্যবাদ জনাইছো। মহোদয়ক জনাও শিক্ষা-বিজ্ঞান-প্ৰযুক্তিবিদ্যা আদি সকলো বিভাগত উন্নয়নৰ বাবে বিভিন্ন পদ্ধতি গ্ৰহণ কৰিছে সঁচা। কিন্তু ৰাজ্যত প্ৰতিবছৰেই উত্তীৰ্ণ হোৱা প্ৰযুক্তি বিদ্যাৰ ছাত্ৰ-ছাত্ৰীসকলৰ সংস্থাপনৰ বাবে এই পৰ্যন্ত কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰি তোলা পৰিলক্ষিত হোৱা নাই। যাৰ বাবে ৰাজ্যখনত থলুৱা বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ ছাত্ৰ-ছাত্ৰীসকলৰ অৱস্থা শোচনীয় হৈ পৰিছে। গুৱাহাটী বিশ্ববিদ্যালয় বা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলো সংস্থাপন বিচাৰি মানসিক অশান্তিত ভুগিবলগীয়া হয়। তাৰোপৰি ৰাজ্য চৰকাৰৰ অন্তৰ্গত কেতবোৰ এনে বিভাগ আছে য'ত নেকি বি টেকৰ ছাত্ৰ-ছাত্ৰীসকলে চাকৰিৰ বাবে আবেদন জনাব নোৱাৰে। যদিও বিজ্ঞাপনত লিখা থাকে এনি গ্ৰেজুৱেট (কলা-বিজ্ঞান-বাণিজ্য) বুলি তথাপি কিন্তু বি টেকৰ ছাত্ৰ-ছাত্ৰীসকলে আবেদন জনাব নোৱাৰে যি এক দুখৰ বিষয়। কিয়নো বি টেক ডিগ্ৰীধাৰী হ'বলৈ হ'লে উচ্চতৰ মাধ্যমিকত বিজ্ঞান বিষয় থকাটো বাধ্যতামূলক। সদৌ শেষত মুখ্যমন্ত্ৰী মহোদয়ক বিনম্ৰতাৰে অনুৰোধ জনাও যে ইঞ্জিনিয়াৰিং বিভাগ তথা বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ ছাত্ৰ-ছাত্ৰীসকলৰ আমাৰ ৰাজ্যখনৰ ভিতৰতেই সংস্থাপনৰ বাট মোকলাই দি অসমখনৰ প্ৰগতিৰ দিশত থলুৱা ছাত্ৰ-ছাত্ৰীৰ ভূমিকা অধিক কৰি তোলে যেন।

### পূৰবী দাস, জাগীৰোড

মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল দেৱলৈ মই সেৱা জনাইছো। মই জাগীৰোড সমষ্টিৰ অন্তৰ্গত দৰঙ্গীয়াল গাঁৱৰ বাসিন্দা। মহোদয়ক জনাও বিগত প্ৰায় দহ বছৰৰো অধিক কাল জাগীৰোড-মৰিগাঁও সংযোগী পথৰ ভকত গাঁৱৰ তথা কপিলী নৈৰ ওপৰত নিৰ্মিত দলংখন আজিও সম্পূৰ্ণ হোৱা নাই। সৌ বিট্ৰিছৰ দিনতে নিৰ্মাণ কৰা এখন সৰু পকী দলঙৰ মাজেৰেই অহা-যোৱা কৰিবলগীয়া হৈছে। ইটো মূৰৰ পৰা গাড়ী আহিলে সিটো মূৰৰ গাড়ীসমূহ ৰৈ দিব লাগে। যাৰ বাবে তীব্ৰ যান-জঁটৰো সৃষ্টি হয় অতিকৈ



দুখৰ বিষয় বছৰ বছৰ ধৰি নিৰ্মাণ কাৰ্য চলাই থকা নতুন দলংখন আজিও সম্পূৰ্ণ হৈ নুঠিল। গতিকে মহোদয়ক হৃদয়ৰ পৰা অনুৰোধ জনাও দলংখনৰ নিৰ্মাণৰ কাম শীঘ্ৰে সম্পূৰ্ণ কৰি সৰ্বসাধাৰণৰ উন্নতি কৰে যেন।

### ছফিক উদ্দিন আহমেদ, গুৱাহাটী



পোনপ্ৰথমে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু বিজেপি চৰকাৰৰ নেতৃত্বাধীন সমূহ মন্ত্ৰী-বিষয়ববীয়ালৈ মোৰ নমস্কাৰ। ২০১৬ চনৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ দিনৰে পৰা আপোনালোকৰ বিভাগীয় তথা ৰাজ্যখনৰ উন্নয়নৰ স্বাৰ্থত সিদ্ধি কৰা কাৰ্যবোৰ স্ব-চক্ষে প্ৰত্যক্ষ কৰি আহিছো। এইখিনিতে জনাও চৰকাৰ গঠনৰ পিছত আপোনালোকে কেতবোৰ ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰিছে। হয়তো সেই সিদ্ধান্তবোৰ শুদ্ধ, কিন্তু সেই চিন্তাধাৰাবোৰক বা ৰাইজৰ উন্নয়নৰ স্বাৰ্থত কামবোৰ সিদ্ধি কৰিবলৈ যাওতে আপোনালোকে যি পন্থা অৱলম্বন কৰিছে সেয়া হয়তো অতিকৈ ভয়ানক। প্ৰথমেই ক'ম। নিৰ্বাচনৰ পূৰ্বেই আপোনালোকে বিদেশী খেদাৰ কথা কৈছিল। আৰু যি প্ৰস্তাৱক আমি সৰ্বসাধাৰণে সন্মান জনাইছিলো। কিন্তু পৰৱৰ্তী সময়ত আপোনালোকে বিদেশী খেদিবলৈ উঠি-পৰি লাগিছে সেয়া ঠিকেই কিন্তু পুনৰ হিন্দু বাংলাদেশী নাগৰিকক ৰাজ্যত সংস্থাপন দিব বিচাৰিছে সেয়াহে ঘৃণনীয়। শংকৰ-আজানৰ দেশ হিচাপে খ্যাত আমাৰ ৰাজ্য। কিন্তু এই ৰাজ্যখনতেই তথা আমাৰ মাতৃভূমিতেই আমি খিলঞ্জীয়া মুছলমানখিনি সুৰক্ষিত নহয়। যাৰ বাবে নিতৌ আমি অসমত বাস কৰা বহিৰাগত লোকসকলৰ সন্মুখত অৱহেলিত হৈ আহিছো। এয়া এটা মাত্ৰ সৰু উদাহৰণহে। মহোদয়ক বিনম্ৰতাৰে অনুৰোধ জনাও আমাৰ মাতৃভূমিত আমাক সুৰক্ষিত কৰক। বড়ো, কছাৰী, তিৱা, মিচিং, মটক, চাহ জনগোষ্ঠী.... খিলঞ্জীয়া মুছলমান আদি সম্বলিত বৃহত্তৰ অসমীয়া জাতিৰ স্বাৰ্থত আপোনাৰ সিদ্ধান্তসমূহ বাস্তবায়িত কৰাত কেতবোৰ যোগাত্মক দিশ গ্ৰহণ কৰে যেন।

### আজিমুদ্দিন আহমেদ, বাইহাটা চাৰিআলি



মুখ্যমন্ত্ৰী মহোদয়ক মোৰ সহস্ৰ প্ৰণাম। চৰকাৰ গঠনৰ দিনৰে পৰা আপোনালোকে গ্ৰহণ কৰা পদ্ধতিসমূহক মই শ্ৰদ্ধাৰে আদৰণি জনাইছো। আপোনালোকৰ কাৰ্যবোৰ দেখিলে অসমখন দ্ৰুতগতিত উন্নয়ন হ'ব যেন লাগে। এইখিনিতে মহোদয়ক জনাও যে, কমলপুৰ, মঙলদৈ, ছিপাঝাৰ সমষ্টিৰ অন্তৰ্গত ৫২ নং ৰাষ্ট্ৰীয় ঘাইপথটোৰ অৱস্থা তেনেই শোচনীয়। পথটো উন্নয়নৰ বাবে বিগত চাৰি-পাঁচ বছৰ ধৰি নিৰ্মাণ কাৰ্য চলাই আহিছে যদিও এই পৰ্যন্ত পথটো সম্পূৰ্ণ হৈ নুঠিল। মহোদয়ক বিনম্ৰতাৰে অনুৰোধ জনাও যে আপোনাৰ নেতৃত্বত গঠন হোৱা চৰকাৰখনে ৰাজ্যখনৰ সম উন্নয়নত গুৰুত্ব আৰোপ কৰাৰ লগতে উক্ত পথটো দ্ৰুত গতিত মেৰামতি কৰি সহস্ৰ জনতাক সুবিধা কৰি দিয়ে যেন।

### পিংকু দত্ত, যোৰহাট



অসমৰ সাংস্কৃতিক ৰাজধানী যোৰহাটৰ বাসিন্দা হিচাপে আমি মুখ্যমন্ত্ৰী মহোদয়ৰ সমষ্টিতে সমগ্ৰ চৰকাৰখনলৈ শাব্দিক আহ্বান জনাই ক'ব বিচাৰিছো যে, যোৰহাট চহৰৰ একমাত্ৰ চিকিৎসা মহাবিদ্যালয়খনত সংশ্লিষ্ট বিভাগৰ জৰিয়তে যথোপযুক্তভাৱে প্ৰতিদিনেই ২৪ ঘণ্টাকৈ সেৱা উপলব্ধ কৰাটো নিশ্চিত কৰা উচিত। সকলো সময়তে সকলো সুবিধা উপলব্ধ কৰি বিশেষকৈ দৰিদ্ৰ জনসাধাৰণৰ স্বাস্থ্যৰ ক্ষেত্ৰত সবল ভূমিকা গ্ৰহণ কৰা উচিত। ইতিমধ্যে উপলব্ধ সা-সুবিধা, অত্যাধুনিক চিকিৎসা পদ্ধতি আদিৰ যথোপযুক্ত উপলব্ধতা ব্যৱহাৰযোগ্যতা নিশ্চিত কৰাৰ বাবে এই শাব্দিক আহ্বান জনাইছো। তদুপৰি চহৰখনৰ দাঁতিকাষৰীয়া অঞ্চলসমূহলৈ ব্ৰহ্মপুত্ৰ নদীয়ে বাৰিষা কালত কঢ়িয়াই অনা ভাবুকিৰ সেই ভয়াৱহ ছবিখন পুনৰ সৃষ্টি হোৱাৰ পূৰ্বে কিছু গঠনমূলক বিদ্যালয়সমূহৰ ব্যৱস্থা গ্ৰহণৰ এয়া সম্পূৰ্ণ সুবৰ্ণ সময়। এই দিশটোত যথাসাধ্য ব্যৱস্থা গ্ৰহণে যোৰহাটবাসীক পৰম কৃতাৰ্থ কৰিব। এয়াই আমাৰ আহ্বান আৰু অনুৰোধ। এই কাম-কাজবোৰে আপোনালোকৰ বৰ্তমানৰ প্ৰশংসনীয় কৰ্মকলাপত সোণত সুৰগা চৰাব।

## ৩০/১০ কাণ্ডৰ ফাষ্টট্ৰেক আদালতত বিচাৰ প্ৰক্ৰিয়া আৰম্ভ

# আলোচনা আৰু বিচাৰ প্ৰক্ৰিয়া একেলগে সম্ভৱ নহয় ঃ দৈমাৰী

### দৈমাৰীৰ আবেদনত চৰকাৰৰ ভূমিকা হ'ব লক্ষ্যণীয় ঃ অসমবাসীয়ে বিচাৰে দোষীৰ উপযুক্ত শাস্তি

**গুৱাহাটী ঃ** ত্ৰিশ অক্টোবৰ ধাৰাবাহিক বিস্ফোৰণ ! উক্ত দিনটোৰ কথা অসম বাসীৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ব। ইতিহাসত পাতত লিপিবদ্ধ এই ক'লা দিনটোৰ আনুষ্ঠানিক বিচাৰ প্ৰক্ৰিয়া চলিত সপ্তাহৰ সোমবাৰৰ পৰা আৰম্ভ হয় ফাষ্টট্ৰেক আদালতত। চি বি আইৰ আদালত চৌহদত নৱনিৰ্মিত বিশেষ আদালতত বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। উক্ত গোচৰৰ ভিত্তিত ৰঞ্জন দৈমাৰীৰ লগতে আন চৈধ্যজন অভিযুক্তক আদালতত হাজিৰ কৰোৱা হয়। ন্যায়াধীশ অপৰেশ চক্ৰৱৰ্তীৰ বিচাৰপীঠত আৰম্ভ হোৱা বিচাৰ প্ৰক্ৰিয়া দ্ৰুত গতিত চলোৱা হৈছে। কিছু কাৰিকৰী কাৰণ বশতঃ প্ৰথম দিনা পাঁচ সাক্ষীৰ সাক্ষ্য গ্ৰহণ কৰা সম্ভৱ নহয়। অৱশ্যে মঙলবাৰে প্ৰবীণ কলিতা, লোহিত কুমাৰৰ সাক্ষ্য গ্ৰহণ কৰা হয়। চাৰা ফ্ৰান্সেচ নামৰ অভিযুক্তজনৰো সাক্ষ্য গ্ৰহণ কৰে। দুৰ্ধৰ্ষ এন ডি এফ বিৰ চৈধ্য জন কেডাৰকে মঙলবাৰে আদালতত হাজিৰ কৰোৱা হয়। তাৰোপৰি মুঠ ৮৫০ গৰাকীৰ সাক্ষ্য গ্ৰহণ কৰিব আদালতে। কিন্তু এই পৰ্যায়ত ৮৭ জনৰহে (বাতৰি লিখাৰ সময়লৈ) সাক্ষ্য গ্ৰহণ কৰে। উল্লেখযোগ্য যে, ফাষ্টট্ৰেক বিচাৰ প্ৰক্ৰিয়াক লৈ অসন্তুষ্টি ব্যক্ত কৰিছে এন ডি এফ বিৰ অধ্যক্ষ ৰঞ্জন দৈমাৰীয়ে। আদালতত হাজিৰ হৈ তেওঁ ন্যায়িক প্ৰক্ৰিয়াক সহযোগিতা আগবঢ়ায় যদিও সাংবাদিকৰ আগত শেহতীয়া গোচৰ প্ৰক্ৰিয়াক লৈ ক্ষোভ উজাৰে। সাত বছৰ ধৰি শান্তি আলোচনাৰ মাজেৰে সমস্যাটো সমাধানৰ চেষ্টা কৰি অহাৰ পিছত বিচাৰ প্ৰক্ৰিয়া আৰু আলোচনা একেলগে অসম্ভৱ বুলি মন্তব্য কৰি দৈমাৰীয়ে কয় যে, চৰকাৰক এই সন্দৰ্ভত লিখিতভাৱে জনোৱা হৈছে। এইক্ষেত্ৰত চৰকাৰে বিবেচনা কৰিব বুলি আশাবাদী দৈমাৰী। ইফালে ৰঞ্জন দৈমাৰীৰ হৈ আদালতত ওকালতি কৰাৰ সিদ্ধান্ত বাহাল ৰখা অধিবক্তা মানস শৰণীয়া ৰাজনৈতিক আচামী হোৱা হেতুকে এই গোচৰত চৰকাৰে বিশেষ গুৰুত্ব দিব বুলিও মন্তব্য কৰে। প্ৰণিধানযোগ্য যে, ৩০-১০ কাণ্ড গোচৰৰ দ্ৰুত সমাপ্তিৰ বাবে চৰকাৰে ফাষ্টট্ৰেক আদালতত বিচাৰ প্ৰক্ৰিয়া আগবঢ়োৱাৰ সিদ্ধান্ত লোৱাৰ পিছতেই মূল অভিযুক্ত ৰঞ্জন দৈমাৰীৰ অধিবক্তা মানস শৰণীয়াই গোচৰৰ পৰা অব্যাহতি বিচাৰিছিল উচ্চ ন্যায়ালয়ৰ পৰা। যাৰ বাবে আচামীৰ বাবে আদালতে নিজাববীয়াকৈ দুজন অধিবক্তা নিয়োগ কৰিছিল ক্ৰমে মানস হালৈ আৰু জয়ৰাজ বৰাক। উল্লেখ্য যে, ২০০৮ চনৰ ৩০ অক্টোবৰত সংঘটিত এই ঘটনাত মুঠ আশী জন লোক নিহত হোৱাৰ বিপৰীতে শতাধিক লোক আহত হৈছিল। ৰাজ্যৰ সৰ্বমুঠ পাঁচটা স্থানত বোমা বিস্ফোৰণ সংঘটিত কৰি অসমবাসীৰ ওপৰত নৰহত্যা সংঘটিত কৰিছিল এন ডি এফ বিৰ ৰঞ্জন দৈমাৰীৰ গোটে। সি যি কি নহওঁক শান্তি আলোচনাৰ আসোঁৱাহ দেখুৱাই বিচাৰ প্ৰক্ৰিয়া পিছুৱাবলৈ দাবী কৰা ৰঞ্জন দৈমাৰীৰ আবেদনক চৰকাৰে কিদৰে গ্ৰহণ কৰে সেয়াহে লক্ষ্যণীয় হ'ব। কিয়নো সমগ্ৰ অসমবাসীয়ে বিচাৰে দোষীৰ উপযুক্ত শাস্তি হোৱাটো।



## পশুধন পালনত গুৰুত্ব কৃষিমন্ত্ৰী অতুল বৰাৰ




**গুৱাহাটী ঃ** গ্ৰাম্য অৰ্থনীতিৰ বুনিয়াদ শক্তিশালী কৰিবলৈ কেতবোৰ গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে মন্ত্ৰী অতুল বৰাই। পশুপালন বৃত্তিক সকলো ধৰণৰ সুবিধা প্ৰদান কৰি উৎপাদন আৰু আয়ৰ অন্যতম উৎস কৰিবলৈ ইতিমধ্যে বদ্ধ পৰিকৰ ৰাজ্য চৰকাৰ। অসমৰ ২৬ হাজাৰৰো অধিক গাঁৱৰ লোকসকলক স্ব-নিৰ্ভৰশীল হ'বলৈ কৃষিমন্ত্ৰী অতুল বৰাৰ নেতৃত্বত অসম চৰকাৰে শীঘ্ৰেই ব্যৱস্থা গ্ৰহণ কৰিব। কৃষি, পশুধন পালন, আদিয়ে হৈছে জীৱিকা নিৰ্বাহৰ অন্যতম কৌশল। যাৰ বাবে কৃষি মন্ত্ৰী অতুল বৰাই অসম, পশুধনৰ উন্নয়নত গুৰুত্ব আৰোপ কৰিছে। ৰাজ্যৰ নিবনুৱা যুৱক-যুৱতী সকলৰ লগতে অৰ্থনৈতিকভাৱে পিছপৰা লোকসকলক আত্ম নিৰ্ভৰশীল কৰিবলৈ গ্ৰহণ কৰা হৈছে কেতবোৰ আঁচনি। চলিত সপ্তাহত মহানগৰীৰ পাঞ্জাবাৰীত অনুষ্ঠিত এখনি সভাত অংশগ্ৰহণ কৰি মন্ত্ৰী বৰাই কয় পশুধন বৃত্তিয়ে এখন ঘৰ আৰু সমগ্ৰ ৰাজ্যক অৰ্থনৈতিকভাৱে সবল কৰি তুলিব পাৰে। বিশেষকৈ পশুপালন বৃত্তিয়ে গ্ৰাম্য অৰ্থনীতিক শক্তিশালী কৰিব পাৰে। তাৰ বাবে আমি সকলো আগবাঢ়ি অহা উচিত।

### ছশ সদস্যৰে চলিছে সীমান্তৰ জীৱন

### বিজ্ঞান সন্মত পদ্ধতিৰে কুকুৰা পালনৰ সফলতাৰ নিদৰ্শন

# সোণোৱালী কণীৰে সীমান্তৰ চমকপদ সাফল্য

**আব্দুল গফুৰ আহমেদৰ প্ৰতিবেদন ঃ** কামবোৰ সকলো একেই। কাম কৰা ধৰণ বা ষ্টাইল যদি বেলেগ হয় মানুহ হৈ পৰে আদৰ্শৰ প্ৰতীক। আগ্ৰহ, একাগ্ৰতা আৰু কঠোৰ পৰিশ্ৰমেই সফলতাৰ চাবি-কাঠি। ব্যতিক্ৰমী শৈলীৰে কুকুৰা পালনেৰে স্বাৱলম্বী হোৱা আমগুৰি দেওধাই বৰুৱা চুকৰ উচ্চ শিক্ষিত দম্পতী সীমান্তজ্যোতি বৰুৱা আৰু ৰশ্মি বৰুৱা চমকপদ নিদৰ্শনে ৰাজ্যবাসীৰ দৃষ্টি আকৰ্ষণ কৰিছে।

বাঁহ আৰু কাঠেৰে তিনিমহলীয়াকৈ (খলপীয়া) বিজ্ঞান সন্মতভাৱে নিৰ্মিত প্ৰায় এক হাজাৰ কুকুৰা পালনৰ বাবে নিৰ্মাণ কৰা বৃহৎ গৃহ দুটাই (গৰাল) সীমান্তৰ পৰিয়াললৈ আনি দিছে চমকপদ সাফল্য। প্ৰায় ছশ (৬০০) লেয়াৰ্ছ থকা গৃহ দুটাত প্ৰায় ৪২০টা সোণোৱালী আৰু বগা কণীয়ে প্ৰতিদিনে ফাৰ্মৰ ভিতৰখন সোণতে সোৰগা চৰাইছে। আনহাতে দৈনিক কণী বিক্ৰীয়েই সীমান্তৰ পৰিয়ালে লাভ কৰিছে প্ৰায় দুই হাজাৰ টকা। দিন-ৰাতিৰ ২৪ঘন্টাৰ ১৮ঘন্টাই কুকুৰাৰ লালন-পালনত ব্যস্ত থকা সীমান্তৰ দম্পতি হালে আজি খুবেই সুখ অনুভৱ কৰে। উজনিৰ বিভিন্ন ব্যক্তি তথা অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে চৰকাৰী বিষয়া কৰ্মচাৰীয়ে ফাৰ্মখন পৰিদৰ্শন কৰি লাভ কৰে আত্মসন্তুষ্টি। উল্লেখ্য যে মেঘালয়, অৰুণাচল, নাগালেণ্ড আদি ৰাজ্যৰ পৰা চৰকাৰী পশু চিকিৎসকৰ লগতে বহুতো উদ্যোগী যুৱক পৰিদৰ্শনৰ বাবে আহে। পৰিদৰ্শনকাৰীসকলৰ আৰ্শীবাদ আৰু শুভেচ্ছাই সীমান্ত দম্পতীক অধিক প্ৰেৰণা যোগাইছে।

একৈশ বছৰ পূৰ্বে আমগুৰি শাখাৰ ইউ বি আই বেংকৰ দহ হেজাৰ টকা ঋণেৰে মুৰ্গী ফাৰ্ম আৰম্ভ কৰা সীমান্তই এতিয়া আন ডেৰকুৰি ফাৰ্মক মুৰ্গীআমগুৰিৰ প্ৰাক্তন খণ্ড উন্নয়ন বিষয়া আৰু বৰ্তমান গোলাঘাট জিলাৰ অতিৰিক্ত উপায়ুক্ত উৎপল দলে। আনক সহায় কৰি তৃপ্তি পোৱা আৰু কৰ্মদক্ষ বিষয়া হিচাপে এক সুকীয়া পৰিচয় থকা প্ৰশাসনিক বিষয়া উৎপল দলে বিগত সাতটা বছৰত সীমান্তৰ উত্তৰণত যথেষ্ট প্ৰেৰণা যোগাইছে।

১৯৯৪ চনত ১০০ ব্ৰইলাৰে ব্যৱসায় আৰম্ভ কৰা সীমান্ত ১৯৯৬ চনত প্ৰধানমন্ত্ৰী ৰোজগাৰ যোজনাৰ অধীনত ডেৰ লাখ (১,৫০,০০০) টকাৰ এটা ঋণ লৈছিল। '৯৬ চনত ৬০০ ব্ৰইলাৰ পালন কৰি ব্যৱসায় বৃদ্ধি কৰা সীমান্তই পাছলৈ ১০০০ পৰ্যন্ত ব্ৰইলাৰ পালনৰ দিহা কৰে। '৯৭ চনত ব্ৰইলাৰ এৰি সীমান্তই কণীপৰা কুকুৰা (লেয়াৰ্চ)ৰ ব্যৱসায় আৰম্ভ কৰে। প্ৰায় এক হেজাৰ কুকুৰা পালনৰ দুটা বিজ্ঞানসন্মত অত্যাধুনিক গৰাল থকা ফাৰ্মখনত বৰ্তমান ছশ কুকুৰা আছে। বি.ভি. ৩৮০ আৰু বি.বি. ৩০০ জাতৰ ৬০০ কুকুৰা থকা ফাৰ্মখনত বৰ্তমান দৈনিক ৪০০ৰ পৰা ৪২০টা কণী উৎপাদন হয়।

১৯৯৪ চনত ফাৰ্ম আৰম্ভ কৰা সীমান্তক প্ৰথম অৱস্থাত মাতৃ গুণেশ্বৰী বৰুৱাই কাম-কাজত ৭বছৰ সহায় কৰাৰ পিছত ১২বছৰে পত্নী ৰশ্মি বৰুৱাই ফাৰ্ম পৰিচালনাত আগবঢ়াইছে অক্লান্ত শ্ৰম। ডায়েৰীয়া, কক'চিডাইচিচ, প" আৰু ৰাণীখেত বেমাৰৰ আক্ৰমণে সীমান্তৰ সপোনত আঘাত হানে। পৰিতাপৰ বিষয় যে মুৰ্গীৰ বেমাৰ ৰোধৰ ক্ষেত্ৰত পশু চিকিৎসা বিভাগ সম্পূৰ্ণ ব্যৰ্থ বুলি ব্যৱসায়ীসকলে অভিযোগ কৰিছে।

উল্লেখ্যযোগ্য যে উদ্যোগী কুকুৰা পালক সীমান্ত বৰুৱাই কৃষি ক্ষেত্ৰতো বিজ্ঞানসন্মত পদ্ধতিৰে বিগত বৰ্ষত উন্নতজাতৰ ধান (ARISE 644) খেতি কৰি *শেষাংশ ২০ পৃষ্ঠাত*

১ পৃষ্ঠাৰ পৰা

# ৰাজনৈতিক স্বাৰ্থক উৰ্দ্ধত ৰাখি নতুন অসম গঢ়োঁ আহক

সম্ভাৱনালৈ পৰিৱৰ্তন কৰাৰ ক্ষেত্ৰত স্বাধীনতাৰ পৰৱৰ্তী সময়ত কেন্দ্ৰৰ প্ৰতিখন চৰকাৰেই যেন কৃপণালী কৰিলে। খিলঞ্জীয়াৰ স্ব-অধিকাৰ ৰক্ষাৰে তেওঁলোকৰ অৰ্থনৈতিক বিকাশৰ কথাটো তল পৰি থাকিল বৰঞ্চ পুঁজিপতিৰ মদদপুষ্ট প্ৰতিখন কেন্দ্ৰৰ চৰকাৰেই অসমবাসীক শোষণৰ থলীত পৰিণত কৰিলে। কেন্দ্ৰৰ সুদীৰ্ঘ দিনৰ বঞ্চনাৰ বলি হৈ বিক্ষুব্ধতাত বহ্নিমান এচাম তেজাল ডেকাই জাতীয় আত্মনিয়ন্ত্ৰণৰ অধিকাৰ সাব্যস্ত কৰিবলৈ গৈ স্বাধীন সাৰ্বভৌম অসমৰ দাবীৰে হাতত অস্ত্ৰ তুলি ল'বলৈও কুণ্ঠাবোধ নকৰা হ'ল। অৱশ্যে পৰৱৰ্তী সময়ত আলোচনাৰ নামত আলফাৰ সভাপতি অৰবিন্দ ৰাজখোৱাৰ নেতৃত্বত একাংশই কেন্দ্ৰৰে সৈতে তেওঁলোকৰ দাবী চনদ লৈ আলোচনা অব্যাহত ৰাখিছে। অনফালে সেনাধ্যক্ষ পৰেশ বৰুৱাৰ নেতৃত্বত আলফা (স্বাঃ) এ তেওঁলোকৰ কাম-কাজ অব্যাহত ৰাখিছে। তেনে এক প্ৰেক্ষাপটত অসমে প্ৰাপ্য অধিকাৰৰ বাবে কেন্দ্ৰৰ ওচৰত আলোচনাৰ মাধমেৰে দাবী উত্থাপন কৰি প্ৰাপ্য অধিকাৰ লাভ কৰাৰ এক সুন্দৰ সুযোগ আহি পৰিছে। এই সুযোগ কিদৰে গ্ৰহণ কৰে সেয়া আলোচনাত জড়িত হৈ থকা অৰবিন্দ ৰাজখোৱা প্ৰমুখ্যে আলফাৰ নেতৃত্বৰ বিচক্ষণতাৰ ওপৰত বহুখিনি নিৰ্ভৰ কৰিব। ইফালে জাতীয় জীৱনৰ এই জটিল সন্ধিক্ষণত প্ৰতিবাদী সত্তাক আওকাণ কৰি শাসক পক্ষই সদাই নিজৰ ৰাজনৈতিক স্বাৰ্থ পূৰণৰ বাবে কাম কৰি থকাৰ অভিযোগ সকলো চৰকাৰৰ ক্ষেত্ৰতেই দীৰ্ঘদিনীয়া। অৱশ্যে এইবাৰৰ পটভূমি নিশ্চয় বেলেগ। কিয়নো সেই সময়তে ৰাজ্যখনত ক্ষিপ্ৰতাৰে ৰূপায়িত হৈ আছে খিলঞ্জীয়াৰ ৰক্ষা কবচ স্বৰূপ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী উন্নয়নৰ কাম। সেইদৰে আকৌ হাবিয়ে-জংঘলে থাকি নিজৰ জীৱনকো আত্মবলিদান দিবলৈ কুণ্ঠাবোধ নকৰা একাংশ নেতা এতিয়া আলোচনা পন্থীৰ ৰূপত ৰাইজৰ লগত। কেন্দ্ৰই সুদীৰ্ঘ দিন অসমক শোষণ কৰি আহিছে আৰু ঔপনিৱেশিক চৰিত্ৰৰে অসমৰ সম্পদক শোষণৰ হাঠিয়াৰ ৰূপে ব্যৱহাৰ কৰি আহিছে। সেই অভিযোগৰ পৰা কেন্দ্ৰ চৰকাৰক মুক্ত কৰি কেন্দ্ৰক বাধ্য কৰাবলৈ অসমত আছে এতিয়া জাতীয়তাবাদী শিবিৰৰ পৰা গৈ ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ আসন অলংকৃত কৰা সৰ্বানন্দ সোণোৱালৰ দৰে বিচক্ষণ নেতা। সদৌ অসম ছাত্ৰ সন্থা অথবা জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ তথা আন যিসমূহ জাতীয়তাবাদী দল-সংগঠন আছে সকলো দল-সংগঠনৰ দাবী আন্তৰিকতাৰে উপলব্ধি কৰি সেইসমূহ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত আমি ভাবো সৰ্বানন্দ সোণোৱালৰ দৰে মুখ্যমন্ত্ৰীৰ আন্তৰিকতাৰ অভাৱ হ'ব নালাগে। জাতীয়তাবাদী দল-সংগঠন সমূহে যেতিয়া জাতীয় স্বাৰ্থত আন্দোলন কৰে আৰু মুখ্যমন্ত্ৰীৰ আসনত যদি জাতীয়তাবাদী শিবিৰৰ পৰাই যোৱা এগৰাকী মুখ্যমন্ত্ৰী বহি থাকে তেনেহ'লে চোন সমস্যাবোৰৰ সমাধানৰ ক্ষেত্ৰত বিশেষ জটিলতা অহাৰ সম্ভাৱনাও বৰকৈ নাথাকে। এইক্ষেত্ৰত লাগে মাথোঁ পাৰস্পৰিক সহযোগিতা আৰু সমস্যাক বুজিব পৰা এক বহল মনৰ মানসিক উদাৰতা। তাকে নকৰি প্ৰত্যেকেই যদি ৰাজনৈতিক স্বাৰ্থক আগস্থান দি সমস্যাবোৰৰ কথা ভাবিবলৈ লয় তেনেহ'লে সমস্যাৰ জটিলতা বাঢ়ি গৈয়ে থাকিব। ৰাজ্যৰ সকলো দল-সংগঠনে ঐক্যবদ্ধভাৱে জাতীয় সমস্যাবোৰৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰক বাধ্য কৰোৱাৰ লগতে কেন্দ্ৰীয় চৰকাৰকো বাধ্য কৰোৱাত জটিলতা নাথাকিব। যদিহে ৰাজ্যত থকা মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ চৰকাৰে কেন্দ্ৰৰ শোষণমুখী চৰিত্ৰৰ প্ৰতিনিধি নহৈ অসমৰ ৰাইজৰ প্ৰকৃত অভিভাৱক হৈ দল-সংগঠনক লগত লৈ কেন্দ্ৰৰ ওচৰত ন্যায্য প্ৰাপ্তিৰ দাবী সজোৰে উত্থাপন কৰে তেনেহ'লে কেন্দ্ৰই কেতিয়াও অসমক লৈ ক্ষমতা দখলৰ ৰাজনীতি কৰিবলৈ সাহস নকৰিব আৰু অসমৰ ৰাইজৰ দাবীক মান্যতা দিবলৈ বাধ্য হ'ব। কেন্দ্ৰীয় চৰকাৰে অসমক মাহী আইৰ চকুৰে চাই আহিছে অথবা অৱহেলাৰ চকুৰে চাই আহিছে, অসমৰ সম্পদক এপদ-এপদকৈ পুঁজিপতিক গতাই দি খিলঞ্জীয়া অসমীয়াৰ অৰ্থনৈতিক ৰাজহাড় ভাঙি পেলাবলৈ ওলাইছে। কেন্দ্ৰই এনে পদক্ষেপ সদাই লৈ আহিছে। স্বাধীনোত্তৰ ভাৰতবৰ্ষত প্ৰতিখন চৰকাৰে অসমৰ ক্ষেত্ৰত কৰি অহা এনে অবিচাৰৰ বিৰুদ্ধে সদায় অসমবাসীয়ে আন্দোলন কৰাৰ বাহিৰে কোনো গত্যন্তৰেই নাথাকে। কিন্তু এইবাৰ যদি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ চৰকাৰে ৰাজনৈতিক স্বাৰ্থত উৰ্দ্ধত ৰাখি সকলো দল-সংগঠনক বিশ্বাস আৰু আস্থাত লৈ কেন্দ্ৰক বাধ্য কৰাব পাৰে প্ৰাপ্য অধিকাৰ আদায়ৰ বাবে তেনেহ'লে এইখন চৰকাৰৰ চিনাকি চিৰদিনৰ বাবে জিলিকি থাকিব। কিন্তু সেয়া জানো সম্ভৱ হ'ব। চৰকাৰৰ কাম-কাজৰ ধৰণ কৰণ দেখি ৰাইজৰ মনলৈ এক প্ৰশ্ন চিহ্ন স্বাভাৱিকতে আহিছে। সেয়েহে আমি ভাবো ৰাজনৈতিক স্বাৰ্থৰ উৰ্দ্ধত থাকি সকলোৰে সম্ভাৱ সম্প্ৰীতিৰে আগবাঢ়িলেহে অসমৰ ভৱিষ্যৎ সুন্দৰ হৈ ৰ'ব। অন্যথা সুন্দৰ পৰিৱৰ্তনশীল অসম গঢ়াৰ কথা শ্ল'গানতে সীমাবদ্ধ হৈ ৰ'ব।

# উচ্চতম ন্যায়ালয়ৰ ধমক ঃ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীৰ ভৱিষ্যৎ

**কনক চন্দ্ৰ বৰা**

অসমৰ পৰা বিদেশী বহিষ্কাৰ আৰু অসম অস্তিত্ব ৰক্ষাৰ কাৰণে ১৯৭৯ চনত সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত এক বৃহৎ পৃথিৱীজুৰি আলোড়ণ সৃষ্টি কৰা সুদীৰ্ঘ ছবছৰীয়া আন্দোলন আৰম্ভ হয়। ৰাজ্যখনৰ অশেষ হানি-বিঘিনিৰ অন্তত ইয়াৰ পৰিসমাপ্তি ঘটাই বহু এৰা-ধৰাৰ মাজেৰে ১৯৮৫ চনত সদৌ অসম ছাত্ৰ সন্থাৰ লগতে অসমৰ সকলো জাতীয়তাবাদী দল সংগঠনেৰে গঠিত 'গণ সংগ্ৰাম পৰিষদ' আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত ঐতিহাসিক 'অসম চুক্তি' স্বাক্ষৰিত হয়। চুক্তিৰ মূল দফা হ'ল - বিদেশী বিতাৰণৰ ভিত্তি বছৰ ১৯৭১ চনৰ ২৪ মাৰ্চ অৰ্থাৎ ১৯৭১ চনৰ ২৪ মাৰ্চৰ ৰাতি ১২ বজাৰ ভিতৰত অসমত বসবাস কৰা সকলৰ বাদে ইয়াৰ পাছত সকলো বিদেশীক ধৰ্ম নিৰ্বিশেষে বহিষ্কাৰ কৰা আৰু এই চুক্তিৰ আধাৰতে ১৯৭১ চনৰ ২৪ মাৰ্চৰ ভিত্তি বছৰ, ১৯৫১ চনৰ নাগৰিকপঞ্জী আৰু ১৯৫২ চনৰ পৰা ১৯৭১ চনৰ ভোটাৰ তালিকাত থকা সকলোলোকৰ অন্তৰ্ভুক্তিৰে এখন শুদ্ধ নাগৰিকপঞ্জী (এন.আৰ.চি.) প্ৰস্তুত কৰি বিদেশী চিনাক্তকৰণেৰে অসমৰ অতিকে স্পৰ্শকাতৰ বিদেশী সমস্যা সমাধান কৰা। এয়া হ'ল ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ প্ৰস্তুতিৰ মূল উদ্দেশ্য। ইয়াৰ উপৰিও চুক্তিৰ আন দফা কেইটা হ'ল শ্ৰীমন্ত শঙ্কৰদেৱৰ কলাক্ষেত্ৰ, গেছ ক্ৰেকাৰ আৰু ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণ, নুমলীগড় তেল শোধনাগাৰ প্ৰতিষ্ঠা আৰু অসম-বাংলাদেশৰ আন্তঃৰাষ্ট্ৰীয় সীমাত কাঁইটীয়া তাঁৰৰ বেৰা নিৰ্মাণ ইত্যাদি।

এতিয়া কথা হ'ল অসম আন্দোলনে ৩৮ বছৰ আৰু অসম চুক্তি স্বাক্ষৰিত হোৱা আজি ৩২ বছৰ হ'ল। ১৯৮৫ চনত জন্মা শিশু আজি ৩২ বছৰীয়া হ'ল। অসম চুক্তিৰ মূল দফা বিদেশী বহিষ্কাৰ আৰু এন. আৰ. চিৰ কাম চুলিডালৰ সমানো সমাধান নহ'ল। ১৯৮৭ চনত আৰম্ভ হোৱা ভাৰত-বাংলাদেশ সীমান্তৰ অসমৰ সীমাত পৰা ২৬৮ কিলোমিটাৰ কাঁইটীয়া তাঁৰৰ বেৰা আজি ৩০ বছৰেও সম্পূৰ্ণ নহ'ল। এয়া কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ দেশৰ প্ৰতি কৰা কাম-কাজৰ দায়বদ্ধতাৰ নমুনা। এই সমস্যা সমাধানৰ মূল অন্তৰায় কেন্দ্ৰীয় চৰকাৰৰ অনীহা, সদিচ্ছাৰ অভাৱ আৰু সমস্যাৰ গুৰুত্ব উপলব্ধিত অসমৰ্থতা হ'লেও ইয়াৰ বাবে জগৰীয়া হিচাপে আন্দোলনকাৰী দল-নেতাও কিন্তু বাদ নপৰিব। বহুক্ষেত্ৰত আন্দোলনকাৰী দল-সংগঠনৰ নেতা বেছিহে জগৰীয়া।

অসম আন্দোলনৰ সুবাদতে ৰাজ্যৰ জলন্ত সমস্যা 'বিদেশী সমস্যা' সমাধানৰ স্বাৰ্থত ১৯৮৫ চনৰ অসম চুক্তি স্বাক্ষৰ হোৱাৰ পাছত সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত 'গণ সংগ্ৰাম পৰিষদ'ৰ লগ হৈ 'অসম গণ পৰিষদ' দল গঠন হয়। ইয়াৰ পৰৱৰ্তী সময়ত অসম বিধান সভাৰ নিৰ্বাচনত একাংশ ছাত্ৰ নেতাই কলেজ-বিশ্ববিদ্যালয়ৰ শ্ৰেণী কোঠাৰ পৰাই পোনে পোনে আহি প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বৰ 'অসম গণ পৰিষদ' দলে দিছপুৰৰ ক্ষমতাৰ গাদী দখল কৰে। এই নেতাসকলে এবাৰ নহয় দুবাৰকৈ দিছপুৰ শাসনভাৰ দখল কৰিলে। কিন্তু ইমানখিনি সুযোগ-সুবিধা পোৱা স্বত্বেও আন্দোলনকাৰী গৰিষ্ঠ সংখ্যক দল-নেতাৰ অদক্ষতা, আন্তৰিকতাহীন, ভণ্ড-ভুৱা দেশপ্ৰেম আৰু স্বাৰ্থপৰতাৰ বাবেই আজি ৩২ বছৰে অসম চুক্তিৰ কোনো অগ্ৰগতি পৰিলক্ষিত নহ'ল। এই ৩২ বছৰে অসম চুক্তিখনকলৈ ৰাজনীতিৰ ৰচী টনা খেললৈ পৰিণত হৈ টনা-টনিতে বছৰ বছৰ অতিবাহিত হ'ল। জাতীয় আন্দোলনৰ দল-সংগঠনৰ গৰিষ্ঠ সংখ্যক নেতাই কেৱল ক্ষমতা আৰু গাদীৰ স্বাৰ্থত তেওঁলোকৰ অতদিনৰ নীতি-আদৰ্শ, জাতি-প্ৰেম, স্বদেশ প্ৰেম সকলো জলাঞ্জলি দি কোনোৱে ৰাষ্ট্ৰীয় দল কংগ্ৰেছত, কোনোৱে ভাৰতীয় জনতা পাৰ্টীত যোগ দি প্ৰত্যক্ষভাৱে অসম-অসমীয়াক প্ৰতাৰণা আৰু বিশ্বাসঘাটকতা কৰিলে। অসম চুক্তিক তুচ্ছ-তাচ্ছিল্য কৰা বিজেপিত একাংশ নেতাই যোগ দি তেওঁলোকে অতদিনে আছুত থাকি কৰি অহা সকলো কাম, আছুৰ সকলো নীতি ভৰিৰেই মোহাৰি অসমৰ জনতাক জীয়া ফাঁকিৰে প্ৰৱঞ্চনা কৰিলে। ইয়াতকৈ দুখৰ আৰু লজ্জাৰ কথা কি হ'ব পাৰে? সেয়ে আজি কেন্দ্ৰ বিজেপি চৰকাৰে ওভতগোৱে নাচি অসম চুক্তিৰ ১৯৭১ চনৰ ২৪ মাৰ্চৰ ভিত্তি বছৰকে বাতিল কৰিবলৈ সাহস কৰিছে। তেওঁলোকে হিন্দু-বাংলাদেশীক নাগৰিকত্ব আৰু এন.আৰ.চি.ত অন্তৰ্ভুক্তিৰ বাবে ভিত্তি বছৰ ২০১৪ চনৰ ৩১ ডিচেম্বৰলৈ নিয়াৰ অভিসন্ধি পাতিছে।

*অসম আন্দোলনৰ সুবাদতে ৰাজ্যৰ জলন্ত সমস্যা 'বিদেশী সমস্যা' সমাধানৰ স্বাৰ্থত ১৯৮৫ চনৰ অসম চুক্তি স্বাক্ষৰ হোৱাৰ পাছত সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত 'গণ সংগ্ৰাম পৰিষদ'ৰ লগ হৈ 'অসম গণ পৰিষদ' দল গঠন হয়। ইয়াৰ পৰৱৰ্তী সময়ত অসম বিধান সভাৰ নিৰ্বাচনত একাংশ ছাত্ৰ নেতাই কলেজ-বিশ্ববিদ্যালয়ৰ শ্ৰেণী কোঠাৰ পৰাই পোনে পোনে আহি প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বৰ 'অসম গণ পৰিষদ' দলে দিছপুৰৰ ক্ষমতাৰ গাদী দখল কৰে। এই নেতাসকলে এবাৰ নহয় দুবাৰকৈ দিছপুৰ শাসনভাৰ দখল কৰিলে। কিন্তু ইমানখিনি সুযোগ-সুবিধা পোৱা স্বত্বেও আন্দোলনকাৰী গৰিষ্ঠ সংখ্যক দল-নেতাৰ অদক্ষতা, আন্তৰিকতাহীন, ভণ্ড-ভুৱা দেশপ্ৰেম আৰু স্বাৰ্থপৰতাৰ বাবেই আজি ৩২ বছৰে অসম চুক্তিৰ কোনো অগ্ৰগতি পৰিলক্ষিত নহ'ল। এই ৩২ বছৰে অসম চুক্তিখনকলৈ ৰাজনীতিৰ ৰচী টনা খেললৈ পৰিণত হৈ টনা-টনিতে বছৰ বছৰ অতিবাহিত হ'ল। জাতীয় আন্দোলনৰ দল-সংগঠনৰ গৰিষ্ঠ সংখ্যক নেতাই কেৱল ক্ষমতা আৰু গাদীৰ স্বাৰ্থত তেওঁলোকৰ অতদিনৰ নীতি-আদৰ্শ, জাতি-প্ৰেম, স্বদেশ প্ৰেম সকলো জলাঞ্জলি দি কোনোৱে ৰাষ্ট্ৰীয় দল কংগ্ৰেছত, কোনোৱে ভাৰতীয় জনতা পাৰ্টীত যোগ দি প্ৰত্যক্ষভাৱে অসম-অসমীয়াক প্ৰতাৰণা আৰু বিশ্বাসঘাটকতা কৰিলে। অসম চুক্তিক তুচ্ছ-তাচ্ছিল্য কৰা বিজেপিত একাংশ নেতাই যোগ দি তেওঁলোকে অতদিনে আছুত থাকি কৰি অহা সকলো কাম, আছুৰ সকলো নীতি ভৰিৰেই মোহাৰি অসমৰ জনতাক জীয়া ফাঁকিৰে প্ৰৱঞ্চনা কৰিলে।*

শেষাংশ ২১পৃষ্ঠাত

## সমাজসেৱা নে ব্যৱসায়

# লক্ষ্যভ্ৰষ্ট হৈছে নেকি স্বেচ্ছাসেৱী অনুষ্ঠান ?

**সোঁতৰ বিপৰীতে**



**পল্লৱী ডেকা বুজৰবৰুৱা**

কোনো বিশেষ গুৰুত্বৰে সামূহিক স্তৰত সামাজিক কাম সম্পন্ন কৰাৰ লক্ষ্যৰে একে ধৰণৰ কামৰ প্ৰতি ৰুচি থকা ইচ্ছুক নাগৰিক সমষ্টিয়ে বে-চৰকাৰীভাৱে আঞ্চলিক, ৰাজ্যিক, ৰাষ্ট্ৰীয় অথবা আন্তঃৰাষ্ট্ৰীয় স্তৰত সংগঠিত হৈ গঠন কৰে সমাজ সেৱাৰ মনোভাৱেৰে স্বেচ্ছাসেৱী অনুষ্ঠান। সমাজৰ উন্নয়নকামী বিভিন্ন বিচিত্ৰ দায়িত্ব গ্ৰহণ কৰি সমাজৰ কল্যাণ সাধন কৰাই এনে অনুষ্ঠানসমূহৰ লক্ষ্য আৰু উদ্দেশ্য। এনে অনুষ্ঠানসমূহে সামূহিক সামাজিক কল্যাণৰ ক্ষেত্ৰত চৰকাৰী ব্যৱস্থাৰ ত্ৰুটি-বিচ্যুতিৰ প্ৰতি লক্ষ্য ৰখাৰে পৰা আৰম্ভ কৰি মানৱ সম্পদ তথা প্ৰাকৃতিক, ভৌগোলিক, ৰাজনৈতিক, অৰ্থনৈতিক সামাজিক, সাংস্কৃতিক, বনজ, কৃষিজ সৰ্বপ্ৰকাৰ সামূহিক সম্পদৰ ৰক্ষণাবেক্ষণৰ প্ৰতি সতৰ্কতা অৱলম্বন কৰাই নহয়, তেনে সম্পদসমূহৰ বিকাশৰ উদ্দেশ্য নিজা নিজা স্তৰত উদ্যোগ গ্ৰহণ কৰে। এক কথাত ক'বলৈ গ'লে সমাজৰ বৌদ্ধিক, মানসিক, সাংস্কৃতিক, শাৰীৰিক সৰ্বপ্ৰকাৰ দিশৰ সামূহিক স্বাস্থ্য আৰু পাৰিপাৰ্শ্বিক পৰিৱেশক সুস্থ আৰু ৰুচিসম্পন্ন সুৰক্ষা দিয়াৰ দায়িত্ব গ্ৰহণ কৰে স্বেচ্ছাসেৱী অনুষ্ঠানে। চৰকাৰী পঞ্জীয়ন লাভ কৰা বহু সংগঠনৰ কাৰ্য পৰিচালনাৰ বাবে চৰকাৰী শকত পৰিমাণৰ পুঁজিৰ আৱণ্টন হয়, বাকী সংগঠনসমূহে কিয়দাংশ চৰকাৰী আৱণ্টন লাভ, নিজা উদ্যোগত সম্ভৱ বৰঙণি আৰু বিশেষকৈ দান-বৰঙণিৰ ওপৰত নিৰ্ভৰ কৰি চলে। আজিকালি অৱশ্যে পঞ্জীয়নৰ প্ৰশ্নই যেন গৌণ হৈ পৰিছে পঞ্জীয়নভুক্তই হওঁক, বহিৰ্ভূতই হওঁক, এতিয়া আমাৰ অসমতে আছে এনে অনেক সংগঠন-হাজাৰ-বিজাৰ সংগঠন। প্ৰয়োজনে অপ্ৰয়োজনে ৰাতিটোৰ ভিতৰতে গঠনো হয়, নোহোৱাও হয়।

যি কি নহওঁক, আমাৰ আজিৰ আলোচনাৰ লক্ষ্য আজিৰ সমাজত স্বেচ্ছাসেৱী অনুষ্ঠানৰ গুৰুত্ব। আজিৰ সমাজ বুলি যিখন ছবি আমাৰ পোনছাটেই মনলৈ আহে - সেইখন বৰ অস্থিৰ, চঞ্চল আৰু অশান্ত, ব্যক্তিত্বৰহিত আৰু সমাজ বিচ্ছিন্ন, আৰু দ্ৰুত গতিশীল। বহুক্ষেত্ৰত লক্ষ্যবিহীনো। এইখিনি বিশেষণেৰে মই বৰ্তমানৰ সকলোখিনি বেয়াই বুলি ক'ব খোজা নাই। আচলতে স্বেচ্ছাসেৱী অনুষ্ঠানৰ কৰণীয় ক্ষেত্ৰখন ক'ত আছে, সেইটো বিচাৰি উলিয়াবলৈ এইখিনি কথালৈকে আঙুলিয়াবই লগা হয়। মই নিজে এই সমাজৰ ভিতৰতে থাকিয়েই অনুভৱ কৰিছো যে এইখন সমাজত ৰাজনীতি, অৰ্থনীতি, সংস্কৃতি, সাহিত্য, ধৰ্ম যিফালেই চাওক আপুনি দেখিব মানুহে কি বিচাৰিছে নাজানে, মানে ময়ো নাজানো মই কি বিচাৰো, আমাৰ সামূহিক লক্ষ্যও ইমান অস্থিৰ হয় যে স্থিতি হেৰুৱাই ক'ত খোজ পেলাও আমি নিশ্চিত নহয়, আমি নাজানো আমাৰ অস্থিৰতাই সমাজত ক'ত, কেনেকৈ খেলিমেলি কৰিছে, কিমান অৰাজকতাৰ সৃষ্টি কৰিছে। উদাহৰণ স্বৰূপে অসমৰ ৰাজনীতি ক্ষেত্ৰলৈ চোৱা হওঁক, অসমৰ ৰাজনীতি আজি থৰক বৰক সিদ্ধান্ত ল'ব নোৱাৰে ৰজাই প্ৰজাৰ কল্যাণ কেনেকৈ হ'ব। বিৰোধীৰো নিজৰ কোনো সবল স্থিতি নাই যে শাসনত থকা দলক স্থিৰতালৈ আনিব। আৰু স্বেচ্ছাসেৱী অনুষ্ঠানবোৰ তেওঁলোকে কি কৰিছে? নিজৰ নিজৰ স্বাৰ্থ অনুযায়ী সময়-সুবিধা অনুযায়ী কোনো কোনো সমস্যাক ইচ্যু কৰিলৈ হুলস্থূল চিঞৰ-বাখৰ, বন্ধ-হৰতালৰ আন্দোলন কৰিছে- এশ ঘণ্টীয়া, এহেজাৰ ঘণ্টীয়া জনজীৱনৰ গতি স্তব্ধ কৰিছে, অজ্ঞাত বুজাবুজিত হঠাৎ শামো কাটিছে একোটা ব্যাপক আন্দোলন, আকৌ আৰম্ভ হয় নতুন ইচ্যু লৈ নতুন আন্দোলন-সমস্যাবোৰ কিন্তু একেই অৱস্থাতে থাকে সমাধানহীন হৈ। সাহিত্য-সংস্কৃতিৰ বিভিন্ন সংগঠনলৈ চোৱা যাওঁক, যি যেনেকৈ সুবিধা পাইছে তেনেকৈয়ে নিজা নিজা স্বাৰ্থত নিজা নিজা শিবিৰ গঠন কৰিছে। সাহিত্য-সংস্কৃতিৰ উন্নয়ন সাধনৰ মূল লক্ষ্য দূৰতে থাকে। আচলতে সামূহিক উন্নয়নৰ সদিচ্ছা আৰু সততা থাকিলেই এনে ধৰণৰ অস্থিৰতাৰ অৱসান ঘটাব পাৰে স্বেচ্ছাসেৱী অনুষ্ঠানবোৰে প্ৰগতি আৰু কল্যাণৰ যুগোপযোগী সমাধান বিচাৰি, অভিজ্ঞ আৰু জ্যেষ্ঠজনৰ পৰামৰ্শ গ্ৰহণ কৰি, সৰ্বসাধাৰণৰ স্বাৰ্থ সুৰক্ষিত কৰি সমাধান সূত্ৰত উপনীত হ'ব পাৰি। কিন্তু দুখৰ কথা আজি আটাইতকৈ বেছি অৱহেলিত আৰু অসুৰক্ষিত যদি কিবা আছে, সেয়া হ'ল সৰ্বসাধাৰণৰ স্বাৰ্থ। স্বেচ্ছাসেৱী সংগঠনসমূহ সচেতন হ'বৰ হোৱা নাইনে সুবিধাবাদী নেতা অথবা ব্যক্তি বিশেষৰ ব্যক্তিগত স্বাৰ্থ সুৰক্ষিত কৰাৰ কাৰণে সঘনে ঘটি থকা এনে বৃহত্তৰ ক্ষতিবোৰ ৰোধ কৰাৰ। দেখাত সামাজিক আৰু সামূহিক হৈয়ো আজিৰ সংগঠনবোৰৰ প্ৰায়ভাগেই ব্যক্তিত্বৰহিত আৰু সমাজ বিচ্ছিন্নও। ভালকৈ স্বেচ্ছাসেৱী অনুষ্ঠানবোৰৰ ভিতৰচ'ৰালৈ মন কৰিলে কথাটো স্পষ্ট হ'ব। সাহিত্যৰেই হওঁক, সংস্কৃতিৰেই হওঁক, ছাত্ৰৰেই হওঁক, শিক্ষকৰেই হওঁক, ধৰ্মৰেই হওঁক, ভাষাৰেই হওঁক অথবা জাতি-জনগোষ্ঠীৰেই হওঁক সংগঠনসমূহৰ সকলোতে কিবাকৈ যদি এজন ব্যক্তিয়ে নিয়ন্ত্ৰণৰ বাঘজৰী হাতত লৈছে, আনে তেওঁক আশা নকৰিলেও সুদীৰ্ঘ সময় এৰাৰ নাম নলয়, সৰ্বসন্মতিৰে সকলোৰে বিচৰাটো এটা বেলেগ কথা। দুখৰ কথা সৰ্বসন্মতি বুলি কথা আচলতে আজিকালি অৰ্থহীন হৈ আহিছে। জোৰ যাৰ মুলুক তাৰ, কথাটোৰেই সৰ্বাধিক ক্ষেত্ৰত সত্য হৈ উঠিছে। জোৰৰ প্ৰয়োগেই হওঁক, ছলৰ প্ৰয়োগেই হওঁক, ই যোগ্যতা প্ৰতিপন্ন কৰেনে? এনে আগ্ৰাসনত সততা থাকিব পাৰেনে? বাস্তৱত কি হৈ আছে আজিকালি? ধন-টকা-পইচা খৰচ কৰিয়েই হওঁক অইন উপায়েৰেই হওঁক চেনেল ফিট কৰিব পৰাসকলে স্বেচ্ছাসেৱী অনুষ্ঠানবোৰ ক্ষমতা দখল কৰে। অনুষ্ঠানৰ নিয়মানুবৰ্তিতাৰ কাৰণে অনুষ্ঠানটোৱে নিজে তৈয়াৰ কৰি লোৱা সংবিধানেই হওঁক, আনৰ সমালোচনা অথবা অসহযোগিতাই হওঁক, সকলো ওফৰাই নিজৰ নিজৰ শিবিৰ শক্তিশালী কৰি ক্ষমতা হাতত ৰাখিব পৰাজনেই নেতৃত্ব বহন কৰে। ফলত স্বেচ্ছাসেৱী সংগঠনত স্বেচ্ছাসেৱাৰ দৰে মহান আৰু পবিত্ৰ শব্দৰ অৱমাননা হৈছে আটাইতকৈ বেছি। ডাঙৰ কথা হ'ল আজিকালি স্বেচ্ছাসেৱী সংগঠনৰ নেতৃত্ব মানেই অৰ্থনৈতিক, সাংস্কৃতিক অথবা বাণিজ্যিক বিলাসিতাৰ নামান্তৰলৈ পৰ্যবসিত হৈছে। বলেৰে হওঁক, চলেৰে হওঁক প্ৰচুৰ অৰ্থাগম ঘটিবই — বিলাসী গাড়ী, বিলাসী আবাস, বিলাসী খাদ্য আৰু বিলাসী ভ্ৰমণ। জনসেৱাৰ নামত সৰ্বস্ব ত্যাগৰ দৰে দুৰূহ সেৱাৰ মনোভাৱ দূৰতে থাওক, আজিকালি কোনো সংগঠনৰ নেতৃত্বই সা-সুবিধাৰ এচুলিমান ত্যাগৰ বিলাসিতাও কৰা দেখা নাযায়। শৰৎ সিংহৰ দৰে সততা বা ত্যাগৰ আদৰ্শ নহ'লেও, অন্তত সংগঠনৰ মূল উদ্দেশ্য অথবা গৰিমাৰ ক্ষতি হ'লে কেৰেপ কৰা নেতৃত্বও যদি নাথাকে, তেন্তে তেনেবোৰ সংগঠনৰ ভৱিষ্যৎ কি হ'ব? ৰাজহুৱা ধনেৰে বিলাস কৰিবলৈ তিলামানো সংকোচ নকৰা নৈতিকতাৰ যদি অভাৱ হয় নেতৃত্বত তেতিয়া সমাজে কাৰ মুখলৈ চাব। এই যে স্বেচ্ছাসেৱাৰ নামত চৌপাশে নিৰ্মাণ হৈছে এনেবোৰ অস্থিৰতাৰ বৃত্ত, তাৰ বাহিৰত আচলতে ময়ো নাই, আপুনিও নাই- আমি সকলোৱে নিজে নজনাকৈ আমাৰ চৌপাশে হৈ থকা ঘটনা নেদেখাৰ ভাও ধৰিছো অথবা সকলো আওকাণ কৰি হেৰুৱাই গৈ আছো নিজৰো বহুত কিবাকিবি। আজি নিজৰ মান-সন্মানেই হওঁক, সামূহিক সামাজিক কল্যাণেই হওঁক, সকলো এফলীয়া কৰি ব্যক্তিগত আৰু সামাজিক স্তৰত নিজৰ শ্ৰেষ্ঠতা আৰু প্ৰতিপন্ন কৰিবলৈ গৈ আমি প্ৰত্যেকেই আচলতে মানুহৰ পৰিচয় হেৰুৱাবলৈ ধৰিছো। আমি পাহৰি গৈছো যে আমি কৰা এনেবোৰ কামৰ লগত দূৰ-দূৰলৈ কোনো সামাজিক কল্যাণৰ সম্পৰ্ক থকাৰ প্ৰশ্নই নুঠে। আমি বাৰু ভাবি চাবৰ হোৱা নাইনে এতিয়াও আমি গঠন কৰা আমাৰ নিজৰ সংগঠনবোৰৰ ভিতৰচ'ৰাত কি ঘটিবলৈ ধৰিছে- প্ৰচুৰ অৰ্থাগম আৰু অৰ্থলোভ? দেখিও নেদেখাৰ ভাও ধৰা আমাৰ অৱহেলাক ভেঁটি কৰি বাঢ়ি যোৱা নাইনে দুষ্ট চক্ৰৰ দুঃসাহস? নে আমাৰ অন্তৰ্মনৰ কল্যাণকামী মানৱীয় চেতনাৰেই অপমৃত্যু ঘটিল? নহ'লে নিৰ্বিচাৰে সৰ্বসাধাৰণক ঠগি ঠগি সৰ্বসাধাৰণৰ পৰাই সংগৃহীত ধনৰ অপচয়

শেষাংশ ১৯ পৃষ্ঠাত

*স্বেচ্ছাসেৱী সংগঠনসমূহ সচেতন হ'বৰ হোৱা নাইনে সুবিধাবাদী নেতা অথবা ব্যক্তি বিশেষৰ ব্যক্তিগত স্বাৰ্থ সুৰক্ষিত কৰাৰ কাৰণে সঘনে ঘটি থকা এনে বৃহত্তৰ ক্ষতিবোৰ ৰোধ কৰাৰ। দেখাত সামাজিক আৰু সামূহিক হৈয়ো আজিৰ সংগঠনবোৰৰ প্ৰায়ভাগেই ব্যক্তিত্বৰহিত আৰু সমাজ বিচ্ছিন্নও। ভালকৈ স্বেচ্ছাসেৱী অনুষ্ঠানবোৰৰ ভিতৰচ'ৰালৈ মন কৰিলে কথাটো স্পষ্ট হ'ব। সাহিত্যৰেই হওঁক, সংস্কৃতিৰেই হওঁক, ছাত্ৰৰেই হওঁক, শিক্ষকৰেই হওঁক, ধৰ্মৰেই হওঁক, ভাষাৰেই হওঁক অথবা জাতি-জনগোষ্ঠীৰেই হওঁক সংগঠনসমূহৰ সকলোতে কিবাকৈ যদি এজন ব্যক্তিয়ে নিয়ন্ত্ৰণৰ বাঘজৰী হাতত লৈছে, আনে তেওঁক আশা নকৰিলেও সুদীৰ্ঘ সময় এৰাৰ নাম নলয়, সৰ্বসন্মতিৰে সকলোৰে বিচৰাটো এটা বেলেগ কথা। দুখৰ কথা সৰ্বসন্মতি বুলি কথা আচলতে আজিকালি অৰ্থহীন হৈ আহিছে। জোৰ যাৰ মুলুক তাৰ, কথাটোৰেই সৰ্বাধিক ক্ষেত্ৰত সত্য হৈ উঠিছে।*

*মই নাম উল্লেখ নকৰিলেও আপোনালোক আটায়ে সেইবোৰ দেখি আছে শুনি আছে। যোগ্যজনতকৈ লবীভুক্ত কাৰোবাক সুবিধা প্ৰদানৰ খেল চলে। নিৰ্জে নিৰ্বাচন কৰাই হওঁক, চৰকাৰে কৰাই হওঁক, স্বেচ্ছাসেৱী অনুষ্ঠানবোৰে বিশেষ লক্ষ্য ৰাখে এটা কথালৈ যাতে তেওঁলোকৰ নিজৰ নিজৰ লবীৰ সকলে সুবিধা লাভ কৰে। ফলত কি হয় চেনেল ফিট কৰিব নজনা কোনো ভাল খেলুৱৈ অথবা ভাল নৃত্য পটিয়সী অথবা ভাল সাহিত্যিকজন বঞ্চিত হয়। এটা সংগঠনে আনটোৰ অনীতি নেদেখে কাৰণ ফটাকঠা তিতে মানে নিজৰ গালৈকে গধুৰ হ'ব, নিজৰ ক্ষেত্ৰত নিজেও যে তেনে কামেই কৰে।*

*যোৱা সংখ্যাৰ পৰা*

# শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তন

**শিক্ষা বিজ্ঞান**



**ড° বিজয় কৃষ্ণ দেৱশৰ্মা**

সাম্প্ৰতিক সময়ত কম্পিউটাৰৰ ব্যৱহাৰ পাঠ্যক্ৰম-প্ৰগ্ৰেম প্ৰস্তুতকৰণ আৰু কম্পিউটাৰ মেৰামতিকৰণ দুয়ো ক্ষেত্ৰতে পাঠ্যক্ৰম প্ৰচলন কৰিবৰ প্ৰয়োজন হৈছে। এনে পাঠ্যক্ৰম থকা পলিটেকনিক স্থাপন কৰি ৰাজ্যৰ শিক্ষা বিভাগে দশমমানৰ পাছত বৈ যোৱা ছাত্ৰ-ছাত্ৰীক উপকৃত কৰিব পাৰে।

কৃষিক্ষেত্ৰৰ অধীনত প্ৰয়োজন হয় শিক্ষিত বা অৰ্হতাযুক্ত ব্যক্তিৰ, যাৰ আমাৰ ইয়াত এতিয়াও অভাৱ হৈ আছে। তাৰ ভিতৰত বিশেষকৈ দুগ্ধপাম প্ৰযুক্তি, দুগ্ধপাম পৰিচালনা আৰু পশুপালন প্ৰযুক্তি, কৃষিপাম পৰিচালনা প্ৰযুক্তি আদি পঢ়িব পৰা পাঠ্যক্ৰমৰ কথা ক'ব পাৰি। এনে দুবছৰীয়া পাঠ্যক্ৰমৰ শিক্ষানুষ্ঠান দেশৰ কিছুমান ৰাজ্যত স্থাপিত হৈছে। অকল মহাৰাষ্ট্ৰতে এনে শিক্ষানুষ্ঠান আছে প্ৰায় চল্লিশখন। কিছুমান ৰাজ্যত হাঁহ-কুকুৰা পালনৰ বাবে ছমহীয়া বা এবছৰীয়া পাঠ্যক্ৰম থকা অনুষ্ঠান আছে। সেইদৰে মীন পালনৰ বাবেও পাঠ্যক্ৰম থকা অনুষ্ঠান আছে। আমাৰ অসমৰ বাবে এই দুয়োখন ক্ষেত্ৰতে পাঠ্যক্ৰমৰ প্ৰয়োজন আছে। অসমৰ মাছ পালনৰ উপযুক্ত পৰিৱেশ থকাৰ পাছতো আমালৈ মাছ আহে সুদূৰ অন্ধ্ৰপ্ৰদেশ বা উত্তৰ প্ৰদেশৰ পৰা। সেয়ে আমাৰ শিক্ষা বিভাগে দক্ষ ব্যক্তিৰ সৈতে আলোচনা কৰি গ্ৰামাঞ্চলত এনে শিক্ষানুষ্ঠান পাতিব লাগে য'ত প্ৰয়োজন ভিত্তিক বিষয় পঢ়াৰ আৰু প্ৰশিক্ষণ পোৱাৰ সা-সুবিধা পোৱা যায়।

*আমাৰ ইয়াত শিল্প প্ৰশিক্ষণ অনুষ্ঠান ইণ্ডাষ্ট্ৰিয়েল ট্ৰেইনিং ইনষ্টিটিউট চমুকৈ আই টি আই নাই বুলিয়েই ক'ব পাৰি। সমগ্ৰ দেশত কেন্দ্ৰীয় চৰকাৰৰ সাহায্যৰে আৰু ব্যক্তিগতভাৱে দুশৰো অধিক আই টি আই স্থাপিত হৈছে। তাত প্ৰতি বছৰে পঞ্চাশ হেজাৰৰ ওপৰৰ যুৱক-যুৱতীক এবছৰ বা দুবছৰীয়া পাঠ্যক্ৰম পঢ়ুৱাই প্ৰমাণ পত্ৰ দিয়া হয়। তাৰ বাবে শৈক্ষিক অৰ্হতা হ'ল হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ। অভিযান্ত্ৰিক দিশত প্ৰায় ৫০ টা বিষয়ত আৰু অ-অভিযান্ত্ৰিক দিশত ত্ৰিশটা মান বিষয়ত পাঠদান কৰা হয়। অসমত সম্প্ৰতি এনে আই টি আইত চৰকাৰীভাৱে বা ব্যক্তিগতভাৱে প্ৰশিক্ষণ দিলে আমাৰ বহুতো যুৱক-যুৱতী উপকৃত হ'ব। তাতোকৈ ডাঙৰ কথা হ'ল আমাৰ অধিকাংশ যুৱক-যুৱতীয়ে (যিসকলে উচ্চ শিক্ষা অনুসৰণ নকৰে) নাজানে যে ১৯৬১ চনৰ শিক্ষা নবিচ প্ৰশিক্ষণ আইন অনুসৰি প্ৰতিটো শিল্প প্ৰতিষ্ঠানে তিনি-চাৰি বছৰৰ বাবে নবিচ নিযুক্ত কৰিবলৈ বাধ্য।*

ইয়াৰ উপৰি দশমমানৰ পাছত কেন্দ্ৰীয় বা ৰাজ্য চৰকাৰৰ অধীনত কেৰাণী পদ পোৱাৰ সুবিধা। অৱশ্যে ইয়াৰ বাবে প্ৰতিযোগিতামূলক পৰীক্ষাত বহিবৰ প্ৰয়োজন। উদাহৰণস্বৰূপে, কৰ্মচাৰী নিৰ্বাচন আয়োগ, ৰে'লৱে, বীমা নিগম, বেংক নিগম, বিত্তীয় নিগম আৰু মহাগাণনিকৰ কাৰ্যালয় আদিত প্ৰতিবছৰে বা সময়ে সময়ে নিম্নবৰ্গৰ কেৰাণী নিয়োগ কৰে দশম মান উত্তীৰ্ণ ব্যক্তিক। লগতে এনে প্ৰাৰ্থীক টাইপিং, ষ্টেন'গ্ৰাফী আৰু কম্পিউটাৰ জনাৰ দৰকাৰ। লিখিত পৰীক্ষাৰ পাছত প্ৰাৰ্থীয়ে টাইপিং পৰীক্ষা দিব লাগে। ইয়াৰ বাবে অৱশ্যে বয়সৰ সীমা থাকে সাধাৰণতে ১৮ ৰ পৰা ২৫ বছৰ। বীমা নিগমে নিৰ্বাচিত প্ৰাৰ্থীক তিনি বছৰ প্ৰশিক্ষণ দিয়ে। ইয়াৰ বাবে আমাৰ চৰকাৰী আৰু বেচৰকাৰী প্ৰতিষ্ঠানে সময়মতে যুৱক-যুৱতীক তথ্য যোগান ধৰাৰ প্ৰয়োজন। প্ৰকৃততে জিলাভিত্তিক তথ্য কেন্দ্ৰ খুলি সময়ে সময়ে নিয়োগৰ খবৰ দি থাকিব লাগে।

আমাৰ ইয়াত শিল্প প্ৰশিক্ষণ অনুষ্ঠান ইণ্ডাষ্ট্ৰিয়েল ট্ৰেইনিং ইনষ্টিটিউট চমুকৈ আই টি আই নাই বুলিয়েই ক'ব পাৰি। সমগ্ৰ দেশত কেন্দ্ৰীয় চৰকাৰৰ সাহায্যৰে আৰু ব্যক্তিগতভাৱে দুশৰো অধিক আই টি আই স্থাপিত হৈছে। তাত প্ৰতি বছৰে পঞ্চাশ হেজাৰৰ ওপৰৰ যুৱক-যুৱতীক এবছৰ বা দুবছৰীয়া পাঠ্যক্ৰম পঢ়ুৱাই প্ৰমাণ পত্ৰ দিয়া হয়। তাৰ বাবে শৈক্ষিক অৰ্হতা হ'ল হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ। অভিযান্ত্ৰিক দিশত প্ৰায় ৫০ টা বিষয়ত আৰু অ-অভিযান্ত্ৰিক দিশত ত্ৰিশটা মান বিষয়ত পাঠদান কৰা হয়। অসমত সম্প্ৰতি এনে আই টি আইত চৰকাৰীভাৱে বা ব্যক্তিগতভাৱে প্ৰশিক্ষণ দিলে আমাৰ বহুতো যুৱক-যুৱতী উপকৃত হ'ব।

তাতোকৈ ডাঙৰ কথা হ'ল আমাৰ অধিকাংশ যুৱক-যুৱতীয়ে (যিসকলে উচ্চ শিক্ষা অনুসৰণ নকৰে) নাজানে যে ১৯৬১ চনৰ শিক্ষা নবিচ প্ৰশিক্ষণ আইন অনুসৰি প্ৰতিটো শিল্প প্ৰতিষ্ঠানে তিনি-চাৰি বছৰৰ বাবে নবিচ নিযুক্ত কৰিবলৈ বাধ্য। তাৰ বাবে কেন্দ্ৰীয় চৰকাৰে বৃত্তিও দিয়াৰ নিয়ম আছে। নবিচৰ অন্তত ৰাষ্ট্ৰীয় বৃত্তিগত বাণিজ্য পৰিষদৰ দ্বাৰা প্ৰমাণপত্ৰ পোৱাৰ দিহাও আছে। তাৰ পাছত প্ৰতিবছৰে ফেব্ৰুৱাৰী আৰু আগষ্ট মাহত অৰ্থাৎ

*শেষাংশ ২০ পৃষ্ঠাত*

# চৈত্যভূমি ঃ ড° ভীমৰাও আম্বেদকাৰৰ স্মৃতিচিহ্ন

**প্ৰসংগ-প্ৰত্যাশা**



**এনী হাজৰিকা (মুম্বাই)**

৬ ডিচেম্বৰ দিনটো বাবা চাহেব ড° ভীমৰাও আম্বেদকাৰৰ মহাপৰিনিৰ্বাণ দিৱস হিচাপে সমগ্ৰ দেশে পালন কৰে। মুম্বাইৰ দাদৰত থকা চৈত্যভূমিতো প্ৰতিবছৰে বাবা চাহেবৰ মহাপৰিনিৰ্বাণ দিৱসত লক্ষ্য লক্ষ্য জনতাই সংবিধানৰ প্ৰণেতাজনলৈ সহস্ৰ প্ৰণাম যাচে। এইবাৰো আনবাৰৰ দৰেই পালন কৰিলে এই দিৱস। ১৯৫৬ চনৰ ৬ ডিচেম্বৰৰ দিনা ভীমৰাও ৰামজী আম্বেদকাৰৰ দেহাৱসান ঘটে আৰু তেতিয়াৰ পৰা তেওঁৰ মৃত্যুৰ দিনটোক মহাপৰিনিৰ্বাণ দিৱস হিচাপে পালন কৰা হয়। প্ৰতিবছৰে ছয় ডিচেম্বৰৰ দিনা মহাৰাষ্ট্ৰৰ ভিন্ন প্ৰান্তৰ পৰা লক্ষ্য লক্ষ্য দলিতে মুম্বাইৰ দাদৰত থকা চৈত্যভূমিলৈ আহি তেওঁৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে, ফলস্বৰূপে সেইদিনা চৈত্যভূমি হৈ পৰে এখন তীৰ্থস্থান। দৰাচলতে চৈত্যভূমি হৈছে বাবাচাহেব আম্বেদকাৰৰ স্মৃতিচিহ্ন। পূৰ্বতে দাদৰ চৌপাতি বুলি জনাজাত এই ঠাইডোখৰতে আম্বেদকাৰৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হৈছিল বাবেই তেতিয়াৰ পৰাই এই ঠাইখনৰ নাম হ'ল চৈত্যভূমি। মহাপৰিনিৰ্বাণ দিৱস উপলক্ষে চৈত্যভূমিত একত্ৰিত হোৱা লক্ষ্য লক্ষ্য জনতাই যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন হ'বলগীয়া নহয় তাৰ কাৰণে চৰকাৰে শৌচালয়, গা-ধোৱা ঘৰ, পানী, অগ্নি নিৰ্বাপক ব্যৱস্থা, টেলিফোন কেন্দ্ৰ, স্বাস্থ্য কেন্দ্ৰ, ৰিজাৰ্ভেছন কাউণ্টাৰ ইত্যাদি সকলো ধৰণৰ সা-সুবিধা প্ৰদান কৰে। ড° আম্বেদকাৰৰ মহাপৰিনিৰ্বাণ দিৱসৰ দিনা চৈত্যভূমিত চিটি কপ'ৰেচন তথা অনুসূচীত জাতি আৰু ৰাজ্য চৰকাৰৰ কৰ্মচাৰী সংস্থাই বিশেষ কাৰ্যসূচীৰ আয়োজন কৰি ভীমৰাও আম্বেদকাৰে দেশলৈ আগবঢ়োৱা অৱদানৰ শলাগ লয়। প্ৰকৃততে প্ৰায় দুশ বছৰীয়া বৃটিছৰ শাসনৰ পৰা মুক্ত হোৱাৰ পিছত সকলো ভাৰতীয়ৰ বাবে এখন আধুনিক সমাজ গঠনৰ লক্ষ্য লৈ সাংবিধানিক বিধি ব্যৱস্থাৰে সামাজিক পৰিৱৰ্তনৰ পথ সুনিশ্চিত কৰাৰ গধুৰ দায়িত্ব বহন কৰা ব্যক্তিজনেই আছিল আম্বেদকাৰ। মহাৰাষ্ট্ৰত আম্বেদাকাৰে সত্যাগ্ৰহ কৰিছিল ৰাজহুৱা পুখুৰী, কুঁৱা বা নলাৰ পৰা দলিত সকলৰ পানী খোৱাৰ অধিকাৰ বিচাৰি তেওঁ কৈছিল আমি যদি আইন ৰচনা কৰো তেনেহ'লে ভবা হয় যে ব্যক্তি স্বাধীনতা আৰু মৌলিক অধিকাৰবোৰো আইনে ৰক্ষা কৰিব। সেইটো ভুল ধাৰণা। অভিজ্ঞতাই আমাক শিকাইছে যে, অধিকাৰ আৰু স্বাধীনতা আইনে ৰক্ষা নকৰে। ৰক্ষা কৰে সমাজৰ বিবেক আৰু নৈতিকতাইহে। ড° আম্বেদকাৰৰ এই স্মৃতিচিহ্নক প্ৰথম শ্ৰেণীৰ তীৰ্থস্থান আৰু পৰ্যটকস্থলী আখ্যা দিয়া হৈছে। কিয়নো এই ঠাইলৈ প্ৰতিবছৰে বিশ্বৰ নানা ঠাইৰ পৰা প্ৰায় দহ লাখতকৈও অধিক পৰ্যটক আহে। চৈত্যভূমিৰ আকাৰ চাৰিচুকীয়া। যাৰ ওপৰত স্তুপ আছে আৰু ইয়াক দুটা মহলাত ভাগ কৰা হৈছে। এইবৰ্গক্ষেত্ৰ আকাৰৰ চৈত্যভূমিত এক গোলাকাৰ বেৰৰ মাজত ড° বাবাচাহেব আম্বেদকাৰৰ লগতে গৌতম বুদ্ধৰ প্ৰতিমূৰ্তি ৰখা হৈছে। তেওঁ হিন্দু সমাজত বিৰাজ কৰা অসংগত বিচাৰ আৰু কু-সংস্কাৰ দেখি মৰ্মাহত হৈছিল আৰু সেইবাবে মৃত্যুৰ প্ৰায় দুমাহ পূৰ্বে নাগপুৰলৈ গৈ বৌদ্ধধৰ্ম গ্ৰহণ কৰিছিল। সমগ্ৰ জীৱন কালত তেওঁ জাতি-বৈষম্যৰ অৱসান ঘটা নেদেখিলে। পুনে আৰু নাচিকৰ মন্দিৰত দলিত লোকৰ প্ৰৱেশৰ অধিকাৰ বিচাৰিও তেওঁ শান্তিপূৰ্ণভাৱে সত্যাগ্ৰহ কৰিছিল। মৃত্যুশৰ্য্যাত থকা অৱস্থাত তেওঁৰ প্ৰথমা পত্নী ৰামা বায়ে পান্ধাৰপুৰ মন্দিৰ দৰ্শনৰ বাবে কৰা অনুৰোধ তেওঁ ৰাখিব নোৱাৰিছিল। কাৰণ সেই মন্দিৰত দলিতৰ প্ৰৱেশ নিষিদ্ধ আছিল। তেতিয়া তেওঁ প্ৰতিজ্ঞাৱদ্ধ হৈছিল মই হিন্দু হৈ জন্মিছো কিন্তু হিন্দু হৈ নমৰো। সেয়েহে পিছলৈ তেওঁ বৌদ্ধ ধৰ্ম গ্ৰহণ কৰিছিল, আনকি মৃত্যুৰ দিনাও তেওঁৰ হাতত আছিল "দ্যা বুদ্ধ এণ্ড হিজ ধৰ্ম" গ্ৰন্থখনিৰ পাণ্ডুলিপি। হয়তো

মহাৰাষ্ট্ৰত আম্বেদাকাৰে সত্যাগ্ৰহ কৰিছিল ৰাজহুৱা পুখুৰী, কুঁৱা বা নলাৰ পৰা দলিত সকলৰ পানী খোৱাৰ অধিকাৰ বিচাৰি তেওঁ কৈছিল আমি যদি আইন ৰচনা কৰো তেনেহ'লে ভবা হয় যে ব্যক্তি স্বাধীনতা আৰু মৌলিক অধিকাৰবোৰো আইনে ৰক্ষা কৰিব। সেইটো ভুল ধাৰণা। অভিজ্ঞতাই আমাক শিকাইছে যে, অধিকাৰ আৰু স্বাধীনতা আইনে ৰক্ষা নকৰে। ৰক্ষা কৰে সমাজৰ বিবেক আৰু নৈতিকতাইহে। ড° আম্বেদকাৰৰ এই স্মৃতিচিহ্নক প্ৰথম শ্ৰেণীৰ তীৰ্থস্থান আৰু পৰ্যটকস্থলী আখ্যা দিয়া হৈছে। কিয়নো এই ঠাইলৈ প্ৰতিবছৰে বিশ্বৰ নানা ঠাইৰ পৰা প্ৰায় দহ লাখতকৈও অধিক পৰ্যটক আহে। চৈত্যভূমিৰ আকাৰ চাৰিচুকীয়া। যাৰ ওপৰত স্তুপ আছে আৰু ইয়াক দুটা মহলাত ভাগ কৰা হৈছে। এই বৰ্গক্ষেত্ৰ আকাৰৰ চৈত্যভূমিত এক গোলাকাৰ বেৰৰ মাজত ড° বাবাচাহেব আম্বেদকাৰৰ লগতে গৌতম বুদ্ধৰ প্ৰতিমূৰ্তি ৰখা হৈছে।

*শেষাংশ ২০ পৃষ্ঠাত*

# গ্ৰাহক অধিকাৰ সুৰক্ষাৰ্থে এক শক্তিশালী আন্দোলনৰ আৱশ্যক

## সাম্প্ৰতিক

তিলক মহন



আন্দোলন প্ৰতিবাদৰ ৰাজ্যৰূপে সৰ্বত্ৰে জনাজাত হৈ পৰা অসমত আৰু এটা আন্দোলনৰ আৱশ্যক হৈ পৰিছে। এতিয়ালৈকে দেখিবলৈ পোৱা আন্দোলন বিলাকৰ সৰহভাগৰে লক্ষ্য আৰু উদ্দেশ্য ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক অথবা অৰ্থনৈতিক যদিও সেইবিলাকে কোনো কোনো একোটা নিৰ্দিষ্ট গোট বা শ্ৰেণীৰ স্বাৰ্থক আগত ৰাখিহে গঢ়ি উঠা যেন লাগে। ধনী-দুখীয়া, উচ্চ-নীচ, ভাষা-সম্প্ৰদায়, ৰাজনীতিৰ শাসকীয় বিৰোধী, পুৰুষ-মহিলা, শিশু-বৃদ্ধ, আবাল বণিতা, সক্ষম, বিশেষভাৱে সক্ষম, শ্ৰমিক-কৃষক, চাকৰিয়াল-নিবনুৱা ছাত্ৰ-ছাত্ৰী আদি সকলোৰে সমৰ্থন পাব পৰা আন্দোলন এটা এতিয়ালৈকে গঢ় লৈ নুঠাটো চিন্তনীয় বুলি ক'ব লাগিব।

হয়, এই অতিকে চিন্তনীয় বুলি অভিহিত কৰা প্ৰসঙ্গত এটা শক্তিশালী আন্দোলন অতিকে প্ৰয়োজন। আমাৰ বিশ্বাস আন্দোলন বুলি ক'লে অসমৰ সৰহ সংখ্যক ৰাইজে বক্ৰোক্তি কৰিবলৈ ধৰিছে যদিও প্ৰস্তাৱিত আন্দোলনটোলৈ সেই চাম ৰাইজেও পূৰ্ণ সমৰ্থন আগবঢ়াবলৈ কুণ্ঠাবোধ নকৰিব নিশ্চয়। কাৰণ, সেই আন্দোলনৰ মূল লক্ষ্য-উদ্দেশ্য যিহেতু সাৰ্বজনীক স্বাৰ্থক প্ৰতিনিধিত্ব কৰিব। কাৰণ পূৰ্বৰ আন্দোলনসমূহে এৰি ৰাইজ আৰু বিভিন্ন আন্দোলনত প্ৰত্যক্ষ-পৰোক্ষভাৱে জড়িত থকা ৰাইজ তথা আজি পৰ্যন্ত কোনো আন্দোলনতে অংশগ্ৰহণ কৰি নোপোৱা সকলৰো স্বাৰ্থ ৰক্ষাৰ্থেহে এই আন্দোলন চলিব। এই আন্দোলন হ'ব যুক্তি নিৰ্ভৰ আৰু কোনো নিৰ্দিষ্ট সময়ৰ পৰিৱৰ্তে আৱশ্যকবোধে অসম ভূখণ্ডত মানুহৰ অস্তিত্ব থকা দিন পৰ্যন্ত চলি থাকিব লাগিব। চামে চামে, প্ৰজন্ম-প্ৰজন্মই যদি আন্দোলনটোৰ গূঢ়াৰ্থ অনুধাৱন কৰিবলৈ সক্ষম হয় আৰু নেতৃত্ব দি থকাসকলে যদি সঠিক দিশত আগবঢ়াই নিবলৈ সক্ষম হয় তেন্তে ইয়াৰ সুফল প্ৰতিনিয়ত দেখা বা পোৱাৰ সুযোগ থাকিব। লগতে আন্দোলনটোৰ প্ৰতিপক্ষসকলে নতুন নতুন ছল-চাতুৰিৰে ৰাইজক আভুৱা-ভৰাবলৈ যিমানেই চেষ্টা চলাব সিমানেই এই আন্দোলনৰ তীব্ৰতা বৃদ্ধি পাই গৈ থাকিব। ইতিহাস প্ৰণেতাসকলে এই আন্দোলনৰ সুফলবোৰ লিপিৱদ্ধ অৱশ্যেই কৰিব আৰু তাৰ দ্বাৰা ভৱিষ্যৎ প্ৰজন্মবোৰ অনুপ্ৰাণিত হৈ আন্দোলনটোৰ কোনো যতি নপৰাকৈ ইয়াৰ ধাৰাবাহিকতা ৰক্ষা কৰি যাব। এনে এটা সময়ো হয়তো হ'বহি যেতিয়া আন্দোলনটোৰ কোনো নিৰ্দিষ্ট নেতাৰো প্ৰয়োজন নোহোৱা হৈ পৰিব আৰু প্ৰত্যেকজন নাগৰিকে স্বতঃস্ফূতভাৱে ব্যক্তিগত পৰ্যায়তো আন্দোলনটো বাহাল ৰাখিব পৰা হ'বগৈ।




প্ৰস্তাৱিত আন্দোলনটোৰ আধাৰ বা কাঠামো হ'ব- অধিকাৰ প্ৰাপ্তিৰ সজাগতা আৰু সচেতনতা। ইয়াৰ লগত যুক্ত থাকিব লাগিব অন্যায়-অনীতি, শোষণ-লুণ্ঠনৰ বিৰুদ্ধে এঘড়ী যুঁজাৰ মানসিকতা তথা নিজৰ লগতে অন্য ভুক্তভোগীৰ প্ৰতি সহমৰ্মিতা নিষ্ঠাৰে প্ৰদৰ্শন কৰা। আৰম্ভণিৰ পৰা নেতৃত্ব দিয়াসকলে দায়িত্ব সহকাৰে কৰ্তব্য পালনৰ এটা আদৰ্শ প্ৰতিষ্ঠা কৰিব পাৰিলে সেইটোকে আৰ্হিৰূপে পৰৱৰ্তীসকলে আগবঢ়াই নিয়াত সহায়ক হ'ব। আন্দোলনটো নেতৃত্ব দিয়াসকলৰ ব্যক্তিত্ব, সমাজৰ প্ৰতি দায়বদ্ধতা, কৰ্তব্য-নিষ্ঠা, সততা, সংযমী, মিতব্যয়িতা, আইন-আদালতৰ সাধাৰণ জ্ঞানলব্ধতা, তৎপৰতা আৰু সকলোৰে প্ৰতি সমভাৱ আচৰণ অটুত ৰাখিব পৰা হ'ব লাগিব। এনেবিলাক গুণৰ সমাহাৰ প্ৰত্যক্ষ কৰিবলৈ পালে সমাজৰ প্ৰতিজন ব্যক্তিয়ে আন্দোলনটোৰ সক্ৰিয় অংশীদাৰ হ'বলৈ আগ্ৰহী হৈ উঠিব। চামে চামে লোক আহি আন্দোলনটোৰ প্ৰচাৰ আৰু প্ৰসাৰতাত হাত উজান দিয়াৰ লগে লগে প্ৰতিপক্ষ মহলবোৰ তথা চৰকাৰ আৰু সংশ্লিষ্ট কৰ্তৃপক্ষসমূহে আন্দোলনটোক সমীহ কৰিবলৈ বাধ্য হৈ পৰিব। বাধ্য হৈ পৰা মানেই আন্দোলনটোৰ মূল উদ্দেশ্যই ক্ৰমাৎ সফলতা প্ৰাপ্তিলৈ গতি কৰি থাকিব। আন্দোলনটোৰ নেতৃত্বধাৰীসকলৰ মাজত আইনজ্ঞ, অৱসৰপ্ৰাপ্ত বিচাৰপতি, অৱসৰপ্ৰাপ্ত সৎ আমোলা বিষয়া আদিকো জড়িত কৰি ল'ব পাৰিলে ৰাইজৰ আস্থা আৰু আদৰ নিশ্চিতভাৱে বাঢ়িব।

ইমান দীঘলীয়া পাতনিৰে প্ৰস্তাৱ কৰা আন্দোলনটোনো কি? এই ঔৎসুকতা ওৰ পেলাব বিচাৰিছো চমু আলোচনাৰে। আন্দোলনটো গঢ়ি উঠিব গ্ৰাহক ৰাইজৰ অধিকাৰ সুৰক্ষাৰ্থে। কাৰণ আজিৰ যুগটোৱে হ'ল মানুহ মাত্ৰে বজাৰ নিৰ্ভৰ প্ৰাণী। দৈনন্দিন অত্যাৱশ্যকীয় সামগ্ৰীকে ধৰি সমৰ্থবানসকলে নিজৰ ৰুচি- অভিৰুচি পূৰাবলৈ ওপৰিঞ্চি সামগ্ৰী ক্ৰয় কৰিবলৈ যোৱা মানেই হ'ল তেওঁলোক সকলো ক্ৰেতা বা গ্ৰাহক। আমি সকলোৱে বিচাৰিম আৰু বিচৰাটো আমাৰ অধিকাৰৰ ভিতৰতে পৰে যে নিৰ্দিষ্ট টকাৰ বিনিময়ত ক্ৰয় কৰা সামগ্ৰীটো নিখুঁত আৰু নিৰ্ভেজাল হ'ব লাগিব। দাম উচিত হ'ব লাগিব। যি উদ্দেশ্যেই ক্ৰয় কৰা হৈছে সেয়া সঠিকভাৱে পাব লাগিব। সেইটো লাগে ক্ষুদ্ৰ বেজীটোৰ পৰা বৃহৎ যান-বাহন , ভৰিৰ নখত লগোৱা ৰং, জোতাৰ পৰা মূৰত ঘঁহা চেম্পু-চুলিৰ কলপ পৰ্যন্ত, খাবলৈ অনা সাধাৰণ লুজেনটোৰ পৰা চাউল-দাইল, মাছ-মঙহলৈকে যিয়েই নহওঁক। যিহেতু শ্ৰম কৰি অৰ্জা পইচাৰ বিনিময়তহে হাতলৈ অহা বস্তুটোৰ শুদ্ধতা আৰু কাৰ্যকাৰিতা পোৱাৰ ক্ৰেতাৰ এক মৌলিক অধিকাৰ। সেই অধিকাৰ খৰ্ব যদি হয় তথা নিৰ্দিষ্ট দামৰ বিপৰীতে অধিক দাম বিচাৰে তেন্তে তাৰ বিৰুদ্ধে মাত মতাৰ হক প্ৰতিজন ক্ৰেতা বা গ্ৰাহকৰে আছে। বৰ্তমানৰ যুগটোত আমি প্ৰতিজন মানুহ মাত্ৰেই যিহেতু গ্ৰাহকৰ ৰূপত একে শাৰীত তেনে অৱস্থাত কোনো গ্ৰাহক যাতে প্ৰৱঞ্চিত আৰু লুণ্ঠিত হ'ব লগা নহয় তাৰ প্ৰতি সজাগ আৰু সচেতন থাকিব লাগিব। এই সজাগ-সচেতনতাই সংগঠিত ৰূপ লোৱা মানেই এটা আন্দোলন বুলি ক'ব পৰা হ'বগৈ। বজাৰৰ বস্তু কিনিলেহে কেৱল গ্ৰাহক বুলি ভাবিব নালাগিব। আমি নিৰ্দিষ্ট কৰ বা ৰাজহ আদায় দিয়াৰ বিনিময়ত পাব লগা চৰকাৰী-বেচৰকাৰী খণ্ডৰ যিসমূহ 'সেৱা' লাভ কৰো তাতো যদি হীনদেৢৰি ঘটে তেতিয়াও গ্ৰাহকৰ অধিকাৰ খৰ্ব হোৱাটো বুজায়। এনে সেৱাসমূহৰ ভিতৰত পানী যোগান, ৰন্ধন গেছ, বিদ্যুৎ, টেলিফোন (মোবাইল ফোনসহ) ডাক, টেলিভিছন, ইণ্টাৰনেট আদিৰ লগতে জল-স্থল-বায়ু সেৱাৰ যাতায়াত আদিও অন্তৰ্ভুক্ত।

গ্ৰাহকৰ ক্ৰয় ক্ষমতাৰ ওপৰত হয়তো শ্ৰেণী বিভক্ত কৰিব পৰা যায়। কিন্তু মূলত গ্ৰাহক-গ্ৰাহকেই। দেশৰ ৰাষ্ট্ৰীয় অৰ্থনীতিয়ে কওঁক, আন্তঃৰাষ্ট্ৰীয় অৰ্থনীতিয়ে কওক অথবা বেচৰকাৰী খণ্ডৰ অৰ্থনীতিয়ে কওঁক এই সকলোতে প্ৰধানকৈ তিনিটা শ্ৰেণীৰ সমন্বয়তহে ব্ৰতী থাকে। সেইকেইটা হ'ল- নিৰ্মাতা, পাইকাৰী বিক্ৰেতা আৰু খুচুৰা বিক্ৰেতা। এই তিনিও শ্ৰেণী ব্ৰতী থাকে গ্ৰাহকৰ কৃপাৰ ফলতহে। গতিকে গ্ৰাহকে উচিৎ মূল্যত বিশুদ্ধ আৰু মান সম্পন্ন বস্তু বা সামগ্ৰী পোৱালৈকে প্ৰতিবাদৰ কথা নাহে। কিন্তু, ইয়াৰ হীনদেৢৰি ঘটিলে গ্ৰাহক ৰাইজ জাঙুৰ খাই উঠিবই লাগিব। সংগঠিত ৰূপত ৰাইজৰ অসন্তুষ্টি আৰু প্ৰতিবাদ অব্যাহত ৰাখিব পাৰিলে সমগ্ৰ সমাজখনৰে মংগল সাধন হ'ব। এনে এটা শক্তিশালী আন্দোলনৰ বাবে সকলো আগবাঢ়িবৰ হ'ল।

*যি উদ্দেশ্যেই ক্ৰয় কৰা হৈছে সেয়া সঠিকভাৱে পাব লাগিব। সেইটো লাগে ক্ষুদ্ৰ বেজীটোৰ পৰা বৃহৎ যান-বাহন , ভৰিৰ নখত লগোৱা ৰং, জোতাৰ পৰা মূৰত ঘঁহা চেম্পু-চুলিৰ কলপ পৰ্যন্ত, খাবলৈ অনা সাধাৰণ লুজেনটোৰ পৰা চাউল-দাইল, মাছ-মঙহলৈকে যিয়েই নহওঁক। যিহেতু শ্ৰম কৰি অৰ্জা পইচাৰ বিনিময়তহে হাতলৈ অহা বস্তুটোৰ শুদ্ধতা আৰু কাৰ্যকাৰিতা পোৱাৰ ক্ৰেতাৰ এক মৌলিক অধিকাৰ। সেই অধিকাৰ খৰ্ব যদি হয় তথা নিৰ্দিষ্ট দামৰ বিপৰীতে অধিক দাম বিচাৰে তেন্তে তাৰ বিৰুদ্ধে মাত মতাৰ হক প্ৰতিজন ক্ৰেতা বা গ্ৰাহকৰে আছে। বৰ্তমানৰ যুগটোত আমি প্ৰতিজন মানুহ মাত্ৰেই যিহেতু গ্ৰাহকৰ ৰূপত একে শাৰীত তেনে অৱস্থাত কোনো গ্ৰাহক যাতে প্ৰৱঞ্চিত আৰু লুণ্ঠিত হ'ব লগা নহয় তাৰ প্ৰতি সজাগ আৰু সচেতন থাকিব লাগিব। এই সজাগ-সচেতনতাই সংগঠিত ৰূপ লোৱা মানেই এটা আন্দোলন বুলি ক'ব পৰা হ'বগৈ। বজাৰৰ বস্তু কিনিলেহে কেৱল গ্ৰাহক বুলি ভাবিব নালাগিব। আমি নিৰ্দিষ্ট কৰ বা ৰাজহ আদায় দিয়াৰ বিনিময়ত পাব লগা চৰকাৰী-বেচৰকাৰী খণ্ডৰ যিসমূহ 'সেৱা' লাভ কৰো তাতো যদি হীনদেৢৰি ঘটে তেতিয়াও গ্ৰাহকৰ অধিকাৰ খৰ্ব হোৱাটো বুজায়।*

ফোন ঃ ৯০০২৪৫৭৩৮২

# অসম সাহিত্য সভাৰ নিৰ্বাচন

## সাময়িকী



ড° বসন্ত কুমাৰ গোস্বামী

বিংশ শতিকাৰ দ্বিতীয় দশকত (১৯১৭) অসমৰ মহীয়ান পুৰুষসকলে শতপত্ৰ বিকশিত জ্ঞান লৱনু বিতৰণৰ ভূমিকা লৈ অসম সাহিত্য সভা পাতিলে। অসমলৈ আঁউসীৰ পিচত পূৰ্ণিমাৰ মাজৰ সময়খিনি প্ৰতিপদ, দ্বিতীয় শুক্লপক্ষ পাৰ হৈ এশ বছৰ পুৰ কৰিছে ভৰা জোনটি হৈ। এতিয়া অসমীয়া মানুহে অনুভৱ কৰিছে সেই ক্ষুদ্ৰ বীজটিত এনে বটবৃক্ষ লুকায়িত হৈ আছিল। গংগা ব্ৰহ্মপুত্ৰৰ দৰে সাগৰত আত্মসমৰ্পন কৰি সাগৰৰ শতধাৰাৰে গ্ৰহণীয় হোৱাৰ দৰে সভা শতধাৰা হৈ অসমৰ ঘৰে ঘৰে হৃদয়ে-হৃদয়ে গ্ৰহণীয় হৈ পৰিছে। এই মহীৰুহ সভাখনৰ অ'ৰ আৰু নৱেম্বৰ(২০১৭) বিষয়ববীয়া নিৰ্বাচনৰ বতৰ যদিও নিৰ্বাচনৰ গতিবিধিবোৰ ফৰকাল নহয়।

জন্মলগ্ন (১৯১৭) পৰৱৰ্তী কালত অধিৱেশনৰ সভাপতিৰ নাম প্ৰস্তাৱ কৰিছিল সংশ্লিষ্ট বছৰত গঠিত আদৰণী সমিতিয়ে। সমিতিয়ে প্ৰস্তাৱিত নামৰ তালিকা কেন্দ্ৰীয় কাৰ্যালয়ৰ অনুমোদনৰ বাবে পঠিয়াইছিল। প্ৰধান সম্পাদকে কাৰ্যনিৰ্বাহক সমিতিৰ অনুমোদন মৰ্মে ভোটৰ বাবে তালিকা প্ৰস্তুত কৰি শাখা সভাৰ মতামত বিচাৰে। শাখা সভাৰ মতামত পোৱাৰ পিচত আনুষ্ঠানিকভাৱে সভাপতিৰ নাম ঘোষণা কৰা হয়। শাখা সভালৈ সভাপতিৰ তালিকা পঠিওৱাৰ আগতে সেই সকলৰ মতামত বা সন্মতি বিচৰা নিয়ম আছিল। পুৰণি তথ্য-পাতিৰ পৰা দেখা যায় প্ৰায়ে সেইসকলে বিনয়েৰে প্ৰস্তাৱত সন্মতি দিয়া নাছিল। নিজৰ হস্তাক্ষৰ থকা চিঠিবোৰ পঢ়িলে বিস্ময় মানিব লাগে। 'অসম সাহিত্য সভাৰ ইতিহাস' প্ৰথম খণ্ডত কিছুমান চিঠি সন্নিৱিষ্ট হৈছে।

কিন্তু এতিয়া অৱশ্যে সভাৰ নিৰ্বাচনী পৰিৱেশ পণ্ডিতায়তে (অপণ্ডিতঃ পণ্ডিত ইৱ আচৰতি) হৈছে। এগৰাকী প্ৰধান সম্পাদকৰ প্ৰাৰ্থীৰ জীৱনপঞ্জীত এতিয়ালৈকে আলোচনাচক্ৰত অংশ গ্ৰহণ, সমল ব্যক্তিৰ চিন তুলাপাতত গুৰুত্বপূৰ্ণ স্থান পোৱাত দেখিছোঁ।

বৰ্তমানৰ নিৰ্বাচন পদ্ধতিটোক তাহানি বেজবৰুৱাই কোৱাৰ দৰে ইকৰা পাতৰ কাণ্ডাৰী জন হ'ল ?

তইও ৰূপহী<br>
মইও ৰূপহী<br>
ৰাওতে ৰূপ চৰিল।<br>
ইকৰা পাতেৰে নাও বাই গ'লোঁ<br>
সোঁমাজ পায়ে বুৰিল।।

বৰ্তমানৰ নিয়মাৱলীৰ বিধিমতে নিৰ্বাচন অনুষ্ঠিত কৰি থাকিলে আমাৰ হৃদয়ত নিগাজী আসন লোৱা সভাখন জলদা তৰুণী হ'বই - সেই দুখ ৰাইজে সহ্য কৰিব নোৱাৰিব। সভাৰ গাত যদি আঁচোৰ পৰে সভাক হৃদবৃত্তি আৰু চিত্ৰ বৃত্তিৰে ভালপোৱাসকলৰ অৱস্থা কি হ'ব? সেইসকলৰ হৃদয়ত সাহস দিবলৈ বৰ্তমানৰ নিয়মাৱলীখন সংশোধন কৰিবই লাগিব। এই কথা সভাৰ বিষয়ববীয়াসকলে অনুভৱ কৰি খ্যাতনামা আইন বিশেষজ্ঞ নীলয় দত্তক সভাপতিস্বৰূপে লৈ এখন সমিতি গঠন কৰিছে। সমিতিয়ে নিয়মাৱলীখন সংশোধন কৰি 'সংবিধান'ৰ মৰ্যাদা দিবলৈ চেষ্টা কৰা কাৰ্য সভাৰ হিতবাদীসকলে আন্তৰিকতাৰে আদৰণি জনাইছে।

এই প্ৰসংগত আমাৰ অভিজ্ঞতাৰে কেইটামান পৰামৰ্শ আগবঢ়াব খুজিছোঁ। সভাৰ অংগস্বৰূপ শাখা সভা সমূহেও পৰামৰ্শ লিখিতভাৱে দি সৰ্বতো প্ৰকাৰে সহযোগ কৰা উচিত।

১) চতুৰ্থছেদঃ গঠন - এই শিতানত গঠন হোৱা আঞ্চলিক কাৰ্যালয়বোৰক কাৰ্যক্ষম কৰাৰ ব্যৱস্থা সন্নিৱিষ্ট হ'ব লাগে।

২) ষষ্ঠ ছেদৰ ২৯নং দফাত কোনো বিষয়ববীয়া এটা কাৰ্যকালতকৈ অধিক কাল কাৰ্যনিৰ্বাহ কৰিব নালাগে।

শেষাংশ ২০ পৃষ্ঠাত

# হেৰাই যাব নীলা খামৰ চিঠি

**কৰিতা ডেকা তালুকদাৰ**



ৰিণি ৰিণি আজিও মনত পৰে সৰুতে প্ৰথম নে দ্বিতীয় মানৰ কুঁহিপাতত ই কাৰৰ জ্ঞান লাভ কৰোতে চিঠি দিবা, ছিৰা, পিঠা, দিবা, মিঠা আদি পাঠত পঢ়িছিলোঁ। চিঠি লিখিবা। চিঠিত কি কি লিখিবা। নাম লিখিবা। ঠিকনা লিখিবা। কথাবিলাক ভাঙি-পাতি লিখিবা। গতিকে চিঠি লিখোতে আমি প্ৰথমে ওঁম্ বা গড ইজ গুড লিখি পূজনীয়া আই বা মৰমৰ ভাইটি আদি আৰম্ভ কৰি খবৰ বতৰা লৈ বিভিন্ন বা-বাতৰি, গুৰুত্বপূৰ্ণ কথা-বাৰ্তা লিখি পুনৰ মৰম বা শ্ৰদ্ধাৰে সামৰণি মাৰো। ইতি তোমাৰ 'অমুক' বুলি। গতিকে চিঠি এখন এটি প্ৰক্ৰিয়াৰ মাজেৰে আৰম্ভ হয়, শেষ হয়। চিঠি পঢ়িও ভাল লাগে লিখিও ভাল লাগে। তলত তেনে এখন চিঠিৰ নমুনা দাঙি ধৰিছো।

গোপাল বজাৰ

ওম

মৰমৰ ৰূপ দা,

বহুত মৰম ল'বা। নেদেখাজনৰ কৃপাত নিশ্চয় ভালে আছা? মোৰো একপ্ৰকাৰ। আজি কেইদিনমানৰ পৰা বুকুখন খুব বেছিকৈ বিযাই আছে। নেজানো কি হৈছে? তোমাক লগ পাবৰ মন গৈছে চাগে? তুমি বিহুত আহিবা দেই। বহু কথা পাতিম। তোমালৈ এখন ফুলাম গামোছা বই থৈছো দেই। আমাৰ পদুলিৰ গুলঞ্চ ডালৰ কপৌফুল জোপা বৰ ধুনীয়াকৈ ফুলি ওলমি আছে। ৰাতিপুৱা, আবেলি কুলি চৰাইজনীয়ে কুউ কুউ বুলি মাতি থাকে। আমাৰ আমডালো বলিছে, কঁঠালৰ মুচিও ওলাইছে। আৰু গছবিলাকৰ কোমল কোমল পাত ওলাই গোটেই বাৰীখন শুৱনি হৈ পৰিছে। বৌৱে তাঁতৰ শালত বিহুৱান লগাইছে। দেউতাই মোৰ কাৰণে এযোৰ ধুনীয়া মুগাৰ কাপোৰ আনিছে। মা-দেউতাই বিহুত মাহীহঁতৰ ঘৰলৈ যাব হেনো। তেতিয়া তুমি এপাক আহিবা দিয়া। ও শিখাহঁতে বিহুত নাচিবৰ বাবে যো-জা কৰি আছে। মোকহে দেউতাই নাচিব নিদিয়ে। পাৰিলে বিহুত এটি গানকে গাম দিয়া। মোৰ পঢ়া-পাতি ঠিকে চলি আছে। মাজে মাজে তুমিহে 'ডিচটাব' দিয়া। ইমান মনত পৰি থাকে, পঢ়িবৰ মনে নেযায়। নপঢ়িলে দেউতাই আকৌ গালি দিব নহয়। ফাইনেল পৰীক্ষা যোৱাৰ পিছত কিবা এটা কৰিবা। মই কিন্তু আৰু এনেকৈ থাকিব নোৱাৰো দেই। তোমালোকৰ মা-দেউতা, নীলু আৰু দীপ ভালে আছেনে? তেখেতসকলক মোৰ শ্ৰদ্ধা-মৰম দিবা। আৰু লিখি আমনি নিদিওঁ দিয়া। বিহুত কিন্তু তুমি যেনে-তেনেই আহিবা। মৰমেৰে —

(বিঃদ্ৰঃ 'তুমি যে কথাটো কৈছিলা, মনত পৰি খুব হাঁহি উঠি আছেদেই')

বহুত চিঠি। প্ৰথমে চিঠি বুলিলে নীলা খামৰ চিঠি বা ইংলেণ্ড কাৰ্ডখনকে বুজা যায়। খাকী বা মচুৰ ৰঙৰ খামৰ ভিতৰতো চিঠি আদান প্ৰদান কৰা হয়। পোষ্ট কাৰ্ড ব্যৱহাৰ কৰা হয়। কেতিয়াবা আকৌ বগা খামত আঠা লগাই চিঠি পঠোৱা হয়। ডাকোৱালে খাকী পোছাক পৰিধান কৰি চাইকেলেৰে চিঠি ভগাই ফুৰে চহৰে-নগৰে। চিঠিৰ প্ৰত্যাশাত বহুতে ডাকোৱাল অহাৰ পৰলৈ বাট চাই থাকে আগচোতালত পদুলি মুখত। ল'ৰা-ছোৱালী আঁতৰত থাকিলে মাক-দেউতাক কুশল বতৰা সুধি চিঠি দিয়ে। ল'ৰা-ছোৱালীৰ মাক-দেউতাকৰ খবৰ বতৰা লোৱাৰ উপৰি টকা-পইচা খুজি পঠায় চিঠিৰ যোগেদি। বন্ধু-বান্ধৱীয়ে চিঠিৰ মাজেৰে বন্ধুত্ব বজাই ৰাখে। প্ৰেমিক-প্ৰেমিকাৰতো কথাই নাই। আনে নেদেখাকৈ চিঠি লিখে, চিঠি পঠায়। অন্ত নোহোৱা কথা, খং অভিমান, ভাললগা-বেয়ালগা, গোপন-গোপন বহুত মৰম ভালপোৱা। পিছে আজি আৰু সেই দিন উকলিল। চিঠিও নাই। ডাকোৱালেও চাইকেল চলাই ঘূৰি ফুৰিব নালাগেই। পোষ্ট অফিচতে কাম শেষ কৰিলে হয়।

হিন্দী চিনেমাতো ইয়াৰ প্ৰভাৱ দেখা যায়।

"কবুতৰ যা যা যা<br>
পেহলা প্যাৰ<br>
পেহলা চিঠি লেকৰ যা যা যা।"

নল ৰজাই দময়ন্তীলৈ হাঁহৰ ঠোঁটত চিঠি পঠাই দিছিল। বন্ধুৱে-বান্ধৱীৰ চিঠিৰ ভিতৰত প্ৰেমিকালৈও চিঠি পঠায়। চিঠিৰ কাহিনীৰ শেষ নাই। কাৰোবাৰ চিঠি কোনোবাই পালে আকৌ এখন খণ্ডযুদ্ধ হয়।

এনেকৈ বুকুৰ উমেৰে, মৰমৰ ভাষাৰে চিঠি লিখাৰ যুগ এতিয়া আৰু নাইকিয়া হ'ল। চিঠি আহিব আহিব বুলি পিয়নলৈ বাট চাই থকাৰ সময় উকলিল। এতিয়া চৰকাৰী চিঠি-পত্ৰহে ডাকযোগে অহা-যোৱা কৰে এতিয়া মোবাইল ইণ্টাৰনেটৰ যুগ। মোবাইলৰ বুটাম টিপি প্ৰেমিকাই প্ৰেমিকৰ খবৰ লয় নাইবা ল'ৰা-ছোৱালীয়ে মাক-দেউতাকৰ পৰা পঢ়া খৰচ আদায় কৰে তৎ মুহূৰ্ততে। সপ্তাহ-দহদিন অপেক্ষা কৰিব নালাগে। ইচ্ছা কৰিলেই যিকোনো ব্যক্তিৰ স্বৰধ্বনি লগে লগে শুনিবলৈ পায়। কিছুমানত আকৌ ফটোও দেখিবলৈ পোৱা যায়। কল্পনা কৰি কোনো ব্যক্তিৰ লগত কথা পাতিব নেলাগে। মোবাইলৰ যোগেদি গুৰুত্বপূৰ্ণ খবৰবোৰ মেচেজ ৰূপে পঠাব পাৰি। দিন উকলিল। লাহে লাহে চিঠি পত্ৰৰ আদান-প্ৰদানৰ লগতে চিঠি-পত্ৰৰ ভাষা

শেষাংশ ২০ পৃষ্ঠাত

# বন্যহস্তীৰ মৃত্যু ঃ দায়ী কোন ?

আৰ কে বেজবৰুৱা

আজি কিছু বছৰ আগৰ পৰা বন্যহস্তী আৰু মানুহৰ সংঘাত চলি আছে। সাধাৰণতে অসমৰ চাহ বাগিচা অঞ্চলত, ৰঙাপাৰা, নুমলীগড়, টংলা, পানেৰী, গহপুৰ আদি অঞ্চলেই বন্যহস্তীৰ পৰিভ্ৰম এলেকাত পৰে। ইয়াৰ কাৰণ বনাঞ্চলৰ লগতেই চাহ বাগিচা সমূহৰ অৱস্থান। সেই এলেকাসমূহ এসময়ত হাতীৰ বিচৰণভূমি আছিল। কোৱা হয় হাতীয়ে পৰিভ্ৰমণ কৰা ঠাইবোৰ সোনকালে নাপাহৰে আৰু পুনৰ ঘূৰি আহে । আটাইতকৈ ডাঙৰ কথাটো আজি হাতীৰ বাবে পৰ্যাপ্ত বনাঞ্চল আৰু খাদ্যৰ বাৰুকৈ অভাৱ হৈছে। যাৰ ফলত বন্যহস্তীকুল জনাঞ্চলত বাৰে বাৰে প্ৰৱেশ কৰিবলগীয়া হৈছে। ৰঙাপাৰা নিকটৱৰ্তী বামগাঁও চাহ বাগিচাৰ মাজত ৰে'লৰ খুন্দাত দহ ডিচেম্বৰত ৰাতি পাঁচটা বন্যহস্তীয়ে কৰুণভাৱে মৃত্যুক সাৱটি লয়। প্ৰশ্ন হ'ল এই হাতীকেইটাক অঁকালতে মৃত্যুৰ মুখলৈ ঠেলি দিলে কোনে? সিহঁতৰ কৰুণ মৃত্যুৰ বাবে নৈতিক দায়িত্ব কোনে স্বীকাৰ কৰিব, ৰে'ল বিভাগ, বন বিভাগ, চাহ বাগিচা কৰ্তৃপক্ষ, দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীৰে বনাঞ্চল দখল কৰা আমিবোৰ? ইয়াৰ কাৰণে প্ৰায়ে কিন্তু বন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ লগতে বন মন্ত্ৰী তথা চৰকাৰক জগৰীয়া কৰি সমালোচনা কৰা হয়। এতিয়া আহো অন্য এটি বিষয়লৈ ভাৰতবৰ্ষত অৰণ্য সম্বন্ধীয় দুখন আইন আছে। ইণ্ডিয়ান ফৰেষ্টক ১৯২৭ আৰু বন্য সুৰক্ষা আইন ১৯৭২। প্ৰথমখনে অৰণ্যত বাস কৰা এছ টি লোক সকলৰ বসবাসৰ ক্ষেত্ৰত নিয়ম-নীতি নিৰ্ধাৰণ কৰে। উৰিষ্যা, মধ্য প্ৰদেশ, তেলেঙ্গানা আদিত আদিবাসীসকলৰ বাবে এই আইনৰ অধীনত সংৰক্ষিত বনাঞ্চল আছে বুলি জনা যায়। তাৰ বাবে এটা কথা এনেদৰে লিখিছে Under this laws the Rights of people living in or depending on the area to be declared as forest or proctected area are to be settled by a forest settelement officer this basically requires that officer to inquire in to the clames of people to land, minor forest produce itc. an in the case of clames found to be valid, to allow them to continue or to extinguish them by payin compensation. বোধকৰো অসমত এতিয়ালৈকে এনেকুৱা ঘটনা ঘটা নাই।

আজিৰ পৰা ২৫-৩০ বছৰ আগতে আমি দেখা কিছুমান অটব্য জংঘল নাইকিয়া হৈ তাত মানুহৰ বসতি নাইবা চাহ বাগিচা হৈছে। অকল পুঁজিপতিয়ে নহয়, ক্ষুদ্ৰ চাহ খেতিয়কো জড়িত হৈ আছে। (সকলোকে ধৰা নাই)। এই সময়ত বহু প্ৰশ্নই মনলৈ আহিছে। হাতী কেইটা ৰে'ল আলিৰ ওপৰত কিয় আহিল? ৰে'ল বিভাগে হাতী অহা-যোৱা এলেকাত ৰে'লৰ গতিৰ সীমা নিৰ্ধাৰণ কৰি দিছিলনে? পেট্ৰলিঙৰ প্ৰয়োজন বা নিৰ্ধাৰিত নিৰীক্ষণৰ ব্যৱস্থা নাই নেকি? আৰু এটা কথা, অসমত ৰাজহ বিভাগে কৰ সংগ্ৰহ কৰা কামটোৰ বাহিৰে কৰিবলগীয়া কাম আৰু আছে নিশ্চয়। বন মন্ত্ৰীক আত ধৰি ক'ব বিচাৰো অসমত কিমান ভূমি চাহ বাগান সমূহৰ দখলত আছে তাৰ তথ্য উলিয়াই সেই ঠাইবোৰ নিজৰ আয়ত্বাধীন কৰিব লাগে। তাত বননিকৰণ কৰিব লাগে। ইতিমধ্যে বনাঞ্চলৰ অবৈধ দখল উচ্ছেদ হৈ আছে। কিছুমান জোন, বেল্ট গঢ়ি তুলি হাতীৰ খাদ্যৰ বাবে যেন কঁঠাল, ঔটেঙা, কলগছ আদি লগাব পাৰে।

আনহাতে বন্যপ্ৰাণী সুৰক্ষা আইন ১৯৭২ ৰ খনে চৰকাৰক কোনো এখন ঠাইৰ ৰিজাৰ্ভ ফ'ৰেষ্ট, প্ৰটেক্টেক্ট ফ'ৰেজ, ৱাইল্ড লাইফ চেঞ্চুৰী বা নেশ্যনেল পাৰ্ক ঘোষণাৰ কৰ্তৃত্ব প্ৰদান কৰে। লগতে সেই অঞ্চলৰ জীৱ-জন্তুৰ ৰক্ষণাবেক্ষণ, জৈৱ-বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু বন্য প্ৰাণী সংস্থাপনৰ অধিকাৰ প্ৰদান কৰে। এইক্ষেত্ৰত অসমত এক ওলোটা ছবি প্ৰতিলক্ষিত হয়। সকলোৱে জানে অসমৰ বনাঞ্চল মানুহৰ গ্ৰাসত সীমিত হৈ পৰিছে। তাৰ ফলত জীৱকুলে মৃত্যুৰ ক্ষণ গণিছে। দাইনচ'ৰৰ দৰে এদিন এই বিশাল আকাৰৰ হাতীও হয়তো পৃথিৱীৰ পৰা লুপ্ত হৈ পৰিব। প্ৰণিধানযোগ্য যে, বনমন্ত্ৰীয়ে একাষাৰ কথা কৈছিল- পুঁজিপতিসকলে বন ধ্বংস কৰি চাহ বাগিচা খুলিছে। কথাটো কিছু পৰিমাণে সত্য। আজিৰ পৰা ২৫-৩০ বছৰ আগতে আমি দেখা কিছুমান অটব্য জংঘল নাইকিয়া হৈ তাত মানুহৰ বসতি নাইবা চাহ বাগিচা হৈছে। অকল পুঁজিপতিয়ে নহয়, ক্ষুদ্ৰ চাহ খেতিয়কো জড়িত হৈ আছে। (সকলোকে ধৰা নাই)। এই সময়ত বহু প্ৰশ্নই মনলৈ আহিছে। হাতী কেইটা ৰে'ল আলিৰ ওপৰত কিয় আহিল? ৰে'ল বিভাগে হাতী অহা-যোৱা এলেকাত ৰে'লৰ গতিৰ সীমা নিৰ্ধাৰণ কৰি দিছিলনে? পেট্ৰলিঙৰ প্ৰয়োজন বা



নিৰ্ধাৰিত নিৰীক্ষণৰ ব্যৱস্থা নাই নেকি? আৰু এটা কথা, অসমত ৰাজহ বিভাগে কৰ সংগ্ৰহ কৰা কামটোৰ বাহিৰে কৰিবলগীয়া কাম আৰু আছে নিশ্চয়। বন মন্ত্ৰীক আত ধৰি ক'ব বিচাৰো অসমত কিমান ভূমি চাহ বাগান সমূহৰ দখলত আছে তাৰ তথ্য উলিয়াই সেই ঠাইবোৰ নিজৰ আয়ত্বাধীন কৰিব লাগে। তাত বননিকৰণ কৰিব লাগে। ইতিমধ্যে বনাঞ্চলৰ অবৈধ দখল উচ্ছেদ হৈ আছে। কিছুমান জোন, বেল্ট গঢ়ি তুলি হাতীৰ খাদ্যৰ বাবে যেন কঁঠাল, ঔটেঙা, কলগছ আদি লগাব পাৰে। হাতীয়ে পৰিভ্ৰমণ কৰা স্থান সমূহত বন বিভাগৰ মানুহে পেট্ৰলিং কৰাৰ ব্যৱস্থা কৰিব লাগে। এনেকুৱা কথাবোৰ আশা কৰো সকলো পক্ষই চিন্তা কৰি চাব।

# অসমীয়া লোক-সংস্কৃতিৰ এক আপুৰুগীয়া সম্পদ 'ঢেকীশাল'

নগেন তালুকদাৰ

'ঢেকীশাল' অসমীয়া লোক সংস্কৃতিৰ এক আপুৰুগীয়া সম্পদ। এই 'ঢেকীশাল'ত বিভিন্ন আহিলাৰ প্ৰয়োজন হয়। আহিলাসমূহ কাঠৰ পৰা ঢেঁকী, খুৱলি বা পোখেলী, কৰ্তঁৱা, ঠোৰা, আকৰশলা আৰু বাঁহৰ পৰা লৰণী, বৰশী, ঠোৰাপাতি, শলখাপাতি, পাঁচি, খৰাহী, ডলা, কোলা, মিহি চালনী, চাউল চলা চালনী, বৰ চালনী, ডুলি আদি প্ৰস্তুত কৰা হয়। ইয়াৰোপৰি গোল, কুচী, খোপনীজৰী, বৰণীহোপা, জুমুঠি গাঁঠি আদি অন্যান্য আহিলাখিনিৰো প্ৰয়োজন হৈ পৰে। সাধাৰণতে 'ঢেকী'ৰ দীৰ্ঘতা ছ হাত যদিও পাঁচ আৰু সাত হাতৰো 'ঢেকী'ৰ প্ৰচলন চলি আহিছে। 'ঢেকীশাল'ৰ আটাইতকৈ শক্তিশালী আহিলা বিধেই হ'ল ঠোৰা। ঠোৰা আকৌ দুবিধ। ঢেঁকীঠোৰা আৰু পোৱালিঠোৰা। ঢেঁকী ঠোৰাই ধান বনা, চাউল কাঢ়া, পিঠাগুৰি, চিৰা সান্দহ, গুৰা সান্দহ আদি বনা কামত ব্যৱহাৰ কৰা হয়। পোৱালি ঠোৰাটো ঢেঁকীটো ডাঙি ৰাখিবলৈ ব্যৱহাৰ কৰা হয়।

ঢেঁকী সাধাৰণতে শিলিখা, নাহৰ, কৰচ, খৈৰা আদি কাঠৰ পৰা নিৰ্মণ কৰা হয়। এই ঢেঁকীটোক সাধাৰণতে তিনিটা অংশত ভাগ কৰা হয়। মূৰ, মাজ আৰু নেজ অংশ। ঠোৰাৰ পৰা আগৰ অংশটোক মূৰ, ঠোৰা আৰু কৰ্তঁৱাৰ ভিতৰ অংশক মাজ



আৰু কৰ্তঁৱাৰ পিছৰ অংশটোক নেজ বোলে। কাঠেৰে তৈয়াৰ কৰা ঢেঁকীটোত জোখ-মাপ কৰি ফুটা কৰি লৈ ঠোৰা লগোৱা হয়। ঢেঁকীৰ ঠোৰাটো পৰা ঠাইখিনিত খুৱলি বা পোখেলী পোতা হয়। পোখেলী শিলৰ পৰা বনোৱা হয়। ঢেঁকী দিয়া মহিলা গৰাকীয়ে নেজ অংশ বা ফিচা ভৰিৰে হেচা প্ৰয়োগ কৰি ঢেঁকী দিয়া সময়ত গাত জোৰ পাবৰ বাবে হাতেৰে ধৰিবলৈ নেজ অংশৰ ওপৰত এডাল ৰচি বান্ধি ওলোমাই ৰখা হয়। ইয়াৰোপৰি ঢেঁকী দিয়া তিৰোতাজনীয়ে ঢেঁকী দি থকা সময়ত পোখেলীৰ পৰা ছিটিকি পৰা ধান-চাউলখিনি পুনৰ পোখেলীত দিবলৈ এডাল বাঁহৰ মাৰিৰ এমূৰত কাপোৰ বা ধান খেৰৰ থোপা বান্ধি দিয়া হয়। তেতিয়া এই মাৰিডালক 'লুৰিবাৰি' বোলা হয়। ধান বনা, চাউল কাঢ়া সময়ত ঢেঁকী দিয়া তিৰোতাজনীৰ সংগী থাকিলে এই 'লুৰিবাৰি'ৰ আৱশ্যক নহয়। বিজুলী বাঁহৰ পৰা তৈয়াৰ কৰা 'লুৰিবাৰি' ডালৰ জোখ সাধাৰণতে ৯-১০ ফুট দীঘল। চিৰা সান্দহ খুন্দাৰ ক্ষেত্ৰত ধান ভজাৰ সময়ত আৰু গুৰা সান্দহ খুন্দাৰ ক্ষেত্ৰত চাউল ভজাৰ সময়ত জুইৰ তাপৰ পৰা ৰক্ষা পাবলৈ আকৌ এডাল ২-৩ ফুট মান দৈৰ্ঘ্যৰ 'লুৰি' বনোৱা হয়।

'ঢেকীশাল' সাধাৰণতে চোতালৰ পূব-দিশত পতাৰ নিয়ম আছে যদিও মানুহে সুবিধা অনুসৰি অন্য দিশতো ঢেঁকী পতা দেখা

*শেষাংশ ২১ পৃষ্ঠাত*

# মৰহা ফুলৰ পাপৰি

**মঞ্জুলা বেগম**

"যি মূলা বাঢ়ে তাৰ দুপাততে চিন' বোলা এযাৰ কথা আছে। কথাষাৰ সঁচা। ছোৱালী তিনিজনী চলন-ফুৰণ কৰোঁতে সিহঁতৰ চৰিত্ৰটো ধৰিব পাৰি। সেয়েহে আগৰ দিনত বুঢ়ালোক সকলে ছোৱালী চাব গ'লে তেওঁলোকৰ খোজ-কাটল লক্ষ্য কৰিছিল। অমূল্যৰ মুখৰ পৰা কথাটো ওলোৱাত বলোৰামে সুধিলে এই ছোৱালী কেইজনী কোন মানুহৰ ছোৱালী। আমাৰ গাঁৱৰ ওচৰ-চুবুৰীয়ানে? অমূল্যই কৈছিল তুমি বোধ হয় চিনি পাবা। তেজপুৰ টাউনৰ ১ম শ্ৰেণীৰ ঠিকাদাৰ ৰতন কাকতিৰ ছোৱালী। তেখেতৰ ল'ৰা নাই। কাকতিৰ টকা-পইচাৰ অভাৱ নাই। সকলো দিশতে জয় জয় ময় ময়। সিহঁত কেইজনী ওলাই গ'লে ঘৰখন উদং হৈ যাব। মানুহজনে যিমান টকা উপাৰ্জন কৰিছে সেইবোৰ সৎপথেৰে কৰা নাই। তাৰোপৰি মানুহজন কৃপণ। ওচৰ-চুবুৰীয়াৰ লগত সদ্ভাৱ নাই। কেতিয়াবা কোনো কোনো অনুষ্ঠানৰ বাবে বৰঙণি বিচাৰিলে দিবলৈ টান পায়।

অমূল্যই কৈছিল ৰতন কাকতিৰ ছোৱালী পঢ়াত বৰ চোকা। দুজনী ছোৱালী দেখাত ধুনীয়া নহ'লেও পঢ়াত ভাল। প্ৰথম জনীৰ নাম বুলি। দেখাত গাৰ ৰং ক'লা। তাই গুৱাহাটী মেডিকেল কলেজত ডাক্তৰী পঢ়ি আছে। তাইৰ ব্যৱহাৰ সৰুৰে পৰা বৰ ভাল। কোনো অহংকাৰেই নাই। সেয়েহে তাইক আটায়ে বৰ ভাল পায়। জনা মতে তেওঁৰ বিয়াৰ বন্দবস্ত হৈছে। ল'ৰাজন কটন কলেজৰ ইংৰাজী বিষয়ৰ অধ্যাপক। তাই এম বি বি এচ পৰীক্ষা পাছ কৰাৰ পিছতে বিয়া হ'ব। ল'ৰাজনে তাইক ভাল পায় যদিও ঘৰৰ পৰা মাক-দেউতাকে পছন্দ কৰা নাই গাৰ ৰং ক'লা বাবে। বলোৰাম আৰু অমূল্যই কথোপকথন কৰি থকা সময়ত ৰতন কাকতিয়ে গাড়ীৰে টাউনৰ ফালে গৈ থকা দেখি অমূল্যই ক'লে বলোৰাম তুমি চিনি পোৱা নাছিলা। সেইজনে ৰতন কাকতি বুলি চিনাকি কৰি দিছিল। এওঁ এবাৰ জেইলৰ ভাত খাব লগা হৈছিল।

তেজপুৰৰ ভোমোৰাগুৰিৰ ওচৰত থকা নদীৰ এটি সুঁতিৰ ওপৰত এখন দলং নিৰ্মাণৰ কাম পাইছিল। কাম শেষ কৰি অহাৰ কেইদিনমানৰ পিছতে দলংখন ভাঙি পৰাত এজন মানুহৰ মৃত্যু হৈছিল। ইয়াৰ ফলত ৰাইজে আপত্তি দৰ্শাই ঠিকাদাৰৰ ওপৰত কেচ দিছিল। বিচাৰত তেওঁক এমাহৰ বাবে জে'ললৈ পঠাইছিল আৰু পাঁচ বছৰৰ বাবে ঠিকা কৰাটো বন্ধ কৰি দিছিল। এনেধৰণৰ ঠিকাদাৰবোৰে চল্লিশ শতাংশ টকাৰো কাম নকৰে। তেনেবোৰ মানুহে টকা উপাৰ্জন নকৰি কোনেনো সৎ পথেৰে টকা উপাৰ্জন কৰিব পাৰে।

ৰতন কাকতিৰ দ্বিতীয় ছোৱালীজনী যোৰহাটত ইঞ্জিনিয়াৰিং কলেজত পঢ়ি আছে। গৰম বন্ধত বিজুলী ঘৰলৈ আহিছিল। তেওঁ এদিন ফুৰিবলৈ যাওঁতে তগৰৰ বিষয়ে কিছু কথা শুনিব পালে। তগৰ আছিল বিজুলীৰ সৰু ভনীয়েক। তেওঁ ঘূৰি আহি মাক আৰু দেউতাকক তগৰৰ বিষয়ে জনাইছিল। মাক মায়া কাকতি আৰু দেউতাক ৰতন কাকতিয়ে তেওঁলোকৰ কনিষ্ঠ কন্যা তগৰৰ বিষয়ে ওলোৱা বাতৰিটো মানি ল'বলৈ টান পাইছিল।



অমূল্যই কৈছিল ৰতন কাকতিৰ ছোৱালী পঢ়াত বৰ চোকা। দুজনী ছোৱালী দেখাত ধুনীয়া নহ'লেও পঢ়াত ভাল। প্ৰথম জনীৰ নাম বুলি। দেখাত গাৰ ৰং ক'লা। তাই গুৱাহাটী মেডিকেল কলেজত ডাক্তৰী পঢ়ি আছে। তাইৰ ব্যৱহাৰ সৰুৰে পৰা বৰ ভাল। কোনো অহংকাৰেই নাই। সেয়েহে তাইক আটায়ে বৰ ভাল পায়। জনা মতে তেওঁৰ বিয়াৰ বন্দবস্ত হৈছে। ল'ৰাজন কটন কলেজৰ ইংৰাজী বিষয়ৰ অধ্যাপক। তাই এম বি বি এচ পৰীক্ষা পাছ কৰাৰ পিছতে বিয়া হ'ব। ল'ৰাজনে তাইক ভাল পায় যদিও ঘৰৰ পৰা মাক-দেউতাকে পছন্দ কৰা নাই গাৰ ৰং ক'লা বাবে।

বলোৰাম আৰু অমূল্যই এনেবোৰ কথা আলোচনা কৰাৰ পিছত ঘৰলৈ গৈছিল। বলোৰামৰ সহঃধৰ্মিনী নীলিমাই খং কৰি কৈছিল ইমান সময় ক'ত কটালা। নক'বা নীলিমা। সেই ৰতন কাকতিৰ ছোৱালীকেইজনীৰ কথা আৰু ৰতনৰ কথা অমূল্যৰ সৈতে আলোচনা কৰি থাকোতে বহু সময় গ'ল।

সেইবোৰৰ নাম লোৱাটো মহা পাপ। আপুনি গম পোৱা নাই বোধ হয়। ৰতন ঠিকাদাৰৰ সৰু ছোৱালী তগৰৰ কথা। কোনজনীৰ নাম তগৰ। সৰুজনী। তগৰ ঘৰখনৰ ভিতৰতে ধুনীয়া। তাইৰ স্বাস্থ্য সৌন্দৰ্য দেখিলে আটাইবোৰ ডেকা মানুহে ঘূৰি ঘূৰি চায়। যোৱা বেলি মেট্ৰিক ভালদৰে পাছ কৰিলে। তাইৰ পৰিধান কৰা পোছাক-পাতি চাব নোৱাৰি লাজ লগা। কলেজ পোৱাৰ পৰা তাই ল'ৰাৰ দৰে লংপেণ্ট, স্পৰ্টিং আৰু যিবোৰ পোছাক পিন্ধি ফুৰে দেখিলে ডেকা ল'ৰাবোৰে ঠাট্টা কৰে। ৰাতি আঠ-দহ বজালৈ ঘূৰি ফুৰে। মাক-দেউতাকে ছোৱালীৰ ওপৰত চকু নিদিয়ে। মৰম কৰোঁতে কৰোঁতে ছোৱালীজনী বজৰুৱা হৈছে। এইবাৰ সৰস্বতী পূজাৰ দিনা এটা অঘটন ঘটিছে। আনকি ছয়দিন হাস্পতালত ৰাখিব লগা অৱস্থা হৈছিল। কলেজত সকলোবোৰ ল'ৰা-ছোৱালী তথা শিক্ষক সকলোৱে জানে। আজিকালি তগৰক দেখিলে ছাত্ৰ-ছাত্ৰীসকলে আঁতৰি ফুৰে।

"হৰিণাৰ মাংসই বৈৰী'ৰ দৰে তাইৰ ৰূপ যৌৱনে আৰু তাই নিজে কৰা অপকৰ্মৰ বাবে মদাৰৰ ফুল হ'ল। মদাৰ ফুলৰ গোন্ধ নাই, পূজাত নেলাগে, তগৰৰ সৌন্দৰ্য্যৰ এতিয়া মূল্য নাই। তগৰ এতিয়া মৰহা ফুলৰ পাপৰি।

# বাৰুদৰ শব্দত পৰিৱৰ্তন

**কিৰণ বৰা**
ফোন ঃ ৮৬৩৮০৭১২৫৫

বাৰুদৰ শব্দই শান্তি
আনিব পাৰে জানো ঘূৰাই,
পৰিৱৰ্তনৰ ধামখুমিয়াত পৰি
সহস্ৰজনে দেখোন প্ৰাণ হেৰুৱায়,
ন্যায্য প্ৰাপ্তি সকলোৰে মনত
আন্দোলন হেন্দোলদোপ,
এজনক পাওঁ যদি হেজাৰক হেৰুৱাও
লাভালাভৰ অংকৰ
উত্তৰ মাথোঁ শূন্য,
সময়বোৰ দুঃসময় কৰি তোলে
বাৰুদৰ প্ৰতিধ্বনিয়ে,
পৰিৱৰ্তন বিচাৰি থাকোতেই জীৱনৰ ছন্দ সামৰি
ক'তজন ওভতে সত্যধামলৈ
হালধীয়া ৰ'দজাকমূৰত লৈ
ক'তজনৰ নিনাদ
নায্যপ্ৰাপ্তি আমাৰ আধিকাৰ,
কতনা শ্লোগানে নিনাদিত ৰাজপথ
কেৰাহিকৈ চোৱাৰো সময় নাই আমোলাৰ,
কাৰণ বৰমূৰীয়াৰ জেপত
বন্ধকত থ'ব লাগে বিবেকক।



# দুখৰ ৰ'দ

**মুকুল জয়ন্ত**

'আই' প্ৰায়ে কৈছিল
ৰ'দৰ মাজত
বৰষুণ বিচাৰি
চোতাল হেৰুৱাবি
ঘৰটো আৰু অলপ
আৰু অলপ বঢ়াই
হেৰুৱালো আকাশখন।

*যোৱা সংখ্যাৰ পৰা*

## *জীৱন সম্পৰ্কে এক মননশীল ধাৰাভাষ্য*

# বিষাদৰ বৰষুণ জীৱনৰ ৰ'দ

**জীৱন বীক্ষণ**



ড° দিনমণি কলিতা

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাদেৱে তেখেতৰ "শ্ৰীকৃষ্ণতত্ত্ব" নামৰ প্ৰৱন্ধত উল্লেখ কৰিছে যে যি বস্তুত চৈতন্য আৰু পৰমানন্দৰ অস্তিত্বৰ বাহিৰে আৰু একো নাই, সেই বস্তুৱেই 'কৃষ্ণ'। বেজবৰুৱাদেৱে কোৱা মতে শ্ৰীধৰ স্বামীয়ে 'কৃষ্ণ' নামৰ পাৰিভাষিক অৰ্থ দিছে যে — 'কৃষ' আৰু মূৰ্দ্ধণ্য 'ণ' মিলি হৈছে 'কৃষ্ণ'। 'কৃষ' শব্দৰ অৰ্থ সত্তা বা অস্তিত্ব আৰু মূৰ্দ্ধণ্য 'ণ' ৰ অৰ্থ নিবৃত্তি অৰ্থাৎ পৰমানন্দ। অৰ্থাৎ কৃষ্ণ সৎ, চিৎ আৰু আনন্দ স্বৰূপ। স্থিতপ্ৰজ্ঞ মানুহে 'গীতা'ৰ বাণী সাৰোগত কৰি চলিব জানে আৰু তেনেলোকে বৰ্তমানত ব্যৱহাৰ বা আচৰণ কৰোঁতে দুখ পালেও উদ্বেগ নকৰে। সুখ লাভ হ'লেও স্পৃহা নকৰে। তেনেকুৱা স্থিতপ্ৰজ্ঞ লোকে ৰাগ, ভয়, ক্ৰোধ ৰহিত হয়। 'শ্ৰীমদ্ভাগৱত গীতা'ৰ যোড়শ অধ্যায়ত ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক দৈৱজ্ঞান পুষ্টলোকৰ সংজ্ঞা দিয়াৰ লগতে তেনেকুৱা লোকৰ স্বভাৱ আৰু প্ৰকৃতি সম্বন্ধে ব্যক্ত কৰি কৈছে যে তেনেকুৱা লোকে পৰমাত্মাৰ প্ৰাপ্তি কৰে। দৈৱজ্ঞান সম্পন্ন লোকৰ লক্ষণ সমূহ হ'ল —

১) ভগৱান বা পৰমাত্মা অৰ্থাৎ শ্ৰীকৃষ্ণৰ ওপৰত আস্থা ৰখা আৰু নিৰ্ভয়ে থকা।

২) অন্তঃকৰণেৰে পৰমাত্মাক লাভ কৰাৰ দৃঢ় সংকল্প ৰখা।

৩) যিকোনো পৰিস্থিতিতে সমভাৱে থকা।

৪) সাত্বিক দান দিয়া।

৫) ইন্দ্ৰিয়ক বশীকৃত কৰি ৰখা।

৬) নিজ নিজ কৰ্তব্য পালন কৰা।



৭) শাস্ত্ৰৰ সিদ্ধান্তসমূহ নিজ নিজ জীৱনত কাৰ্যকৰী কৰা।

৮) কৰ্তব্য পালনত আহি পৰা যিকোনো কষ্ট প্ৰসন্ন চিত্তে সহ্য কৰা।

৯) শৰীৰ মন বাক্যৰ সৰলতা থকা।

১০) জীৱন্ত প্ৰাণীক কষ্ট প্ৰদান নকৰা।

১১) সত্যক প্ৰিয়ভাষাৰে উপস্থাপন কৰা।

১২) ক্ৰোধ দমন কৰি ৰখা।

১৩) কামনা ত্যাগ কৰা।

১৪) টুটুকীয়া স্বভাৱ পৰিত্যাগ কৰা।

১৫) জীৱৰ প্ৰতি দয়াশীল হোৱা।

১৬) বিষয়-বাসনা পৰিত্যাগ কৰা।

১৭) হৃদয় কোমল হোৱা।

১৮) চঞ্চলতা পৰিত্যাগ কৰা।

১৯) শৰীৰ আৰু বাক্যত তেজস্বিতা থকা।

২০) অপৰাধীৰ অপৰাধ ক্ষমা কৰা।

২১) ধৈৰ্যশীল হোৱা।

২২) শৰীৰ শুদ্ধ ৰখা।

২৩) প্ৰতিশোধ লোৱাৰ ভাব নৰখা।

২৪) শ্ৰেষ্ঠত্বৰ ভাব পৰিত্যাগ কৰা।

এইবোৰ জ্ঞান যাৰ থাকে তেওঁৱেই ভগৱান শ্ৰীকৃষ্ণৰ পৰমভক্ত আৰু তেনে ব্যক্তিয়ে জীৱনত অপাৰ আনন্দ বা সুখ লাভ কৰিব পাৰে।

প্ৰখ্যাত ধৰ্মগুৰু ৰবিশংকৰে মানৱজীৱনৰ প্ৰশান্তি লাভৰ কেইটামান সৰল আৰু সকলোৱে মানি চলিব পৰা বিধৰ উপায় দিছে। চমুকৈ উপায় কেইটা হ'ল এনেধৰণৰ —
১) ঈশ্বৰ বা স্বৰ্গীয় শক্তিৰ ওচৰত আত্মসমৰ্পন কৰি নিজ কৰ্তব্য আৰম্ভ কৰক। এনেকুৱা এটা ভাব অনুভৱ কৰক যে "মই ভগৱানৰ আশীষ লাভ কৰিছো"।

*শেষাংশ ২২ পৃষ্ঠাত*

# চৰ্যাপদ ঃ এক বিশ্লেষাত্মক অধ্যয়ন

চৰ্যাপদসমূহ অসমীয়াত লিখিত ভাষাৰ আদি ৰূপ। কিন্তু এই চৰ্যাপদ সমূহত অসমীয়া ভাষাৰ লগতে মৈথিলী, বাংলা, হিন্দী, উৰিয়া আদি ভাষাগত আদিৰূপ সংৰক্ষিত হৈছে বুলি কোৱা হয়।

হৰপ্ৰসাদ শাস্ত্ৰী মহোদয়ে কলিকতাস্থিত 'এচিয়াটিক ছ'চায়েটি'ৰ বাবে কিতাপ সংগ্ৰহৰ বাবে ১৯০৭ চনত নেপাললৈ যাওঁতে নেপালৰ ৰাজদৰবাৰৰ গ্ৰন্থাগাৰত থকা তিনিখন পুথি আৱিষ্কাৰ কৰিছিল। সেই কেইখন হ'ল চৰ্য্যাচৰ্য্যবিনিশ্চয়, সৰোজবজ্ৰৰ দোহাকোষ আৰু কৃষ্ণাচাৰ্য্যৰ দোহাকোষ। তাৰ আগতে এবাৰ নেপাললৈ যাওঁতে 'ডাকাৰ্ণৱ' নামৰ পুথিখন পাইছিল। এই ডাকাৰ্ণৱ- পুথিখনত আমাৰ ডাকৰ বিষয়ে লিখা আছে। সময় পালে ডাকাৰ্ণৱৰ বিষয়ে আগলৈ লিখিম।

ডাকাৰ্ণৱ, চৰ্য্যাচৰ্য্যবিনিশ্চয় সৰোজবজ্ৰ আৰু কৃষ্ণাচাৰ্য্যৰ দোহাকোষ দুখন একেলগে মিলাই ১৯১৬ চনত 'বঙ্গীয় সাহিত্য পৰিষদ' এ হাজাৰ বছৰে পুৰাণ বাংলা ভাষাৰ বৌদ্ধ গান আৰু দোহা" নামেৰে প্ৰকাশ কৰে।

ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে চৰ্যাগীতৰ তীব্বতী ভাষাৰ অনুবাদৰ বিষয়ে প্ৰথন জানিব বিচাৰিছিল। পিছলৈ ড° প্ৰবোধ চন্দ্ৰ বাগচী আৰু নীলৰতন সেনে চৰ্যাপদৰ বিষয়ে গৱেষণা কৰিছিল। এই গৱেষণাৰ ফলত চৰ্যাপদ সম্পূৰ্ণ তিব্বতী ভাষাৰ অনুবাদখিনি পোহৰলৈ আহে। চৰ্যাপদৰ ওপৰত মুনিদত্তই সংস্কৃত টীকা এখনো প্ৰস্তুত কৰিছিল। সেইখনৰ নাম আছিল - 'চৰ্য্যাগীতিকোষবৃত্তি'। উল্লেখযোগ্য যে এই চৰ্যাপদ সমূহকবিভিন্ন ভাষাৰ পণ্ডিতে নিজৰ নিজৰ ভাষাৰ সম্পত্তি বুলি দাবী কৰি আহিছে। কিন্তু পণ্ডিত ড° বাণীকান্ত কাকতিদেৱে ইয়াত প্ৰয়োগ হোৱা ৰূপতাত্ত্বিক আৰু ধ্বনিতাত্ত্বিক দিশসমূহৰ বিশ্লেষণ কৰি অসমীয়া ভাষাৰ লগত যে সেইবোৰৰ বহুলাংশে মিল আছে, তাক প্ৰমাণ কৰি দেখুৱাইছে। হৰপ্ৰসাদ শাস্ত্ৰীদেৱে চৰ্যাপদসমূহৰ "বৌদ্ধ কীৰ্ত্তন", "বৌদ্ধ সংকীৰ্ত্তন" বুলি অভিহিত কৰিছে। চৰ্য্যাচৰ্য্যবিনিশ্চয় পুথিখনত মুঠতে তেইশজন সিদ্ধাচাৰ্য্যৰ গীত অন্তৰ্ভুক্ত হৈছে। তাৰে কাহ্নুপাদৰ ১৩ টা, ভুসুকপাদৰ ৮ টা , সৰহপাদৰ ৪ টা, কুক্কুৰিপাদৰ ৩ টা আৰু শান্তিপাদ, শবদপাদ, লুইপাদৰ দুটাকৈ চৰ্য্যা আছে। তাৰোপৰি, বিৰুৱাপাদ, ঢেণ্টনপাদ, গুণ্ডৰীপাদ, তন্ত্ৰীপাদ, ধামপাদ, ডোম্বীপাদ, বীণাপাদ, আৰ্য্যদেৱপাদ, চটিল্লপাদ, কম্বলাম্বৰপাদ, মহীধৰপাদ, দাৰিকপাদস ভাদেপাদ, তাড়কপাদ, কংকনপাদ, জয়নন্দীপাদ এই সকলৰ প্ৰত্যেকেই একোটাকৈ চৰ্য্যা ৰচনা কৰিছিল। চৰ্যাপদবোৰ বেছিভাগেই দহটা শাৰীৰ। কিন্তু ১০, ২৮ আৰু ৫০, নম্বৰ চৰ্য্যা চৈধ্য শাৰীৰ। ২৯ নং ঊনৈশ শাৰীৰ, বাকী কেইটা ২১,২২, নং বাৰ শাৰীৰ। ২৬ নম্বৰটো চাৰি শাৰীৰ ছয়টা শব্দৰ। এইবোৰ মাত্ৰাবৃত্ত ছন্দত লিখা অন্ত্যানুপ্ৰাস যুক্ত। গীত গাবৰ বাবে আগতেই উল্লেখ কৰা সোতৰটা ৰাগ নিৰ্দিষ্ট কৰা হৈছে। বৰগীতত থকাৰ দৰে ইয়াতো ভণিতা থাকে। লগতে ধ্ৰুং বা ধ্ৰুৱ বুলি নিৰ্দেশ থাকে। চৰ্যাপদৰ ভাষাক 'সন্ধ্যা ভাষা' বুলি হৰপ্ৰসাদ শাস্ত্ৰী দেৱে উল্লেখ কৰিথেষ সান্ধ্য ভাষাৰ অৰ্থ আলো আধাৰী ভাষা, কতক আলো, কতক অন্ধকাৰ, খানিক বুঝা যায়, খানিক বুঝা যায় না। মহেশ্বৰ নেওগ ছাৰে কৈছে ইচ্ছাকৃত জটিলতা বৰ্তমান, কাৰণ সেই ভাষা সাংকেতিক যাৰে তাৰে বাবে নহয়, সি বোবা গুৰুৰে কলা শিষ্যক বুজোৱা কিছুমান ইংগিত মাত্ৰ। বৃত্তিকাৰে সেই ভাষাক সন্ধ্যাভাষা বা সন্ধ্যাবচন, সন্ধ্যাসংকেত বা সন্ধ্যা বুলিছে, যি ভাষাৰ অভিষ্ট মৰ্মাৰ্থ গভীৰভাৱে অনুধ্যান চৰ্যাপদসমূহ বৌদ্ধ তত্ব সাধনৰ মাৰ্গ হিচাপে ব্যৱহাৰ কৰা হৈছিল। এইবোৰৰ বিষয়বস্তু ৰহস্যঘন। বৌদ্ধ ধৰ্মৰ পৰিৱৰ্তন ইতিহাসৰ এটা উল্লেখযোগ্য ঘটনা।

১০, ২৮ আৰু ৫০, নম্বৰ চৰ্য্যা চৈধ্য শাৰীৰ। ২৯ নং ঊনৈশ শাৰীৰ, বাকী কেইটা ২১,২২, নং বাৰ শাৰীৰ। ২৬ নম্বৰটো চাৰি শাৰীৰ ছয়টা শব্দৰ। এইবোৰ মাত্ৰাবৃত্ত ছন্দত লিখা অন্ত্যানুপ্ৰাস যুক্ত। গীত গাবৰ বাবে আগতেই উল্লেখ কৰা সোতৰটা ৰাগ নিৰ্দিষ্ট কৰা হৈছে। বৰগীতত থকাৰ দৰে ইয়াতো ভণিতা থাকে। লগতে ধ্ৰুং বা ধ্ৰুৱ বুলি নিৰ্দেশ থাকে। চৰ্যাপদৰ ভাষাক 'সন্ধ্যা ভাষা' বুলি হৰপ্ৰসাদ শাস্ত্ৰী দেৱে উল্লেখ কৰিথেষ সান্ধ্য ভাষাৰ অৰ্থ আলো আধাৰী ভাষা, কতক আলো, কতক অন্ধকাৰ, খানিক বুঝা যায়, খানিক বুঝা যায় না। মহেশ্বৰ নেওগ ছাৰে কৈছে ইচ্ছাকৃত জটিলতা বৰ্তমান, কাৰণ সেই ভাষা সাংকেতিক যাৰে তাৰে বাবে নহয়, সি বোবা গুৰুৰে কলা শিষ্যক বুজোৱা কিছুমান ইংগিত মাত্ৰ। বৃত্তিকাৰে সেই ভাষাক সন্ধ্যাভাষা বা সন্ধ্যাবচন, সন্ধ্যাসংকেত বা সন্ধ্যা বুলিছে, যি ভাষাৰ অভিষ্ট মৰ্মাৰ্থ গভীৰভাৱে অনুধ্যান চৰ্যাপদসমূহ বৌদ্ধ তত্ব সাধনৰ মাৰ্গ হিচাপে ব্যৱহাৰ কৰা হৈছিল। এইবোৰৰ বিষয়বস্তু ৰহস্যঘন।

*শেষাংশ ২২ পৃষ্ঠাত*

# বিৰাট-অনুষ্কাৰ যুগল বন্দী





অৱশেষত হোমৰ জুঁইক সাক্ষী কৰি বিবাহপাশত আৱদ্ধ হ'ল বলীউড আৰু ক্ৰিকেটৰ তাৰকা অনুষ্কা শৰ্মা আৰু বিৰাট কোহলী। কোহলী আৰু অনুষ্কাৰ বিয়াক লৈ দীৰ্ঘদিনৰ পৰাই উৎকণ্ঠাই বিৰাজ কৰি আছিল দেশৰ অনুৰাগীসকলৰ মাজত। অৱশেষত দুয়োগৰাকী চেলিব্ৰেটীৰ বিবাহৰ খবৰটো আহি পৰিল সুদূৰ ইটালীৰ পৰা। ক্ৰিকেটৰ ফিল্ডত এটাৰ পিছত এটাকৈ অভিলেখ সৃষ্টি কৰি ক্ৰিকেটৰ ভগবান তথা মাষ্টাৰ ব্লাষ্টাৰ শচীন তেণ্ডুলকাৰৰ সমকক্ষ হ'বলৈ দ্ৰুতবেগত আগবঢ়া বিৰাট কোহলীয়ে এক নতুন জীৱনৰ পাতনি মেলে। সংগোপনে ইটালীৰ মিলানত ভাৰতীয় পৰম্পৰাগত নীতি-নিয়ম মতে অনুষ্ঠিত হয় বিয়াখন। উক্ত বিয়াখনত কেৱল পৰিয়ালৰ লোকসকলহে উপস্থিত থাকে। আনহাতে মিলানৰ সভ্যতা-সংস্কৃতিপূৰ্ণ ৰিজৰ্টখনত যোৱা তিনিদিন ধৰি কটকটীয়া নিৰাপত্তা গঢ়ি তোলা হৈছিল। আনহাতে সংগোপনে অনুষ্ঠিত হোৱা বিবাহখনত সকলোৰে উৎকণ্ঠাৰ অন্ত পেলাই অৱশেষত বলীউডৰ জনপ্ৰিয় আৰু মোহময়ী অভিনেত্ৰী অনুষ্কা শৰ্মাই টুইটাৰযোগে প্ৰকাশ কৰে যে প্ৰেম-ভালপোৱাৰে আজীৱন থাকিবলৈ আমি প্ৰতিজ্ঞাৱদ্ধ হ'লো। এই বাতৰিটো আপোনালোকলৈ প্ৰেৰণ কৰি আপোনালোকৰ আশীৰ্বাদৰ পাত্ৰ হৈছো।

আনহাতে ২২ ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া অভ্যৰ্থনা অনুষ্ঠানটো আকৰ্ষণীয় হৈ পৰিছে। কিয়নো সেই অনুষ্ঠানটোত প্ৰৱেশ ঘটিব ক্ৰিকেট আৰু বলীউডৰ মহা তাৰকাসকলৰ।

## বিয়ালৈ সাজু ৰাখী শ্বাৱণ



ড্ৰামা কুইন হিচাপে বলীউডত পৰিচিত ৰাখী শ্বাৱণে নতুন নাটক কৰি প্ৰতিদিনেই লাইম লাইটত থাকিবলৈ চেষ্টা কৰে। এইবাৰ ৰাখীয়ে ৰিয়েল লাইফত প্ৰকাশ কৰিছে যে তেওঁ বিয়াত বহিব। ছ'চিয়েল চাইটত ইতিমধ্যে নিজেই আপলোড কৰিছে তেওঁৰ হ'বলগীয়া স্বামীৰ সৈতে হোৱা বাৰ্তালাপ। সম্প্ৰতি ৰাখী নিউয়ৰ্ক ভ্ৰমণত ব্যস্ত। জানিব পৰা মতে ৰাখীয়ে স্বামী হিচাপে বিচৰা ব্যক্তিগৰাকী হৈছে হ'বো ব'ৰৰ।

## ভাগৰুৱা অক্ষয় কুমাৰ



সমুদ্ৰত বালিচৰত ৰখা হৈছে এখন কাঠৰ চকী। কিছু দূৰত্বৰ পৰা এজন ধূতি পৰিহিত লোক দৌৰি আহিছে। দৌৰি আহি চকীত একেজাপে এক নতুন একচন প্ৰদান কৰিছে। এই একচন প্ৰদান কৰা ব্যক্তিগৰাকী আন কোনো নহয়। সেইজন হৈছে বলীউডৰ ছুপাৰষ্টাৰ তথা ৰিয়েল হিৰ' অক্ষয় কুমাৰ। অহা বৰ্ষৰ ২৬ জানুৱাৰীত প্ৰজাতন্ত্ৰ দিৱসত মুক্তি লাভ কৰিব বলীউড ছুপাৰষ্টাৰ অক্ষয় কুমাৰ অভিনীত চলচ্চিত্ৰ গ'ল্ড। একে সময়তেই তেওঁ ব্যস্ত হৈ পৰিছে অনেক সংখ্যক ছবিত। কেতিয়াবা যদি পেডমেন আকৌ কেতিয়াবা ২.০। অনেক ব্যস্ততাৰ অন্তত ভাগৰুৱা হৈ পৰিছে ছুপাৰষ্টাৰগৰাকী। সেয়েহে গ'ল্ডৰ শ্বুটিং সমাপ্ত কৰি আনন্দত আত্মহাৰা হৈ এই ৰিয়েল একচন সম্পন্ন কৰে।

## দিব্যাংকা ত্ৰিপাঠীৰ অন্য এক ৰূপ



ষ্টাৰ প্লাচৰ জনপ্ৰিয় অভিনেত্ৰী তথা 'য়ে হে মহাবটেৰ' দিব্যাংকা ত্ৰিপাঠীৰ অনুৰাগী সকলৰ বাবে দুখবৰ। তেওঁক আৰু পৰ্দাত দেখা নাপাব অনুৰাগীসকলে। চিৰিয়েলখনত সুন্দৰ অভিনয় কৰা অভিনেত্ৰীগৰাকীৰ এই আকস্মিক সিদ্ধান্তত অনুৰাগীসকল দুখিত হৈ পৰিছে। দৰাচলতে সৰু পৰ্দাৰ জনপ্ৰিয় অভিনেত্ৰী দিব্যাংকা কিছুদিনৰ বাবে চিৰিয়েলখনৰ পৰা বিৰতি লৈছে আৰু ইয়াৰ জৰিয়তে চিৰিয়েলখনত তেওঁৰ চৰিত্ৰটোৰো সমাপ্তি ঘটিব। উল্লেখযোগ্য যে, দিব্যাংকা ত্ৰিপাঠীৰ মৃত্যুৰ পিছত তেওঁক উক্ত চিৰিয়েলখনতেই এক নতুন ৰূপত দেখা পোৱা যাব।

## এই সপ্তাহৰ ছবিঘৰ



**মন চন চুট আউট (হিন্দী)**
প্ৰযোজক ঃ দাৰ মুছন পিকচাৰচ
অভিনয়ত ঃ নাবাজ উদ্দিন ছিদ্দিকী, বিজয় বৰ্মা ইত্যাদি

**ষ্টাৰ ৱাৰ্ছ (ইংলিছ)**
অভিনয়ত ঃ মাৰ্ক হামিল, এডাম, এডাম ড্ৰাইভাৰ, ডেইজী ৰেডলি ইত্যাদি।
ফাৰডেন দ্যা বুল টু দি ঃ ইংলিছ, হিন্দী
অভিনয়ত ঃ এনি মিচন

**হাৰ্ড ক'ৰ (পাঞ্জাৱী)**
অভিনয়ত ঃ নিৰ্মল ৰিচি, দাইনা উৎপল, দৃষ্টি ইত্যাদি

**বীৰা (এ) (তামিল)**
অভিনয়ত ঃ কৃষ্ণা, ঐশ্বৰ্যা মেনন আদি

**খলনায়িকা (অসমীয়া)**
অভিনয়ত ঃ আলোক ভৰদ্বাজ, ছ'নিয়া মেহৰা, ফেৰীপ্ৰিয়া

**গেম অফ আয়োধ্যা (হিন্দী)**
অভিনয়ত ঃ সুনীল সিং, অভয় ভাৰ্গৱ, অৰুন বাক্সি আদি।

**হান্টেড ভিলা লোনা ভালা (হিন্দী)**
অভিনয়ত ঃ ৰূপা বেনাৰ্জী, ব'লৰাজ চোলাংকী, সুমিত শুক্লা।

**জাৰ্ণি অফ ভাংগৌৰা (হিন্দী)**
অভিনয়ত ঃ জিম্মি শৰ্মা, আনম'ল হাট্টি, পলাশ চনী।

**মাই ফ্ৰেণ্ড ডুলহানীয়া (হিন্দী)**
অভিনয়ত ঃ মুদাচিৰ জাফাৰ, ছানিয়া, সৌৰভ, ময়ুৰ।



## মেৰিনাৰ শিৰত মিছ নাগালেণ্ড

ডিমাপুৰৰ নগা সুন্দৰী মেৰিনা কিহই ২০১৭ বৰ্ষৰ মিছ নাগালেণ্ড সৌন্দৰ্য প্ৰতিযোগিতাৰ চূড়ান্ত খিতাপ অৰ্জন কৰিছে। চলিত সপ্তাহৰ কহিমাত অনুষ্ঠিত গ্ৰেণ্ড ফিনালে মেৰিনাই এঘাৰগৰাকী সুন্দৰীক চেৰ পেলাই ২০১৭ বৰ্ষৰ মিছ নাগালেণ্ড হিচাপে বিবেচিত হয়। প্ৰতিযোগিতাৰ অন্তত মিছ নাগালেণ্ড ডেৰ লাখ টকাৰ পুৰস্কাৰ লাভ কৰে ।

# বৰ্ণিল সাংস্কৃতিক অনুষ্ঠানেৰে অন্ত পৰিল সপ্তদশ হৰ্ণবিল মহোৎসৱ



কহিমা কিছামা ঐতিহ্য গাঁৱত অনুষ্ঠিত বিশ্বখ্যাত হৰ্ণবিল মহোৎসৱৰ চলিত সপ্তাহত অতি উখল-মাখল পৰিৱেশৰ মাজেৰে বৰ্ণিল সাংস্কৃতিক কাৰ্যসূচীৰ সামৰণি পৰে। বিগত দহটা দিন উত্তৰ-পূৰ্বাঞ্চলৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তৰ বৰ্ণিল লোককৃষ্টিৰে মুখৰ হৈ থকা কিছামা হেৰিটেজ ভিলেজ এতিয়া নিস্তব্ধ হৈ পৰে। জানিব পৰা মতে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ সংস্কৃতি উপভোগ কৰিবলৈ এইবাৰ সপ্তদশ হৰ্ণবিল উৎসৱলৈ দেশ-বিদেশৰ পৰা প্ৰায় এক লাখ আশী হাজাৰ পৰ্যটকৰ আগমণ ঘটে। অনুষ্ঠানৰ নৱম দিনা ২৮৯ গৰাকী বিদেশী পৰ্যটক, ৬ হাজাৰ দেশীয় পৰ্যটক আৰু ৪৩ হাজাৰ স্থানীয় পৰ্যটকৰ আগমণেৰে এক অভিলেখ ৰচে। তাৰোপৰি উত্তৰ-পূব ভাৰতৰ সৰ্ববৃহৎ সাংস্কৃতিক অনুষ্ঠানটোৰ অন্তিমদিনা জাৰ্মানীৰ বিখ্যাত সংগীতৰ বেণ্ড ব'নে এমৰ সংগীতানুষ্ঠানেৰে ২০১৭ বৰ্ষৰ হৰ্ণবিল মহোৎসৱৰ সামৰণি পৰে। বিগত দহটা দিনত বিভিন্ন প্ৰতিযোগিতা ক্ৰমে-হৰ্ণবিল হাফ মাৰাথান প্ৰতিযোগিতাত মছাই চুড়ান্ত হোৱাৰ বিপৰীতে পেছে আৰু মহা ছেখহুৰে ক্ৰমে দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে। মহিলাৰ শাখাত শ্যামলী সিং চেম্পিয়ন হয়। ইয়াৰ উপৰি উত্তৰ-পূব ভাৰতৰ সবাতোকৈ ৰোমাঞ্চকৰ খেল বাঁহৰ পেং দৌৰ প্ৰতিযোগিতাত মানালম ফৰ্ম বিজয়ী হয়। জুঁই ধৰা প্ৰতিযোগিতাত ক্ৰমে দুজলু চৰুৱে প্ৰথম স্থান দখল কৰাৰ লগতে মাটি কঠাল খোৱা প্ৰতিযোগিতাত দেশৰ ৰাজধানী দিল্লী চহৰৰ যুৱক আশীষ চেম্পিয়ন হয়। আনহাতে ভূত জলকীয়া খোৱা প্ৰতিযোগিতাত প্ৰেম জাকিয়াই প্ৰথম পুৰস্কাৰ লাভ কৰি নগদ ত্ৰিশ হাজাৰ টকা লাভ কৰে। উক্ত অনুষ্ঠানত অৰ্থাৎ ২০১৭ বৰ্ষৰ হৰ্ণ বিল প্ৰতিযোগিতাত ষ্ট্ৰং মেন হিচাপে নিৰ্বাচিত হয় টচুকনুগকু জমিৰ নিৰ্বাচিত হয়।

## অনুপমা ৰয়ৰ মৃত্যুত শোকৰ ছাঁ

এসময়ৰ বিশিষ্ট অভিনেত্ৰী তথা 'সতী বেউলা' নাটকৰ বেউলা চৰিত্ৰত অভিনয় কৰি যথেষ্ট সমাদৰ লাভ কৰা অনুপমা ৰয় আৰু নাই। সোমবাৰে নিশা প্ৰায় ১১-৪৫ বজাত সকলোকে কন্দুৱাই চিৰ বিদায় লয় অভিনেত্ৰীগৰাকীয়ে। পাঠশালাৰ জ্যোতিনগৰ নিবাসী আবাহন থিয়েটাৰৰ প্ৰযোজক পৰিচালক ভ্ৰাম্যমাণ নাট্যজগতৰ অন্যতম ব্যক্তি কৃষ্ণ ৰয়ৰ সহধৰ্মিনী আছিল অনুপমা ৰয়। স্বামী ৰয়ৰ লগতে আবাহন থিয়েটাৰ নাট্যজগতৰ বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছিল অভিনেত্ৰী অনুপমা ৰয়ে। নাটকৰ উপৰিও এগৰাকী নৃত্য শিল্পী হিচাপেও বিখ্যাত আছিল অনুপমা। ১৯৬৩ চনৰ পৰা নটৰাজ থিয়েটাৰত অভিনয় কৰা অভিনেত্ৰীগৰাকীয়ে বিষ্ণু ৰাভা, ফণী শৰ্মা, ব্ৰজ শৰ্মা, ভুপেন হাজৰিকা, জয়ন্ত হাজৰিকা আদি কেইবাগৰাকীও কালজয়ী ব্যক্তিৰ সান্নিধ্য লাভ কৰিছিল। অভিনেত্ৰীগৰাকীয়ে ১৯৬৮ চনৰ পৰা ১৯৭০ চনলৈ কৰুণা মজুমদাৰ প্ৰযোজিত পূৰ্বজ্যোতি থিয়েটাৰত অভিনয় কৰাৰ উপৰিও নৃত্য শিল্পী হিচাপেও কাম কৰিছিল। সেই সময়ত থিয়েটাৰখনৰ পোহৰৰ দায়িত্বত থকা কৃষ্ণ ৰয়ৰ সান্নিধ্যলৈ আহে আৰু ১৯৭৩ চনৰ ১৮ মে'ত বিবাহপাশত আৱদ্ধ হয়। অভিনেত্ৰীগৰাকীৰ মৃত্যুত ৰাজ্যৰ সাংস্কৃতিক জগতত গভীৰ শোকৰ ছাঁ পৰে।

## টাইগাৰ জিন্দা হে

এক থা টাইগাৰৰ চিকুৱেল ছবি টাইগাৰ জিন্দা হে মুক্তি লাভ কৰিব চলিত বৰ্ষৰ ২২ ডিচেম্বৰত। আলী আব্বাছ জাফাৰৰ পৰিচালনাত নিৰ্মিত ছবিখনে মুক্তিৰ পূৰ্বেই ব্যাপক চৰ্চা লাভ কৰিবলৈ সক্ষম হৈছে। ছবিখনৰ মুঠ বাজেট ১৪০ কোটিৰো অধিক। ইয়াছ ৰাছ প্ৰডাকচনৰ বেনাৰত নিৰ্মিত ছবিখনৰ মুখ্য ভূমিকাত অভিনয় কৰিছে চলমান খান আৰু কেটৰিনা কাইফে। ইতিমধ্যে ছবিখনৰ প'ষ্টাৰসমূহে ছ'চিয়েল মিডিয়াত ব্যাপক সমাদৰ বুটলিবলৈ সক্ষম হৈছে। আনহাতে দীৰ্ঘদিনৰ বিৰতিৰ মূৰত পুনৰ একেলগে অভিনয় কৰা চলমান আৰু কেটৰিণাৰ যুটিয়ে এক নতুন চৰ্চাও লাভ কৰিছে।

## ২২ ডিচেম্বৰত মুক্তি লাভ লাভ 'পদ্মাৱতী'ৰ



বহু বিতৰ্কৰ অন্তত সঞ্জয় লীলা ভাঞ্চালিৰ পৰিচালনাত নিৰ্মিত পদ্মাৱতী ছবিখন অহা ২২ ডিচেম্বৰত মুক্তি লাভ কৰিব। ১৯৪০ চনৰ মালিক মহম্মদ জাইচিৰ কবিতা 'পদ্মাৱতী'ক কেন্দ্ৰ কৰি নিৰ্মাণ কৰা হৈছে ছবিখন। ৰাজপুতসকলৰ জীৱন ধাৰাৰ ওপৰত নিৰ্মিত ছবিখনে মুক্তি লাভ কৰাৰ পূৰ্বেই বিভিন্ন বিতৰ্কৰ সন্মুখীন হ'বলগীয়া হৈছে। অৱশেষত সকলো বিতৰ্কৰ অন্ত পেলাই চেণ্ট্ৰেল ব'ৰ্ড অফ ফিল্ম চাৰ্টিফিকেচনৰ পৰা অনুমোদন লাভ কৰে। ভাৰতবৰ্ষত মুক্তি লাভ কৰাৰ পিছতেই ২০১৮ বৰ্ষৰ ৯ ফেব্ৰুৱাৰীত কানাডাত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত মুক্তি লাভ কৰিব ছবিখনে। দুশ কোটি বাজেটেৰে নিৰ্মিত ছবিখনত অভিনয় কৰিছে দিপিকা পাদুকন, ৰণবীৰ সিঙৰ লগতে ছাহিদ কাপুৰ আদি। সংগীত ব্যৱস্থাপনা সঞ্জয় লীলা ভাঞ্চালিৰ।

### হেপী বাৰ্থ ডে

## জন আব্ৰাহাম



বলীউডৰ তাৰকা জন আব্ৰাহামৰ জন্ম হৈছিল ১৯৭২ চনৰ ১৭ ডিচেম্বৰত। ২০০৩ চনত চিজন চিনেমাখনেৰে আত্মপ্ৰকাশ কৰা জন আব্ৰাহাম সুঠাম দেহৰ হোৱা হেতুকে খুবেই জনপ্ৰিয় যুৱতীসকলৰ মাজত। ২০০৪ চনত জন আব্ৰাহাম অভিনীত ধুম চিনেমাখনে বিশেষ জনপ্ৰিয়তা লাভ কৰে। বৰ্তমান সময়ত জন আব্ৰাহাম এগৰাকী জনপ্ৰিয় অভিনেতা হোৱাৰ উপৰিও দক্ষ পৰিচালক হিচাপেও নিজকে আত্মপ্ৰকাশ ঘটাইছে। শেহতীয়াকৈ ইণ্ডিয়ান ছুপাৰলীগ চমুকৈ জনপ্ৰিয় আই এছ এলৰ নৰ্থ ইষ্ট ইউনাইটেড দলৰ স্বত্বাধিকাৰী হোৱাৰ পিছত অসম তথা উত্তৰ পূৰ্বাঞ্চলতো বৃদ্ধি পাইছে জন আব্ৰাহামৰ অধিক জনপ্ৰিয়তা। বলীউডৰ এই অভিনেতাগৰাকীৰ ওপজা দিনত 'জনমুক্তি' কাকতৰ পৰিয়ালৰ ফালৰ পৰা জনাইছো অলেখ শুভ কামনা। হেপ্পী বাৰ্থ ডে জন আব্ৰাহাম।

## শোহিল খান



বলীউডৰ জনপ্ৰিয় অভিনেতা তথা আজীৱন চিৰকুমাৰ হৈ থাকিব বিচৰা চলমান খানৰ জেষ্ঠ ভাতৃ শোহিল খানে ২০ ডিচেম্বৰত উদ্‌যাপন কৰিব তেওঁৰ ৪৮ সংখ্যক ওপজা দিন। এগৰাকী প্ৰযোজক হিচাপে নিজৰ কেৰিয়াৰৰ পাতনি মেলা শোহিল খানৰ ১৯৯৭ চনত তেওঁৰ প্ৰথমখন চিনেমা 'আজ্জাৰ' এ মুক্তি লাভ কৰে। ১৯৯৯ চনত শোহিল খানৰ পৰিচালনাত মুক্তি লাভ কৰা হেল্ল ব্ৰাডাৰ চলচ্চিত্ৰখনে বিশেষ জনপ্ৰিয়তা অৰ্জন কৰে। ২০০২ চনত মুক্তি লাভ কৰি বক্স অফিচ হিট কৰা মেনে দিল কুছ ক' দিয়া চলচ্চিত্ৰখনৰ কাহিনী চিত্ৰনাট্য আৰু পৰিচালনা আছিল শোহিল খানৰ সম্পূৰ্ণ নিজা। তেওঁৰ পৰিচালনাত জনপ্ৰিয়তা লাভ কৰা আন এখন চলচ্চিত্ৰ হ'ল জয় হ'।

### সহৃদয় লেখক-লেখিকা সকলৰ প্ৰতি ...

জনমুক্তিত প্ৰকাশৰ বাবে আপোনাৰ নিবন্ধ, গল্প, কবিতা, সমসাময়িক ঘটনা প্ৰৱাহ সম্পৰ্কে আপোনাৰ বিশ্লেষণ ধৰ্মী লেখা আমালৈ প্ৰেৰণ কৰক। শব্দৰ সংখ্যা ৫০০-১০০০ ৰ ভিতৰত হোৱাটো বাঞ্চনীয়।

কাৰ্যালয়ৰ ঠিকনা ঃ

কুঁহিপাত প্ৰেছ
ৰাজগড়, বিহুতলি, গুৱাহাটী-৭

## ওপজা দিনৰ ওলগ অভিনন্দন

# গণিতজ্ঞ ড° বিজয় কৃষ্ণ দেৱশৰ্মাৰ লগত এখন্তেক

*সাক্ষাৎগ্ৰহণ কৰোঁতা ঃ ৰিপুঞ্জয় বৰদলৈ*



ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত বহুমুখী প্ৰতিভাধৰ, বিজ্ঞান আৰু গণিতৰ লেখক ড° বিজয় কৃষ্ণ দেৱশৰ্মাৰ জন্ম হৈছিল ১৯৩৭ চনৰ ১৬ ডিচেম্বৰ তাৰিখে বৰপেটাত। বৰপেটা উচ্চ ইংৰাজী বিদ্যালয়ৰ পৰা স্কুলীয়া শিক্ষা সাং কৰি কটন কলেজৰ পৰা গণিতত সন্মান সহ স্নাতক হয়। বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পৰা গণিতশাস্ত্ৰত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি আই.আই.টি খড়গপুৰৰ পৰা পি. এইচ. ডি ডিগ্ৰী লাভ কৰে। সোণাৰাম হাইস্কুলত শিক্ষকতাৰে কৰ্মজীৱন আৰম্ভ কৰি ড° বিজয় কৃষ্ণ দেৱশৰ্মাই কটন কলেজ, চেণ্ট এন্থনীজ কলেজ (ছিলং), গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপনা কৰি ১৯৭৪ চনত জন্মলগ্নতেই উত্তৰ পূব পাৰ্বত্য বিশ্ববিদ্যালয়ত (নেহু, ছিলং) গণিতৰ মূৰব্বী অধ্যাপক ৰূপে সোমায় আৰু মূৰকত সেই বিশ্ববিদ্যালয়ৰ 'মহাবিদ্যালয় উন্নয়ন পৰিষদ'ৰ সঞ্চালকৰূপে অৱসৰ লয়। তেখেতে উত্তৰ পূব পাৰ্বত্য বিশ্ববিদ্যালয়ৰ দূৰ-শিক্ষা কেন্দ্ৰৰো সঞ্চালক আৰু ছাত্ৰ কল্যান বিভাগৰ গুৰু (ডিন) হিচাপেও কাৰ্য্যনিৰ্বাহ কৰিছিল। ১৯৬০ চনৰ পৰা বিজ্ঞান লিখিবলৈ হাতত কলম তুলি লোৱা ড° বিজয় কৃষ্ণ দেৱশৰ্মাই এতিয়ালৈকে দুকুৰিৰো অধিক গ্ৰন্থ আৰু পাঁচহেজাৰৰো অধিক লেখনি প্ৰকাশিত হৈছে। বিজয় কৃষ্ণ দেৱশৰ্মাই নিজৰ নামত প্ৰবন্ধপাতি লেখাৰ উপৰিও ভাস্কৰ ছদ্মনামেৰে 'দৈনিক অসম'ত, বিজ্ঞান ককাইদেউ আৰু নৱনিতা শৰ্মা ছদ্মনামেৰে 'অকণিৰ ৰংঘৰ' ত লিখিছিল। ১৯৯৯ চনত ড° বিজয় কৃষ্ণ দেৱশৰ্মাক গণমাধ্যমযোগে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাক জনপ্ৰিয়কৰণৰ কীৰ্তিৰ বাবে 'ৰাষ্ট্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা পৰিষদে' ৰাষ্ট্ৰীয় পুৰস্কাৰেৰে সন্মানিত কৰে। ১৯৬১ চনৰ পৰাই অসমত গণিত শিক্ষকৰ প্ৰশিক্ষণ শিবিৰ আৰু কৰ্মশালাত ড° বিজয় কৃষ্ণ দেৱশৰ্মাই অংশগ্ৰহণ কৰি আহিছে। গণিত শিক্ষাৰ ক্ষেত্ৰত তেওঁৰ এনে সৰ্বজনস্বীকৃত যশস্যাহেতু বেইজিঙত অনুষ্ঠিত 'আন্তৰ্জাতিক গণিতজ্ঞৰ কংগ্ৰেছ, ২০০২' লৈ তেওঁ বিশেষভাৱে আমন্ত্ৰিত হয় আৰু তাত 'প্ৰথম পুৰুষৰ ন-শিকাৰুই গণিত শিকনত পোৱা বাধা আৰু সমস্যা' শীৰ্ষক গৱেষণাপত্ৰ পাঠ কৰি ভূয়সী প্ৰশংসা অৰ্জন কৰিছে। সেইসময়ত এই আলোচনা চক্ৰখনত জন নেচ'ৰ দৰে বিখ্যাত গণিতজ্ঞও উপস্থিত আছিল। তেখেতসকলে ড° বিজয় কৃষ্ণ দেৱশৰ্মাৰ গৱেষণা পত্ৰখনৰ অতি শলাগ লৈছিল। ড° বিজয় কৃষ্ণ দেৱশৰ্মাই বৰ্তমানলৈকে দহখনমান পাঠ্যপুথি, ৩ খন গণিত শিক্ষা সম্পৰ্কীয় গ্ৰন্থ আৰু ৫ খন জনপ্ৰিয় গণিতৰ কিতাপ প্ৰকাশিত হৈছে। ইয়াৰ উপৰিও, আকাশবাণী গুৱাহাটী আৰু ছিলং কেন্দ্ৰ যোগে ড° বিজয় কৃষ্ণ দেৱশৰ্মাৰ গণিত শিক্ষণ আৰু শিকন সম্পৰ্কীয় এশৰো অধিক কথিকা প্ৰচাৰ কৰা হৈ আছে। দূৰদৰ্শন যোগেও তেওঁৰ গণিত জনপ্ৰিয়কৰণৰ কাৰ্য্যসূচী প্ৰচাৰিত হৈছে।

২০১৭ চনৰ ১৬ ডিচেম্বৰত ড° বিজয় কৃষ্ণ দেৱশৰ্মা ছাৰে ৮১ বছৰত ভৰি দিব। সেই উপলক্ষে ৰিপুঞ্জয় বৰদলৈয়ে ইতিমধ্যে গ্ৰহণ কৰা এটি সাক্ষাৎকাৰ ছাৰৰ ওপজা দিনৰ ওলগ অভিনন্দন স্বৰূপে প্ৰকাশ কৰা হ'ল।

**প্ৰশ্নঃ** *আপোনাক আধুনিক অসমীয়া বিজ্ঞান সাহিত্যৰ প্ৰথম বিজ্ঞান লিখক হিচাপে গণ্য কৰা হয়। গণিতৰ এগৰাকী ব্যক্তি হৈয়ো আপুনি বিজ্ঞান লিখাত বেছি গুৰুত্ব দিয়াৰ কাৰণ কি?*

আৰু *আপুনি বিজ্ঞান লিখাৰ বাবে কিয় আগবাঢ়ি আহিল?*

**ড° বিজয় কৃষ্ণ দেৱশৰ্মা ঃ** কেতিয়াবা, কেতিয়াবা দুৰ্ঘটনা এটা ঘটনাত পৰিবৰ্তিত হয়। মই বিজ্ঞান লিখাৰ ক্ষেত্ৰতো ঠিক এনেকোৱা কথাই ঘটিল। কটন কলেজৰ পৰা গণিতত অনাৰ্চলৈ বি.এছ.চি পাছ কৰাৰ পিছত মই অসম চৰকাৰৰ বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ অভিযান্ত্ৰিক মহাবিদ্যালয়ত থকা দুখন আসনৰ এখন মই পালো। আৰু সেইমতে ইলেকট্ৰিকেল ইঞ্জিনিয়াৰিঙত নামভৰ্তি কৰিলো। বি.এছ.চি পাছ কৰাৰ কাৰণে মোক দ্বিতীয় বাৰ্ষিকত নাম লগাব দিলে। ছমাহ মানৰ পাছত মোৰ চকু অসুখ হোৱা কাৰণে মই ইঞ্জিনিয়াৰিঙ পঢ়িবলৈ অসুবিধা পালো। তাত বিভাগীয় মুৰব্বীজনে মেডিকেল কলেজ লৈ গৈ চকু চিকিৎসা কৰালে। চকু চিকিৎসকজনে সকলো পৰীক্ষা কৰি ক'লে- "তোমাৰ চকু অতি দুৰ্বল। তুমি পঢ়া শুনা কৰি আছা চুকৰ বিনিময়ত, এতিয়া আৰু সেই কাম নকৰিবা। নহ'লে তুমি এটা সময়ত অন্ধতাত ভূগিব লাগিব"। চকু চিকিৎসকৰ সেই কথা শুনি বিভাগীয় মুৰব্বীজনে মোক সান্ত্বনা দি ক'লে যে মই অভিযান্ত্ৰিক অধ্যয়ন বাদ দি এম.এছ.চি (গণিত) পঢ়াই ভাল হ'ব। তেতিয়া আছিল ছেপ্টেম্বৰ মাহ। অধ্যাপকজনৰ বহু চেষ্টাৰ পাছতো এম.এছ.চিত নাম লগোৱাটো সম্ভৱ নহ'ল। সেয়ে মই ইঞ্জিনিয়াৰিং এৰি গুচি আহিলো আৰু আহি গুৱাহাটীত সাময়িকভাৱে শিক্ষকতা আৰম্ভ কৰিলো সোণাৰাম হাই স্কুলত। হাইস্কুলত শিক্ষকতা কৰি মনৰ আশা পূৰণ নোহোৱা কাৰণে এটা বিশেষ মানসিকতাত- হীনমন্যতাত ভুগিলো। তেতিয়া ভাব হ'লযে এনে কিবা এটা কৰিব লাগিব যিয়ে মোৰ হীনমন্যতাবোধ নাশ কৰে। প্ৰাসংগিকভাৱে কওঁযে মই বি.এছ.চি পঢ়া দিনৰে পৰা বঙালী আলোচনী, 'দেশ' খন পঢ়িছিলো। 'দেশত' এটা স্তম্ভ আছিল 'বিশ্ব বিজ্ঞান' লিখিছিল প্ৰখ্যাত লিখক ডাঃ সমৰজিৎ কৰে। সেই কথাতোৱেই মোক বৰ আকৰ্ষিত কৰিলে আৰু মই ঠিক কৰিলোযে ডাঃ কৰৰ দৰে ময়ো অসমীয়াত বিজ্ঞান স্তম্ভ লিখিম।

**প্ৰশ্নঃ** *প্ৰথম চোৰাত আপোনাৰ লিখামেলা ক'ত প্ৰকাশ পাইছিল?*

**ড° বিজয় কৃষ্ণ দেৱশৰ্মা ঃ** সেই সময়তে প্ৰখ্যাত লেখক ৰত্ন ওজাই মোক লিখাত উদ্‌গনি দিলে। মই ওজাদেৱক বিজ্ঞান লেখাৰ কথা কওতে তেওঁ যথেষ্ট পুলকিত হ'ল আৰু ক'লে- "বিজয় তুমি বিজ্ঞান লিখা, মই আমাৰ প্ৰতিনিধিত নিয়মীয়া স্তম্ভ কৰি উলিয়াম", সেই সময়ত আমাৰ প্ৰতিনিধিৰ সম্পাদক আছিল ঔপন্যাসিক পদ্ম বৰকটকী আৰু ৰত্ন ওজাই আলোচনীখনৰ সমন্বয়ৰক্ষী প্ৰতিনিধি হিচাপে কাম কৰিছিল। গতিকে মই ন দি কব পাৰোযে মোৰ বিজ্ঞান বিষয়ক লিখা মেলাৰ প্ৰথমতে আৰম্ভ হৈছে 'আমাৰ প্ৰতিনিধি'ৰ যোগেদি। মোৰ প্ৰথম প্ৰবন্ধ প্ৰকাশ পাইছে 'আমাৰ প্ৰতিনিধি' ৰ পাতত। অৱশ্যে তাৰ আগতে 'কটনিয়ান' ৰ দুটা সংখ্যাত একেধৰণৰ প্ৰবন্ধ প্ৰকাশ পাইছিল।

**প্ৰশ্নঃ** *আপোনাৰ প্ৰথম প্ৰবন্ধ আৰু প্ৰথম প্ৰকাশিত কিতাপখনৰ বিষয়ে ক'ব নেকি?*

**ড° বিজয় কৃষ্ণ দেৱশৰ্মা ঃ** মোৰ প্ৰথম প্ৰকাশিত কিতাপখনৰ কাহিনী গল্পৰ দৰে। সোনাৰাম হাইস্কুলত শিক্ষকতা কৰোতে, মই প্ৰথম বছৰতে দশম মানত কেইজনমান ভাল অৰ্থাৎ গণিতত ৰাপ থকা ছাত্ৰ পালো। তেওঁলোকক মই স্কুল ছুটিৰ পিছত নিজাববীয়াকৈ গণিত পঢ়াবলৈ ললো। সৌভাগ্যৰ কথাযে প্ৰৱেশিকা পৰীক্ষাত তেওঁলোকৰ তিনি চাৰিজনে গণিতত ভাল ফল দেখুৱালে লেটাৰ নম্বৰ পাই। সোনাৰাম হাইস্কুলৰ ইতিহাসত সেই সময়লৈ গণিতত লেটাৰ পোৱা নজিৰ নাছিল। এই কথাতো সেই সময়ৰ প্ৰখ্যাত শিক্ষা সঞ্চালক চুৰেশ চন্দ্ৰ ৰাজখোৱাই নজৰ কৰিলে আৰু তেওঁ তাৰবাৰ্তা যোগে প্ৰধান শিক্ষক আৰু গণিত শিক্ষকৰ শলাগ ল'লে। তেখেত ইমানতে ক্ষান্ত নাথাকি ৰাজখোৱা ছাৰে তিনি চাৰিদিন পাছত ছিলঙৰ পৰা আহি সোনাৰাম স্কুলত উপস্থিত হ'ল। সেইসময়ত স্কুললৈ ডি.পি.আই অহাতো এক পৰ্বৰ দৰে আছিল। কিন্তু ৰাজখোৱা ছাৰে স্কুলত প্ৰৱেশ কৰিয়েই প্ৰধান শিক্ষকজনক (নৰেন্দ্ৰ নাথ শৰ্মা) ক'লে-"নৰেন বাবু আপোনাৰ স্কুললৈ ডি.পি.আই অহা নাই, চুৰেশ চন্দ্ৰ ৰাজখোৱাহে আহিছে গণিত শিক্ষকজনক চাবলৈ। গতিকে বিশেষ কোনো আনুষ্ঠানিকতাৰ প্ৰয়োজন নাই"। আচলতে প্ৰধান শিক্ষক আৰু ৰাজখোৱা ছাৰ আছিল সমসাময়িক আৰু একেই বুৰঞ্জী বিষয়ৰ ছাত্ৰ কলিকতা বিশ্ববিদ্যালয়ৰ। তাৰপিছত প্ৰধান শিক্ষকে মোক মাতি পঠিয়ালে আৰু ডি. পি. আইৰ সন্মুখত উপস্থিত কৰালে। ৰাজখোৱা ছাৰে, মোক দেখিয়েই ক'লে-"অ' বিজয়, তুমি সোনাৰামত সোমাইছা সেয়ে নৰেন বাবু আপোনাৰ স্কুলৰ গণিতত এনে ভাল ফল হৈছে।" আচলতে ৰাজখোৱা ছাৰৰ লগত বি.এছ.চি পঢ়ি থকা সময়ত বিশেষ এক সংযোগৰ দ্বাৰা পৰিচয় ঘটিছিল। মই বেনাৰসৰ পৰা ইঞ্জিনিয়াৰিঙৰ অধ্যয়ন এৰি গুচি আহোতে ছাৰলৈ এখন চিঠি দিছিলো এইবুলিযে মই পোৱা চৰকাৰী বৃত্তিটো লুপ্ত নকৰি মোৰ পাছৰ (ফলাফল) অনুসৰি ছাত্ৰজনক দিব লাগে। সেই কথাটোত ৰাজখোৱা ছাৰ বৰ মোহিত হৈছিল আৰু ছাৰে আমাৰ প্ৰধান শিক্ষকজনক সেই কথাতো ক'লে। লগতে ক'লেযে আজিলৈকে কোনো ছাত্ৰই এনেধৰণৰ চিঠি আমালৈ দিয়া নাই। তাৰপিছত ছাৰে প্ৰধান শিক্ষকক কৈ মোক লগতলৈ গুচি গ'ল। গ'ল তেখেতৰ শহুৰেকৰ ঘৰ উজান বজাৰলৈ। তাত মোক বহুৱাই ছাৰে ক'লে-"বিজয়, তুমি যিদৰে স্কুলত গণিত পঢ়াইছা। তাত

*শেষাংশ ১৯ পৃষ্ঠাত*

# বৌদ্ধ যুগৰ স্মৃতিচিহ্নই মাতে ৰিঙিয়াই

**মুম্বাইৰ চিঠি**

**ড° উৎপলা কোঁৱৰ**

মুম্বাইৰ বুদ্ধ যুগৰ স্মৃতি চিহ্নই এতিয়াও ৰিঙিয়াই মাতে। ভাৰতবৰ্ষৰ বাণিজ্যিক ৰাজধানী স্বৰূপে খ্যাতি লাভ কৰা মুম্বাই এটা সময়ত বৌদ্ধ ভিক্ষু সকলৰ পবিত্ৰ স্থান আছিল বুলি বহু ঐতিহাসিক সমলে প্ৰমাণ কৰে। মহাৰাষ্ট্ৰৰ মাজমজিয়াত অজন্তা ইলোৰাৰ গুহাবিলাকে ভাৰতীয় স্থাপত্য ভাস্কৰ্য আৰু চাৰু কলাৰ চূড়ান্ত নিদৰ্শনৰ গৌৰৱ ধ্বজা যুগে যুগে বহন কৰি আহিছে। সেইদৰে গৌতম বুদ্ধৰ প্ৰাচীন চিত্ৰই সকলোকে সোঁৱৰাই দিয়ে সেই সময়ৰ বৌদ্ধ ভিক্ষু আৰু পণ্ডিতসকলৰ জ্ঞান অন্বেষণ আৰু সাধনাৰ কথা। এই মহানগৰীখন বহু পৰিবাৰ্যক তথা ভ্ৰমণকাৰীৰ কাৰণে জ্ঞান আৰু প্ৰজ্ঞান পিপাসুৰ বাবে আগবঢ়াইছে আধ্যাত্মিক বা চিৰন্তন সত্যৰ অপৰূপ সম্ভাৰ। যিবিলাকে বৌদ্ধ যুগৰ পৰা এতিয়ালৈকে সমাজলৈ অবিৰতভাৱে কঢ়িয়াই নিছে ঐতিহাসিক সত্যতা। মহান নায়ক ভীমৰাও আম্বেদকাৰৰ পূণ্য তিথিত (৬ ডিচেম্বৰ) আমি যেন মিলি যাও সেই সনাতন সত্য সৌন্দৰ্যৰ জগতত। মুম্বাইত বৌদ্ধ ধৰ্মৰ বিকাশ আৰু প্ৰভাৱ বুলিলে অতীজৰে পৰা এতিয়ালৈকে ইয়াৰ সম্বন্ধে বুজ ল'বলৈ মহাৰাষ্ট্ৰৰ অন্যতম প্ৰসিদ্ধ ঠাই কেইখনমানৰ লগতে আমি উল্লেখ কৰিব পাৰো মুম্বাইৰ পশ্চিমত থকা মহা কালী গুহা আৰু খ্যাতিসম্পন্ন সঞ্জয় গান্ধী নেশ্বনেল পাৰ্কৰ মনোৰম পটভুমিত সগৌৰৱে ধ্বজা বহন কৰি থকা কানহেৰী গুহা সমন্বিতে কেইবাটাও নতুনকৈ উদ্ধাৰ হোৱা গুহা। বৌদ্ধধৰ্মী গুহা বিলাক বৌদ্ধ ধৰ্ম, শিক্ষা সমাজ, মানৱ জাতিৰ উন্নয়নৰ বাবে ভিক্ষুসকলৰ কেন্দ্ৰভূমি আছিল বুলি ক'ব পাৰি। দুই শতিকাৰ আগতে বাঘৰ পিছে পিছে দুজন বৃটিছ নাগৰিকে দেখা পালে এক বৰ্ণনাতীত চিত্ৰ। অপৰূপ ভাস্কয্য খোচিত পাহাৰী গুহাৰ অপৰূপ ৰূপ। অবাক বিস্ময়ৰ অন্তত তেওঁলোকৰ উৎকণ্ঠাৰ অন্ত পৰিল। পুৰাতত্ব বিভাগে খনন কৰিলে গম পালে



যে এই পৰ্বতৰ বুকুত এয়া বৌদ্ধ যুগীয় কানহেৰী গুহা। লাহে লাহে উন্মোচিত বৌদ্ধ যুগীয় গুহা, বৌদ্ধ যুগীয় শৰাই আদি। অভুতপূৰ্ব স্থাপত্য কলা ভাস্কৰ্য সমৃদ্ধ চিহ্নবিলাক। কানহেৰীৰ আশে-পাশে শেহতীয়াকৈ আৰকিউলজিকেল চাৰ্ভে অৱ ইণ্ডিয়াৰ দ্বাৰা খনন কাৰ্য চলোৱা আৰু তেওঁলোকৰ উন্মোচিত দুহেজাৰ বছৰ পুৰণা সাতোটা গুহাই বুৰঞ্জীবিদ ভ্ৰমণকাৰী বা দেশী-বিদেশী পৰ্যটকক বাৰুকৈয়ে আকৰ্ষণ কৰে। মুম্বাই বিশ্ববিদ্যালয়ৰ আৰকিউলজিকেল কেন্দ্ৰই এইক্ষেত্ৰত বিশেষভাৱে দায়িত্ব পালন কৰি আহিছে। এটশা খোদিত গুহাৰ সমষ্টি 'কানহেৰী' বৰ্তমানৰ মুম্বাই মহানগৰীৰ পশ্চিমাঞ্চলৰ প্ৰাণকেন্দ্ৰ। অৰণ্যৰে ঘেৰা এই ঠাইডোখৰ এসময়ৰ চাৰ্লছেটে নামৰ সৰু দ্বীপ এটাত আছিল। এতিয়াও বৌদ্ধ যুগীয় শিলালিপি, ভাস্কৰ্য, শিলত খোদিত বহু মূল্যৱান চিত্ৰ আছে যিবিলাকক খ্ৰীষ্ট জন্মৰ আগৰ প্ৰথম শতিকাৰ পৰা খ্ৰীষ্ট জন্মৰ কেইবা শতিকালৈকে বিস্তৃত আছিল বুলি ক'ব পাৰি। মন কৰিবলগীয়া যে, গুহাবিলাকত বাৰিষাৰ পানী সংৰক্ষণ কৰিব পৰা ব্যৱস্থা আছিল আৰু ভিক্ষু সকলৰ বাবে সেই পানী ব্যৱহাৰ কৰিব পৰাৰ সুবিধা আছিল। যিবিলাক গুহাৰ পৰিধি ব্যাপক আৰু বিস্তৃত আছিল, সেইবিলাকত 'চৈত' বা প্ৰবচন সভা ৰূপেও ব্যৱহাৰ কৰা হৈছিল। অনৈক্যৰ মাজত ঐক্যতাৰে এক মহান সমাজ ব্যৱস্থাৰ চিত্ৰ পৰিস্ফুত হয় এই গুহাবিলাকত। মন কৰিবলগীয়া যে, আমাৰ সংবিধান ৰচনাত মুখ্য ভূমিকা লোৱাত ভীমৰাও আম্বেদকাৰ প্ৰভাৱান্বিত হৈছিল গৌতম বুদ্ধৰ মূল আধ্যাত্মিক সামাজিক চেতনাৰ দ্বাৰা। সেয়েহে তেখেতে বৌদ্ধ ধৰ্মত দীক্ষিত হৈছিল। বহু অনুগামীয়েও এই ধৰ্মত শৰণ লৈছিল। মুম্বাইৰ মাজমজিয়াত স্থাপিত দাদৰৰ নতুনকৈ প্ৰতিষ্ঠা হোৱা বৌদ্ধ মন্দিৰৰ কথা এই প্ৰসংগত আঙুলিয়াব পাৰি। একৈশ শতিকাৰ আন এক স্মৰণীয় স্মৃতি চিহ্ন স্থাপিত হৈছে আৰব সাগৰৰ উপকূলত সগৌৰৱে থিয় দি থকা বিপাসনা গ্ল'ৱেল পেগোডা এই সোণালী পেগোডাটি ৯৬ ফুট ওখ। ই আধুনিক ভাৰতীয় স্থাপত্য কলাৰ এক সুন্দৰ নিদৰ্শন হৈ জিলিকি আছে। বিপাসনা আৰ্ট অফ লিভিঙত যোগদান কৰিবলৈ দেশ-বিদেশৰ পৰা হাজাৰ হাজাৰ ভক্তৰ সমাৰেশ হোৱাটো এই প্ৰসংগত লক্ষণীয়।

দুই শতিকাৰ আগতে বাঘৰ পিছে পিছে দুজন বৃটিছ নাগৰিকে দেখা পালে এক বৰ্ণনাতীত চিত্ৰ। অপৰূপ ভাস্কয্য খোচিত পাহাৰী গুহাৰ অপৰূপ ৰূপ। অবাক বিস্ময়ৰ অন্তত তেওঁলোকৰ উৎকণ্ঠাৰ অন্ত পৰিল। পুৰাতত্ব বিভাগে খনন কৰিলে গম পালে যে এই পৰ্বতৰ বুকুত এয়া বৌদ্ধ যুগীয় কানহেৰী গুহা। লাহে লাহে উন্মোচিত বৌদ্ধ যুগীয় গুহা, বৌদ্ধ যুগীয় শৰাই আদি। অভুতপূৰ্ব স্থাপত্য কলা ভাস্কৰ্য সমৃদ্ধ চিহ্নবিলাক। কানহেৰীৰ আশে-পাশে শেহতীয়াকৈ আৰকিউলজিকেল চাৰ্ভে অৱ ইণ্ডিয়াৰ দ্বাৰা খনন কাৰ্য চলোৱা আৰু তেওঁলোকৰ উন্মোচিত দুহেজাৰ বছৰ পুৰণা সাতোটা গুহাই বুৰঞ্জীবিদ ভ্ৰমণকাৰী বা দেশী-বিদেশী পৰ্যটকক বাৰুকৈয়ে আকৰ্ষণ কৰে। মুম্বাই বিশ্ববিদ্যালয়ৰ আৰকিউলজিকেল কেন্দ্ৰই এইক্ষেত্ৰত বিশেষভাৱে দায়িত্ব পালন কৰি আহিছে। এটশা খোদিত গুহাৰ সমষ্টি 'কানহেৰী' বৰ্তমানৰ মুম্বাই মহানগৰীৰ পশ্চিমাঞ্চলৰ প্ৰাণকেন্দ্ৰ। অৰণ্যৰে ঘেৰা এই ঠাইডোখৰ এসময়ৰ চাৰ্লছেটে নামৰ সৰু দ্বীপ এটাত আছিল।



## সপ্তাহটোৰ ৰাশিফল

### কিৰো ইয়ং

ৰত্ন কুবেৰ জেমছ এণ্ড জুৱেলাৰী
জিএছ ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
ভ্ৰাম্যভাষ ঃ ২৫১২১০২, ৯৫৭১-১১১৭১

**মেষ ঃ** মননশীল কৰ্মত খ্যাতি লাভৰ যোগ বিদ্যমান। ব্যৱসায়ত বিনিয়োগ কৰিব পাৰে। অৱশ্যে যৌথ ব্যৱসায়ৰ বিনিয়োগৰ বিষয়ে সতৰ্ক থাকক। জমি মাটি আদি ক্ৰয় কৰাৰ কথা ভাবি চাব পাৰে। পিতাৰ আৰোগ্য লাভে আনন্দ দিব। সপ্তাহৰ প্ৰথম ভাগ নিবনুৱাৰ কাৰণে শুভ বুলি কব পৰা যায়। প্ৰেমত অথন্তৰ। সাময়িক বিচ্ছেদ হ'ব পাৰে।

**বৃষ ঃ** শিল্প ক্ষেত্ৰত থকা সকলৰ সুনাম ব-দ্ধি আৰু যোগ্যতাৰ পুৰস্কাৰ লাভ. ব্যৱসায় বাণিজ্যত মধ্যম। আৰ্থিকত বেয়া নহ'ব। কিন্তু লেন দেনত সতৰ্ক থকা ভাল হ'ব। প্ৰেমত ভাল। বন্ধুৰ দ্বাৰা উপকৃত হ'ব। চুটি ভ্ৰমণ হ'ব পাৰে। বিদ্যাত মধ্যম। সামাজিক সুনাম থাকিব। দাম্পত্যত মধ্যম। সন্তানৰ মধ্যম।

**মিথুন ঃ** নিবনুৱাৰ কাৰণে সপ্তাহটো উল্লেখযোগ্য হ'ব পাৰে। আৰ্থিকত মধ্যম। ঘৰুৱা লেঠা কিছু হ'লেও হ'ব। সন্তানৰ শাৰীৰিক অসুস্থতাৰ কাৰণে চিন্তা বৃদ্ধি হ'ব। চাকৰীয়ালৰ গতানুগতিক। সপ্তাহৰ শেষ ভাগত ফুৰা-চকাত সতৰ্ক হওঁক। যান বাহনৰ পৰা বিপদ হ'ব পাৰে। গুৰুজনৰ আশীৰ্বাদ পাব।

**কৰ্কট ঃ** মামলা মোকৰ্দমাত জড়িত হোৱাৰ আশংকা নুই কৰিব নোৱাৰি। গতিকে সাৱধান থাকক। ঘৰুৱা কিছু সমস্যা থাকিব ভ্ৰাতাৰ সৈতে মানসিক দূৰত্ব বাঢ়িব পাৰে।

**সিংহ ঃ** মাতৃৰ শাৰীৰিক অৱনতিৰ কাৰণে চিন্তা বাঢ়িব। সন্তানৰ বেমেজালিৰ কাৰণেও চিন্তা থাকিব। কিন্তু আৰ্থিক ভাল দেখা যায়। ভাই ভনীৰ পৰা যথেষ্ট সহায় লাভ কৰিব। নিবনুৱাৰ মজলীয়া। দাম্পত্যত অশান্তিৰ সাম কাটিব। কন্যা সন্তানৰ বিবাহৰ যোগ। চুটি ভ্ৰমণ হ'ব পাৰে। নতুন বন্ধু লাভ। যান বাহন ক্ৰয় বিক্ৰয় নকৰাই ভাল।

**কন্যা ঃ** ললিত কলা আদিত সুনাম বৃদ্ধি। বুদ্ধিজীৱিসকলৰ বাবে সময়চোৱা ভাল বুলি ক'ব পৰা যায়। শিল্প উদ্যোগসকলে যথেষ্ট সমস্যাৰ মাজেৰে সপ্তাহটো অতিবাহিত কৰিব লাগিব। টকা পইচাৰ ক্ষেত্ৰত বৰ অসুবিধা নহ'ব। ভ্ৰমণ ৰ'দ হ'ব পাৰে। ঘৰত আলহিৰ আগমন। কৰ্ম প্ৰাৰ্থীৰ কাৰণে মজলীয়া। প্ৰেমত ভাল দেখা যায়। প্ৰেমত প্ৰণয়ত এক প্ৰকাৰ ভাল।

**তুলা ঃ** এই সময়ছোৱাত আৱেগ নিয়ন্ত্ৰণ কৰক। কটুবাক্য নোকোৱা ভাল হ'ব। বন্ধুৰ সাহায্য পাব পাৰে। দাম্পত্যত যথাযথ। উচ্চ শিক্ষাত বাধা আতৰিব। সন্তানৰ বিবাহৰ যোগ। আয় অনুসৰি ব্যয় কৰক নহ'লে সপ্তাহৰ শেষ ভাগত অৰ্থাভাৱ হ'ব পাৰে। নতুন ঘৰ বাৰি নিৰ্মাণৰ চিন্তা কৰিব পাৰে। দাম্পত্যত বুজা পৰা ঠিকেই থাকিব।

**বৃশ্চিক ঃ** কোনো সংবাদে সাময়িক ভাৱসাম্যত প্ৰভাৱ পেলাব পাৰে। প্ৰতিযোগিতা মুলক পৰীক্ষাত সফল হোৱাৰ আশা আছে। মন কোনো আশা পূৰণ হ'ব পাৰে। চাকৰীয়ালৰ গতানুগতিক যদিও কৰ্মক্ষেত্ৰত সহকৰ্মীৰ বিৰোধিতাৰ সন্মুখীন হ'ব পাৰে। বন্ধুক সহায় কৰিব লগা হ'ব পাৰে। দাম্পত্যত শুভ। ভ্ৰমণ হ'ব পাৰে।

**ধনু ঃ** শনিৰ অশুভ প্ৰভাৱৰ কাৰণে স্বাস্থ্যৰ অৱনতি হ'ব পাৰে। স্ত্ৰীৰ স্বাস্থ্য ভাৱে নাযাব পাৰে। প্ৰয়োজনে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিব। খৰচৰ মাত্ৰা বৃদ্ধি হ'ব। নিবনুৱাৰ কাৰণে সপ্তাহটো ভাল বুলি ক'ব পৰা যায়। বিদ্যাত যত্ন প্ৰয়োজন আছে। প্ৰেমত শুভ বিবাহৰ প্ৰস্তাৱ আহিব পাৰে। বন্ধু বৰ্গৰ পৰা সহায় পাব পাৰে। চুটি ভ্ৰমণ হ'ব পাৰে।

**মকৰ ঃ** কয়লা, শিলগুটি আদি ব্যৱসায়ৰ কাৰণে ভাল বুলি ক'ব পৰা যায়। আৰু ঠিকাদাৰি ব্যাপাৰতো ভাল। কৰ্মত ভাল। সম্ভাব্য ক্ষেত্ৰত বদলি হ'ব পাৰে। কৰ্মসূত্ৰে ভ্ৰমণো হ'ব পাৰে। এই সপ্তাহৰ আদ্য ভাগত জমি মাটি আৰু যান বাহন ক্ৰয় কৰিব পাৰে। ঘৰুৱা সিমান বেয়া নহ'ব। ভ্ৰাতাৰ সৈতে সদ্ভাৱ থাকিব।

**কুম্ভ ঃ** পাৰিবাৰিক দিশতো বালেই ক'ব পৰা যায়। ব্যৱসায়ত ক্ষতি বা লোকচান হোৱাৰ আশংকা আছে। ৰাজনীতি ৰাজনীতি বিচাৰৰ সময়চোৱা জটিল হ'ব। বিৰোধিতা পূৰ্ণ পৰিবেশ নিয়ন্ত্ৰণ কৰিব লাগিব। বিশেষ কাৰণত ভ্ৰমণ ৰ'দ হ'ব পাৰে। উচ্চ শিক্ষাত বাধা আহিব পাৰে। কৰ্ম প্ৰাৰ্থীৰ কাৰণে সময়চোৱা মজলীয়া। চাকৰিয়ালৰ পদোন্নতিৰ সম্ভাৱনা আছে।

**মীন ঃ** সপ্তাহটো ভাল হোৱাৰ মাজেৰে পাৰ হ'ব। পিতা-মাতা বা কোনো নিকটাত্মীয়ৰ অসুখ বিমুখৰ কাৰণে চিন্তা বৃদ্ধি। ধনত ভাল বুলি ক'ব পৰা যায়। সামাজিক ব্যস্ততা বৃদ্ধি হ'ব। ৰাজহুৱা কৰ্মত সুনাম বৃদ্ধি। সন্তান সন্ততিৰ সাফল্যত আনন্দ দিব। ভাই ভনীৰ বিয়াবাৰুৰ কথা আগ বাঢ়িব। দূৰ ভ্ৰমণৰ যোগ আছে। নতুন বন্ধু লাভ। সপ্তাহৰ শেষ ভাগত পাবলগীয়া ধন ঘূৰাই পোৱাৰ আশা আছে। দাম্পত্যত ভাল।

# ১০ ডিচেম্বৰত মানৱ অধিকাৰ দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আয়োজিত চিত্ৰাংকন প্ৰতিযোগিতাত স্থানপ্ৰাপ্ত কেইখনমান ছবি



অনিৰুদ্ধ ঘোষ
অষ্টম শ্ৰেণী




নমান ভট্টা
পঞ্চম শ্ৰেণী



আনছাদ আলী
তৃতীয় শ্ৰেণী



ফাৰ্দিনা চাহেল
অষ্টম শ্ৰেণী



প্ৰণিতা তালুকদাৰ
সপ্তম শ্ৰেণী



অৰ্পিতা ভট্টাচাৰ্য
ষষ্ঠ শ্ৰেণী



শান্তনু দাস
চতুৰ্থ শ্ৰেণী



মানসজ্যোতি ভৰালী
ষষ্ঠ শ্ৰেণী



সাব্যসাচী ঘোষ
দ্বিতীয় শ্ৰেণী

# বিনা প্ৰতিদ্বন্দ্বিতাৰে সভাপতি নিৰ্বাচিত ৰাহুল গান্ধী

## ১৯ বছৰৰ অন্তত কংগ্ৰেছ দলত নতুন সভাপতি ঃ ১৬ ডিচেম্বৰত আনুষ্ঠানিকভাৱে দায়িত্ব গ্ৰহণ ঃ পৰৱৰ্তী লোকসভাই হ'ব গান্ধীৰ অগ্নিপৰীক্ষা



**নতুন দিল্লী ঃ** প্ৰত্যাশিতভাৱে বিনা প্ৰতিদ্বন্দ্বিতাৰে নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সভাপতি ৰূপে নিৰ্বাচিত ছ'নিয়াৰ তনয় ৰাহুল গান্ধী। উক্ত পদৰ বাবে ৮৯ খন মনোনয়ন পত্ৰ বৈধ বিবেচিত হৈছিল আৰু সেই আটাইকেইখনে আছিল ৰাহুল গান্ধীৰ হৈ দাখিল কৰা মনোনয়ন পত্ৰ। গান্ধীৰ বিৰুদ্ধে আন কোনো ব্যক্তিয়ে প্ৰতিদ্বন্দ্বিতা আগ নবঢ়োৱাত বিনা প্ৰতিদ্বন্দ্বিতাৰে উক্ত পদত অধিষ্ঠিত হয়। অৱশ্যে ১৬ ডিচেম্বৰতহে ৰাহুল গান্ধীয়ে আনুষ্ঠানিকভাৱে মাতৃ ছোনিয়া গান্ধীৰ পৰা কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব গ্ৰহণ কৰিব। বিগত ১৯ বছৰ ধৰি দলটোৰ সভাপতিৰ দায়িত্বত আছিল ছোনিয়া গান্ধী। ২০১৩ চনৰ জানুৱাৰী মাহত ৰাহুল গান্ধীক দলটোৰ উপ-সভাপতিৰ দায়িত্ব অৰ্পন কৰা হৈছিল। ইফালে উপযুক্ত নেতৃত্ব, পৰিকল্পনাৰ অভাৱত বিভিন্ন নিৰ্বাচনত মুখ থেকেচা খোৱা সৰ্বভাৰতীয় স্তৰৰ দলটোক আগুৱাই নিয়াত কি ভূমিকা গ্ৰহণ কৰে সেয়া এক উল্লেখনীয় বিষয় হৈ পৰিছে। সভাপতিৰ দায়িত্বভাৰ গ্ৰহণৰ পিছত ৰাহুল গান্ধীৰ প্ৰথম প্ৰত্যাহবানেই হ'ব ২০১৯ ৰ লোকসভা নিৰ্বাচন। কিয়নো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বাধীন বিজেপি চৰকাৰৰ সুপৰিকল্পনাত ইতিমধ্যে বিধ্বস্ত হৈছে কংগ্ৰেছ দলটো। মোডীৰ বতাহক ওফৰাই কিদৰে হাড় ভঙা কংগ্ৰেছ দলটোক পুনৰ উদ্ধাৰৰ বাবে জনপ্ৰিয় নেতা ৰাহুল গান্ধীয়ে কি ভূমিকা গ্ৰহণ কৰিব সেয়া অনাগত সময়তহে লক্ষ্যণীয় হ'ব। ইফালে চলিত সপ্তাহৰ মঙলবাৰে এখন সংবাদমেল অনুষ্ঠিত কৰি তেওঁ কয় যে, মন্দিৰ দৰ্শনত বাধা ক'ত? গুজৰাট বাসীৰ মংগল কামনা কৰিহে মই কেদাৰনাথ মন্দিৰত প্ৰৱেশ কৰিছো আৰু এয়া মোৰ প্ৰথম দৰ্শন নহয়। লগতে তেওঁ কয় যে, আচলতে কেদাৰনাথ মন্দিৰ উত্তৰ প্ৰদেশতহে। প্ৰণিধানযোগ্য যে, গুজৰাট বিধানসভাৰ নিৰ্বাচনৰ সময়ত ৰাহুল গান্ধীয়ে কেদাৰ নাথ মন্দিৰত প্ৰৱেশ কৰাক লৈ বিতৰ্কৰ সৃষ্টি কৰিছিল একাংশ বিজেপি কৰ্মীয়ে। বিজেপিক উদ্দেশ্যি ৰাহুল গান্ধীয়ে প্ৰশ্নৰ উত্থাপন কৰি কয় যে, কেদাৰনাথ মন্দিৰ আচলতে ক'ত ? যিহেতু কেদাৰনাথ মন্দিৰ গুজৰাটত নহয় সেয়ে নিৰ্বাচনৰ সময়ত বিজেপিয়ে অমূলক বিতৰ্ক কৰিছে।

সি যি কি নহওঁক কংগ্ৰেছ দলৰ পুনৰ উদ্ধাৰত দলপতি ৰাহুল গান্ধীয়ে কি ভূমিকা গ্ৰহণ কৰে অনাগত সময়ত লক্ষ্যণীয় হ'ব।

## নেপালত বাওমৰ্চাৰ চৰকাৰ গঠন



**কাঠমাণ্ডু ঃ** পোন প্ৰথমবাৰৰ বাবে ভাৰতবৰ্ষৰ চুবুৰীয়া ৰাষ্ট্ৰ নেপালত অনুষ্ঠিত হোৱা সংসদীয় নিৰ্বাচনত বাওমৰ্চাই জয়লাভ কৰিছে। ৮৯ খন আসনৰ ভিতৰত বাওমৰ্চাই ৭২ খন আসন দখল কৰিবলৈ সক্ষম হয়। প্ৰাক্তন প্ৰধানমন্ত্ৰী কে পি অলিৰ নেতৃত্বাধীন চি পি এন ইউ এম এল আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰী প্ৰচণ্ড নেতৃত্বাধীন চি পি এন মাওবাদীয়ে এই নিৰ্বাচনটোৰ জৰিয়তে চৰকাৰ গঠন কৰিবলৈ সক্ষম হয়। দেশখনত অনুষ্ঠিত প্ৰাদেশিক আৰু সংসদীয় নিৰ্বাচনত দুয়োটা দলেই মিত্ৰ পাশত আৱদ্ধ হৈছিল। শাসকীয় নেপালী কংগ্ৰেছে আজি ঘোষিত নিৰ্বাচনী ফলাফলত মাত্ৰ কমসংখ্যক আসন লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে, যোৱা ২৬ নৱেম্বৰ আৰু সাত ডিচেম্বৰত নিৰ্বাচন অনুষ্ঠিত হৈছিল দেশখনত।

## জম্মু-কাশ্মীৰত নিহত তিনি পাক সন্ত্ৰাসবাদী



**শ্ৰীনগৰ ঃ** জম্মু-কাশ্মীৰত ভাৰতীয় নিৰাপত্তাৰক্ষী আৰু পাকিস্তানী সন্ত্ৰাসবাদীৰ সংঘৰ্ষত তিনিজন পাকিস্তানী সন্ত্ৰাসবাদী নিহত হয়। দেওবাৰে ভাৰতীয় সেনাৰ এটা দলে উনিচু এলেকাত অভিযান চলাই গোপনে বাঁহৰ পাতি থকা তিনিজন সন্ত্ৰাসবাদীক ধৰাশায়ী কৰে। আন্যহাতে এজন সন্ত্ৰাসবাদীক আটক কৰিবলৈ সক্ষম হয় ভাৰতীয় সেনা।

## পিউৰ্‌ট' ৰিক'ত 'হাৰিকেন মেৰিয়া'ৰ বিভীষিকা

**পিউৰচ ৰিক' ঃ** 'হাৰিকেন মেৰিয়া' নামৰ সাগৰীয় ধুমুহাৰ ফলত পিউৰ্‌ট' ৰিক'ত মৃত্যু হোৱা লোকৰ সংখ্যা প্ৰায় ৬৪ জনলৈ বৃদ্ধি পাইছে। টি এন এন ৰ এক অনুসন্ধানৰ পিছত এই তথ্য পোহৰলৈ আহিছে। হাৰিকেন মেৰিয়াই সমগ্ৰ অঞ্চলটোত এক বিভীষিকাৰ সৃষ্টি কৰে, যাৰ ফলত বহু সংখ্যক বাসগৃহৰো যথেষ্ট ক্ষতিসাধন হয়।

## জেৰুজালেমক ইজৰাইলৰ ৰাজধানী ঘোষণাক লৈ ব্যাপক প্ৰতিবাদ




**ৱাশ্বিংটন ঃ** আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে জেৰুজালেমক ইজৰাইলৰ ৰাজধানী স্বীকৃতি দিয়াৰ লগতে আমেৰিকাৰ দূতাৱাস টেল আভিভৰ পৰা জেৰুজালেমলৈ স্থানান্তৰ কৰা হ'ব বুলি ঘোষণা কৰাৰ পিছতে সমগ্ৰ বিশ্বতে আৰম্ভ হৈছে প্ৰতিবাদৰ জোঁৱাৰ। শুকুৰবাৰে হোৱাইট হাউছৰ সন্মুখতে নামাজ পঢ়িবলৈ অহা সহস্ৰাধিক লোকে অৱস্থান ধৰ্মঘট পালন কৰাৰ লগতে ট্ৰাম্পৰ এই সিদ্ধান্তৰ বিৰুদ্ধে ক্ষোভ উজাৰে। প্ৰতিবাদকাৰীসকলে হাতত প্লে'কাৰ্ড লৈ ট্ৰাম্পৰ এনে হঠকাৰী সিদ্ধান্তক নিন্দা কৰে।

জনমুক্তি



১ পৃষ্ঠাৰ পৰা

# সাৱধান ! পি এফ আইৰ জালত ভৰি নিদিব

কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে ৰাজ্য চৰকাৰক এই প্ৰসংগত সতৰ্ক কৰি দিয়াৰ লগতে ব্লু-প্ৰিণ্ট ৰচনা কৰা এনে শক্তিৰ সংশ্লিষ্ট কৰ্মকৰ্তাৰ গতিবিধিক নিৰীক্ষণৰ বাবেও কেন্দ্ৰীয় চোৰাংচোৱাই বিশেষ গোট গঠন কৰাৰ তথ্য পোহৰলৈ আহিছে। পশ্চিম এছিয়াৰ কেইবাখনো ইছলামিক দেশত এই ব্লু-প্ৰিণ্ট ৰচনা হৈছে। পপুলাৰ ফ্ৰণ্ট অৱ ইণ্ডিয়া চমুকৈ পি এফ আই নামৰ সংগঠনটোৰ সন্দেহজনক গতিবিধিয়ে এতিয়া এই কথা অধিক স্পষ্ট কৰি তুলিছে। এন আৰ চিৰ খচৰা প্ৰকাশৰ পিছত বহু মুছলমান লোকৰ নাম বাদ পৰিব আৰু তেওঁলোক বিদেশী বুলি চিহ্নিত হ'ব। এনে এক প্ৰচাৰ চলাই এই পি এফ আই নামৰ সংগঠনটোৱে সভা-সমিতি পাতি তৎপৰতা অব্যাহত ৰাখিছে। অসমত সংগঠনটোৱে হাতীগাঁৱত কাৰ্যালয় পাতি তেওঁলোকৰ কাম-কাজ অব্যাহত ৰাখিছে। ইতিমধ্যে এই সংগঠনৰ তৰফৰ পৰা বাবৰি মছজিদ সম্পৰ্কত বিতৰ্কিত পোষ্টাৰিং কৰাৰ দৃষ্টিগোচৰ হৈছিল মহানগৰবাসীৰ। শেহতীয়াকৈ এন আৰ চি প্ৰকাশৰ পৰৱৰ্তী সময়ত অসম জলৰাজি ভয়াৱহ ব্লু-প্ৰিণ্ট ৰচনা কৰা হৈছে, তাৰ বাবে সহায় বিচাৰি পশ্চিম এছিয়াৰ কেইবাখনো দেশৰ লগত ইতিমধ্যে যোগাযোগ কৰা তথ্য পোহৰলৈ আহিছে। মন কৰিবলগীয়া যে পশ্চিম এছিয়াৰ ইৰাক,ইৰাণ, আফগানিস্তান, ছৌদি আৰৱ, ছিৰিয়া, জৰ্দান, পেলেস্তাইন আদি দেশত ইছলামিক মৌলবাদীৰ তৎপৰতা লক্ষ্যণীয়ভাৱে বৃদ্ধি পাইছে আনকি এই দেশসমূহৰ ইছলামিক মৌলবাদীৰ তৎপৰতাৱে অশান্ত কৰি তুলিছে। সেয়েহে অসমত পি এফ আইৰ কাম-কাজক লৈ সতৰ্ক দৃষ্টি ৰাখিবলৈ কেন্দ্ৰৰ গৃহ মন্ত্ৰণালয়ে ৰাজ্য চৰকাৰক সকীয়াই দিছে আৰু সেই মতে ৰাজ্যৰ আৰক্ষী প্ৰশাসনেও সংগঠনটোৰ কাম-কাজত চোকা দৃষ্টি ৰাখিছে। কেন্দ্ৰীয় চৰকাৰেও পি এফ আইৰ গতিবিধিৰ ওপৰত নজৰ দিবলৈ চোৰাংচোৱা এটা বিশেষ গোট ইতিমধ্যে গঠন কৰিছে। মন কৰিবলগীয়া যে এন আৰ চিৰ খচৰা প্ৰকাশ হ'লে নামনিৰ বহু লাখ মুছলমানৰ নাম এন আৰ চিৰ পৰা বাদ পৰিব আৰু সেয়েহে এনে লোক সকলক একগোট কৰি সমগ্ৰ প্ৰক্ৰিয়াটোক বাধাগ্ৰস্ত কৰিবলৈ এই সংগঠনটোৱে চলোৱা তৎপৰতাৰ খবৰ ইতিমধ্যে ৰাজ্যিক চোৰাংচোৱাৰ হাতত পৰিছে। মধ্য প্ৰাচ্যৰ পৰা ভাৰতক অশান্ত কৰিবলৈ এই সংগঠনটোৱে নিয়মীয়াকৈ অৰ্থ সাহায্য লাভ কৰি থকাৰ তথ্য পোহৰলৈ অহাৰ বিষয়টোৱে গৃহ মন্ত্ৰণালয়কো উদ্বিগ্ন কৰি তুলিছে। অসমত সাম্প্ৰদায়িক বিষবাষ্প বিয়পাই অশান্তিৰ সৃষ্টি কৰিবলৈ চলোৱা এনে সকলো ধৰণৰ প্ৰচেষ্টা প্ৰতিহত কৰিবলৈ সম্পূৰ্ণ সাজু হৈ উঠিছে আৰক্ষীৰ চোৰাংচোৱা। সকলো স্পৰ্শকাতৰ অঞ্চলত আৰক্ষীৰ চোৰাংচোৱাই নিৰন্তৰত চোকা নজৰ ৰাখিছে।

১ পৃষ্ঠাৰ পৰা

# খিলঞ্জীয়াৰ ওপৰত আক্ৰমণ বন্ধ কৰক ঃ অনুপ চেতিয়া

প্ৰকাশ হৈ থকাৰ মাজতে আলফা (স্বাঃ) ৰ হাতত প্ৰাণ দিব লগা হ'ল বৰডুমছা আৰক্ষী থানাৰ অন্তৰ্গত সোণজান শিমলুগুৰি গাঁৱৰ অন্তেশ্বৰ মহন্ত আৰু তেওঁৰ পুত্ৰ তথা প্ৰাক্তন আছু নেতা তৰুণ মহন্তই। দুই পিতা-পুত্ৰ সোমবাৰে সন্ধিয়া সামৰিক পোছাকত অহা তিনি-চাৰিজনীয়া আলফা (স্বাঃ) ৰ দলে ঘৰতে গুলীয়াই হত্যা কৰিছিল। পৰৱৰ্তী সময়ত এই হত্যাৰ দায়িত্ব আলফা (স্বাঃ) এ স্বীকাৰ কৰি চোৰাংচোৱাগিৰি কৰাৰ বাবে পিতা-পুত্ৰক হত্যা কৰিছিল বুলি প্ৰকাশ কৰিছিল। আলফা (স্বাঃ) ৰ তৰফৰ পৰা বিবৃতিযোগে জনোৱা মতে ভাৰতীয় দখলদাৰী বাহিনী আৰু অসম আৰক্ষীৰ হৈ তেওঁলোকে দীৰ্ঘদিন ধৰি চোৰাংচোৱাগিৰি কৰিছিল। লগতে আলফা (স্বাঃ) সদস্যৰ পৰিয়ালৰ ওচৰলৈ গৈ ৰাষ্ট্ৰ সন্ত্ৰাসৰ ভীতি প্ৰদৰ্শন আৰু ধনৰ লোভ দেখুৱাই আত্মসমৰ্পন কৰাৰ বাবে প্ৰৰোচিত কৰাৰ বাবে ইতিমধ্যে তিনিবাৰকৈ সকীয়াই দিছিল। তেওঁলোক সংশোধিত হোৱাৰ পৰিৱৰ্তে প্ৰতি বিপ্লৱী কাৰ্যকলাপ অব্যাহত ৰাখিছিল। জাতীয় মুক্তি বিপ্লৱৰ বিৰুদ্ধে চোৰাংচোৱাগিৰি কৰাসকলৰ পৃষ্ঠভূমি যিয়েই নহওঁক আলফা (স্বাঃ) এ এনে দুষ্কাৰ্যৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰিছে বুলিও বিবৃতিত উল্লেখ কৰিছে। আনকি অন্তেশ্বৰ মহন্তৰ পৰা আলফাই ধন দাবী কৰাৰ কথা অস্বীকাৰ কৰি এইক্ষেত্ৰত কাৰোবাৰ হাতত তথ্য থাকিলে ৰাজহুৱা কৰিবলৈ আহ্বান জনাইছিল। কিন্তু আলফা (স্বাঃ) ৰ তৰফৰ পৰা আগবঢ়োৱা বক্তব্য সহজভাৱে ল'ব পৰা নাই কোনেও। আনকি আলফাৰ এনে হত্যাকাণ্ডৰ বিৰুদ্ধে গৰজি উঠিছে বিভিন্ন দল-সংগঠন। সকলোৱে একেমুখে গৰিহণা দিছে আলফাৰ এনে বৰ বৰ হত্যাকাণ্ডক। ইফালে আলফাৰ সাধাৰণ সম্পাদক অনুপ চেতিয়াই খিলঞ্জীয়াৰ ওপৰত আক্ৰমণ বন্ধ কৰিবলৈ আহ্বান জনাইছে আলফা (স্বাঃ) ক। আনকি খিলঞ্জীয়াৰ ওপৰত কঠোৰ সিদ্ধান্ত লোৱাৰ পূৰ্বে পুনৰ বিবেচনা কৰিবলৈও আহ্বান জনাইছে আলফাৰ সাধাৰণ সম্পাদক গৰাকীয়ে। আৰক্ষীয়ে ইতিমধ্যে ঘটনাৰ লগত জড়িত বুলি সন্দেহ কৰি তিনি লিংকমেনক আটক কৰিছে। মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে উগ্ৰপন্থীৰ গুলীত নিহত অন্তেশ্বৰ মহন্তৰ পৰিয়াললৈ পাঁচ লাখ টকাৰ এককালীন সাহাৰ্য ঘোষণা কৰিছে আৰু উগ্ৰপন্থীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিব বুলি সকীয়াই দিছে। ং

৫ পৃষ্ঠাৰ পৰা

# লক্ষ্যভ্ৰষ্ট হৈছে নেকি স্বেচ্ছাসেৱী অনুষ্ঠান ?

জ্ঞআৰু অৰ্থ-প্ৰতিপত্তি ৰক্ষাৰ কাৰণেই স্বেচ্ছাসেৱী সংগঠন কিছুমানৰ নেতৃত্বই নিজৰ নিজৰ লবীৰ ক্ষুদ্ৰতাত সামৰি ৰাখিব পাৰেনে একোটা সংগঠনৰ মহান উদ্দেশ্য আৰু লক্ষ্যক ? মই এটা সাধাৰণ উদাহৰণলৈ আঙুলিয়াব খুজিছো অসমত বৰ্তমান সময়ত ঘটি থকা স্বেচ্ছাসেৱী অনুষ্ঠান বহুতৰ কৃপাত কি ঘটিছে- অসমৰ বাহিৰত অসমক প্ৰতিনিধিত্ব কৰিবলগীয়া প্ৰতিনিধি দল অথবা পুৰস্কাৰৰ ক্ষেত্ৰতেই হওঁক কি নৃত্যৰ, কি সাহিত্যৰ, কি খেলৰ, কি শিক্ষাৰ, কোন ক্ষেত্ৰত হেৰাফেৰি নোহোৱাকৈ আছে। মই নাম উল্লেখ নকৰিলেও আপোনালোক আটায়ে সেইবোৰ দেখি আছে শুনি আছে। যোগ্যজনতকৈ লবীভুক্ত কাৰোবাক সুবিধা প্ৰদানৰ খেল চলে। নিৰ্জে নিৰ্বাচন কৰাই হওঁক, চৰকাৰে কৰাই হওঁক, স্বেচ্ছাসেৱী অনুষ্ঠানবোৰে বিশেষ লক্ষ্য ৰাখে এটা কথালৈ যাতে তেওঁলোকৰ নিজৰ নিজৰ লবীৰ সকলে সুবিধা লাভ কৰে। ফলত কি হয় চেনেল ফিট কৰিব নজনা কোনো ভাল খেলুৱৈ অথবা ভাল নৃত্য পটিয়সী অথবা ভাল সাহিত্যিকজন বঞ্চিত হয়। এটা সংগঠনে আনটোৰ অনীতি নেদেখে কাৰণ ফটাকঠা তিতে মানে নিজৰ গালৈকে গধুৰ হ'ব, নিজৰ ক্ষেত্ৰত নিজেও যে তেনে কামেই কৰে। অৱশ্যে সুখৰ কথা যে ক্ৰমশ ঃ এনে অনুষ্ঠানবোৰৰ মাজত ঘটা অনীতি মানুহে চিনাক্ত কৰিবলৈ আৰম্ভ কৰিছে, সেয়ে তেনে অনুষ্ঠানবোৰে হেৰুৱাবলৈ ধৰিছে সামাজিক আস্থা আৰু ফলত বহু সময়ত বহু সংগঠনে দুষ্ট বুদ্ধিৰ সমগোত্ৰীয় কিছুমান মানুহৰ সমৰ্থনৰ বাহিৰে আচল অৰ্থত সমাজ বিচ্ছিন্ন ছিন্নমূল হ'বলৈ আৰম্ভ কৰিছে। সকলোতে নতুনৰ আগমণৰ বাবে প্ৰাকৃতিক নিয়মেৰেই পথ সদায়ে খোলা থাকে আৰু ই অতি গতিশীল, একেদৰে সকলো কথাৰে ভাল আৰু বেয়া ফল দুটা থকাটোও সমানে সত্য। বৰ্তমান দ্ৰুত গতিশীলতাৰ ফলত সমাজ পৰিৱৰ্তনৰ পথতো দ্ৰুত অগ্ৰসৰ হৈছে, কিন্তু নভৰা-নিশ্চিন্তাকৈ দ্ৰুত গতিত উটি-ভাঁহি গৈ যধে-মধে প্ৰয়োজনীয় অপ্ৰয়োজনীয় নতুনত্বক গ্ৰহণ কৰি নিজৰ ঐতিহ্য পৰম্পৰাৰ ঐশ্বৰ্যৰ প্ৰতিও ভাবুকি সৃষ্টি কৰিছে। ঐতিহ্য আৰু আধুনিকতাৰ বিজ্ঞানসন্মত সন্মিলনৰ চিন্তা, যি চিন্তাই প্ৰকৃত প্ৰগতি নিশ্চিত কৰে, সিও ব্যাহত হ'বলৈ ধৰিছে। সাম্প্ৰতিক সময়ৰ এনে অস্থিৰতাৰ পৰিপ্ৰেক্ষাত স্বেচ্ছাসেৱী অনুষ্ঠানৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য হ'ল কৰ্তব্য ক্ষেত্ৰ স্থিৰ আৰু নিশ্চিত কৰা আৰু তাৰ বাবে তেওঁলোকক প্ৰয়োজন আত্মবিশ্লেষণৰ। আত্ম বিশ্লেষণৰ কাৰণে আকৌ প্ৰয়োজন হ'ব আত্মসমালোচনাৰ। আত্মসমালোচনাৰে আত্মসংশোধন ঘটাব পাৰিলেহে আত্মবিবোধন ঘটিব। আত্মবোধনেৰে আত্মশুদ্ধিত উপনীত হ'ব পাৰিলেই সমাজৰ কল্যাণৰ প্ৰকৃত সূত্ৰ উদ্ধাৰ কৰিব পাৰিব। সমাজ কল্যাণৰ প্ৰকৃত মন্ত্ৰ উদ্ধাৰ কৰিব পাৰিলেই স্বেচ্ছা সেৱাৰ লক্ষ্য আৰু উদ্দেশ্য সফল হ'ব। গতিকে ব্যক্তিত্বৰহিত নেতৃত্বই শিথিল কৰা অনুষ্ঠানৰ গাঁঠি দৃঢ় কৰিবৰ হ'ল, সমাজ সেৱাত আত্মনিয়োগ কৰিবলৈ স্বেচ্ছাসেৱী অনুষ্ঠানবোৰ সচেষ্ট হ'বৰ হ'ল সততা, সত্য আৰু নিষ্ঠাৰে মানৱীয় গুণৰ বিকাশ ঘটোৱাৰ প্ৰতি। আহক ইজনে-সিজনক আমি কেৱল মানুহ হিচাপেই ভাল পাওঁ, ইজনে-সিজনৰ বাবে ভাতৃৱৎ চিন্তা কৰো, কাৰণ একে ঈশ্বৰে সন্তান- ঈশাবাস্যমিদং যৎকিঞ্চ জগত্যাগং জগত, তেনে ত্যাক্তেন ভুঞ্জীথা মা গৃধঃ কস্য সি ধ্বনম্। অৰ্থাৎ ঈশ্বৰৰ পৰাই সন্তান আমাৰ ভাতৃ-ভগ্নীসকলৰ কথাও এবাৰ ভাবো আহক, আমাক প্ৰয়োজন হোৱাখিনিহে ভোগ কৰো, ৰাহিখিনি তেওঁলোকলৈ থও।





১০ ডিচেম্বৰত মানৱ অধিকাৰ দিৱস উপলক্ষে আয়োজিত চিত্ৰাংকনৰ প্ৰতিযোগিতাৰ দৃশ্য আৰু সোঁফালে মুকলি সভাত শিল্পীসকলে সমৱেত সংগীত পৰিৱেশন কৰাৰ এক দৃশ্য।

*১৪ পৃষ্ঠাৰ পৰা*

# গণিতজ্ঞ ড° বিজয় কৃষ্ণ দেৱশৰ্মাৰ লগত

নিশ্চয় কিবা নতুনত্ব আছে। গতিকে মই ভাবিছো তুমি পঢ়োৱা পদ্ধতিখিনি আমাৰ অসমৰ গণিত শিক্ষক সকলক জনোৱা উচিত। গতিকে মই জিলাই জিলাই গণিত শিক্ষকৰ কৰ্মশালা পতাৰ ব্যৱস্থা কৰো আৰু তুমি তাত তোমাৰ গণিত শিকোৱাৰ কৌশলৰ বিষয়ে শিক্ষক সকলক কোৱা সেইখিনি লিখিতভাৱে মোক দিব লাগিব।"

তাতেই আৰম্ভ হয় গণিত শিক্ষকৰ প্ৰশিক্ষণৰ (১৯৬১) আদিপৰ্ব। সেইমতে মই ছাৰক সন্তুষ্ট কৰিলো আৰু তিনিবছৰ ধৰি সমগ্ৰ অসমতে জিলাই জিলাই গণিত শিক্ষণৰ ওপৰত বক্তৃতা প্ৰদান কৰিলো। তাৰপিছত ছাৰে আগেয়ে কোৱা কথামতে বক্তৃতা বিলাকৰ পাণ্ডুলিপি খুজিলে আৰু ময়ো একান্ত বাধ্যছাত্ৰৰ দৰে লিখিথৈ যোৱা বক্তৃতাৰ পাণ্ডুলিপি ছাৰৰ হাতত তুলি দিলো। আৰু ছাৰে মোক লগতলৈ 'লয়াৰ্ছ বুক ষ্টল' আছিল বিচিত্ৰ নাৰায়ণ দত্ত বৰুৱা। ৰাজখোৱা ছাৰে দত্ত বৰুৱাক ক'লে-"ছাৰ, এই সৰু ল'ৰাজনে এখন ভাল কিতাপ লিখিছে, কামত অহা কিতাপ, আপুনি প্ৰকাশ কৰি উলিয়াব লাগে।" দত্ত বৰুৱাইয়ো বিনাদ্বিধাই পাণ্ডুলিপিখন হাততলৈ প্ৰকাশৰ দায়িত্ব ল'লে। আৰু সেয়ে মোৰ প্ৰথম প্ৰকাশিত গ্ৰন্থ - 'অংকৰ প্ৰশিক্ষণ প্ৰণালী', গণিত শিকোৱা সম্পৰ্কে শিক্ষকৰ বাবে এখন হাতপুথি।

**প্ৰশ্নঃ** *প্ৰথম কিতাপখন প্ৰকাশিত হওঁতে আপোনাৰ কেনে অনুভৱ হৈছিল?*

**ড° বিজয় কৃষ্ণ দেৱশৰ্মা ঃ** অংকৰ প্ৰশিক্ষণ প্ৰণালী প্ৰকাশৰ পিছত মোৰ কেনেকোৱা অনুভৱ হৈছিল তাক ভাষাৰে প্ৰকাশ কৰা টান। যেতিয়া কিতাপখন ডি.পি. আই ৰাজখোৱা ছাৰে সমগ্ৰ সংস্কৰণটো কিনিলৈ অসমৰ স্কুলে, স্কুলে বিতৰণ কৰিছিল, তেতিয়া বহুতো স্কুলৰ গণিত শিক্ষকৰ পৰা প্ৰশংসা সূচক চিঠি পাইছিলো। আৰু ইয়ে মোৰ বিজ্ঞান লিখাত উদ্বুদ্ধ কৰিছিল।

**প্ৰশ্নঃ** *দুকুৰিৰো অধিক কিতাপ আৰু পাঁচহেজাৰৰো অধিক লিখনি আপোনাৰ প্ৰকাশিত হৈছে। বিজ্ঞানৰ লিখামেলা কৰাত আপুনি কেনেধৰণৰ অসুবিধাৰ সন্মুখীন হৈছিল?*

**ড° বিজয় কৃষ্ণ দেৱশৰ্মা ঃ** মই ইতিমধ্যে প্ৰকাশ কৰিছোযে অসমত বিজ্ঞান লিখাৰ আৰম্ভণি (ধাৰাবাহিকভাৱে) তেনেই চালুকীয়া। গতিকে পাঠকৰ সমাদৰ লগাৰ জোখাৰে পোৱাটো টান হৈছিল। কোনো কোনোৱে আকৌ ভেঙুচালি কৰি সাহিত্যিক হোৱাৰ বাসনা পূৰণৰ প্ৰকাশ বুলি মোক ঠাট্টাও কৰিছিল। তথাপিও পদ্ম বৰকটকী, ৰত্ন ওজা, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য (ৰামধেনুৰ সম্পাদক), দীননাথ শৰ্মা (আবাহনৰ সম্পাদক), কীৰ্তিনাথ হাজৰিকা (দৈনিক অসমৰ প্ৰথম সম্পাদক), চন্দ্ৰপ্ৰসাদ শইকীয়া (অসম বাতৰিৰ সম্পাদক), অধ্যাপক মহেন্দ্ৰ নাথ বৰা (মণিদ্বীপৰ সম্পাদক) আৰু প্ৰখ্যাত কবি নৱকান্ত বৰুৱা (জোনবাইৰ সম্পাদক) আদি ব্যক্তিসকলৰ উদ্‌গনিয়ে মোক বিজ্ঞান লিখনি চলাই যাবলৈ অফুৰন্ত সাহস দিছিল।

**প্ৰশ্নঃ** *বিজ্ঞান লিখামেলা কৰাত বৰ্তমানৰ পৰিৱেশ, আপুনি আৰম্ভ কৰা সেই সময়ৰ পৰিৱেশৰ কিবা পৰিৱৰ্তন হৈছে নেকি?*

**ড° বিজয় কৃষ্ণ দেৱশৰ্মা ঃ** এৰা, সম্প্ৰতি বিজ্ঞান লিখামেলাৰ ক্ষেত্ৰত আগৰ তুলনাত পৰিৱেশৰ পৰিৱৰ্তন বহুতো হৈছে। ইয়াৰ কাৰণ অৱশ্যে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰয়োভৱে আমাৰ দৈনন্দিন তথা সামগ্ৰিক জীৱন ভৰাই তুলিছে। সেয়ে বৰ্তমান সমাজত বিজ্ঞান মানসিকতাৰ পৰিৱেশ আগৰ তুলনাত বহুতো বাঢ়িছে। তাতোকৈ ডাঙৰ কথা হ'ল সম্প্ৰতি বিজ্ঞান লিখনি পঢ়াৰ প্ৰতি পাঠকৰ ধাউতি বহুত বাঢ়িছে। এতিয়া ছাত্ৰ-ছাত্ৰীৰ পৰা বহুতো বয়সীয়া মানুহলৈ বিজ্ঞান বিষয়ক লিখনিৰ প্ৰতি আকৰ্ষণ বাঢ়ি আহিছে। আচলতে এতিয়া আমি বিজ্ঞানময় পৰিৱেশ এটাৰ মাজত বাস কৰিছো।

**প্ৰশ্নঃ** *আপুনি এগৰাকী গণিতৰ শিক্ষক হিচাপে আগৰ পাঠ্যক্ৰমৰ লগত বৰ্তমানৰ প্ৰচলিত পাঠ্যক্ৰমৰ কিবা পৰিৱৰ্তন লক্ষ্য কৰিছেনে? এই পৰিৱৰ্তিত পাঠ্যক্ৰমে গণিত শিক্ষাত সহায়ক হয় বুলি আপোনি ভাবেনে?*

*আৰু*

*ছাত্ৰ-ছাত্ৰীৰ মনৰ পৰা গণিত-ভীতি আঁতৰ কৰিবলৈ শিক্ষকসকলক আপুনি কিবা পৰামৰ্শ দিব নেকি?*

**ড° বিজয় কৃষ্ণ দেৱশৰ্মা ঃ** সচা কবলাগিলে গণিতৰ পাঠ্যক্ৰম আমি পঢ়া সময়ৰ তুলনাত এতিয়াৰ পাঠ্যক্ৰম বহুতো সলনি হৈছে। ইয়াৰ কাৰণ হ'ল সমগ্ৰ পৃথিৱীতে আধুনিক গণিতৰ আৰম্ভণ প্ৰায় ৬০ৰ দশকৰ পৰা। এতিয়াৰ গণিত স্বতঃসিদ্ধ প্ৰণোদিত (Axiomatic) এই নতুন গণিতৰ ভাষা হ'ল- Set Theory অৰ্থাৎ সংহতি তত্ত্ব। এনে গণিতৰ সহায়তে আধুনিক প্ৰযুক্তিবিদ্যাৰ প্ৰগতি প্ৰতিষ্ঠিত হৈছে। কিন্তু তথাপি দুখৰ বিষয়যে আমাৰ ইয়াত (সমগ্ৰ ভাৰতত) গণিত ভীতি প্ৰৱাহিত হৈ আছে পৰম্পৰাগতভাৱে। অথচ গণিত নহ'লে আধুনিক জীৱন তেনেই অচল হৈ পৰিব। আমাৰ মানুহে বিশেষকৈ অভিভাৱকসকলে এতিয়াও বুজি উঠা নাইযে "গণিত সৰ্বত্ৰ বিদ্যমান"- ৰান্ধনি ঘৰৰ পৰা প্ৰয়োগশালালৈ, জীৱন চলোৱাৰ পৰা প্ৰশাসনলৈ সকলোতে গাণিতিক বিশ্লেষণৰ প্ৰয়োজন হয়। সেয়ে মই আমাৰ শিক্ষক সকলক পৰামৰ্শ দিব খুজো যাতে গণিত শিকাওতে অকল বিষয়ভিত্তিক শিক্ষণতে আৱদ্ধ নাথাকি, গণিতৰ ব্যৱহাৰিক বা প্ৰায়োগিক দিশটোৰ প্ৰতি সচেতন হৈ ছাত্ৰ-ছাত্ৰীক সেইমতে পাঠ প্ৰদান কৰেযেন। যিকোনো এটা পাঠ পঢ়াবলৈ লওতে পাঠটোৰ উদ্দেশ্য আৰু তাৰ ব্যৱহাৰিক দিশটো ছাত্ৰ-ছাত্ৰীক বুজাই দিলে পাঠটো আকৰ্ষণীয় হ'ব আৰু তাৰ প্ৰতি থকা ভয় আঁতৰি যাব।

**প্ৰশ্নঃ** *আপুনি বিজ্ঞান জনপ্ৰিয়কৰণৰ ৰাষ্ট্ৰীয় বঁটা পাওতা ব্যক্তি। অসমত বৰ্তমান সময়ত বিজ্ঞান শিক্ষাৰ প্ৰসাৰৰ বাবে কৰা কামবোৰক যথেষ্ট বুলি ভাবেনে? যদি যথেষ্ট নহয়, কি কৰাৰ পৰামৰ্শ দিয়ে?*

**ড° বিজয় কৃষ্ণ দেৱশৰ্মা ঃ** বিজ্ঞান শিক্ষা প্ৰসাৰৰ ক্ষেত্ৰত আমাৰ ইয়াত লগাৰ জোখাৰে প্ৰচেষ্টা হাতত লোৱা হোৱা নাই। আমি জনা উচিত বিজ্ঞান শিক্ষা কেৱল তাত্ত্বিক দিশত শিকালেই নহ'ব। বিজ্ঞান শিক্ষা হাতে কামে কৰি শিকাৰ কথা, গতিকে সৰু শ্ৰেণীৰ পৰাই বিজ্ঞানৰ প্ৰয়োগশালাৰ ব্যৱস্থা থকা উচিত। এতিয়া, এনে কথাও শুনা যায়যে বৰ্তমান ওপৰ শ্ৰেণীতে বিশেষকৈ একাদশ, দ্বাদশ শ্ৰেণীত বিজ্ঞান শিক্ষাত প্ৰয়োগশালা কমকে ব্যৱহাৰ কৰা হয়। যাৰবাবেই আমাৰ বিজ্ঞান শিক্ষাৰ মূল উদ্দেশ্য প্ৰতিফলিত হোৱা নাই আৰু মূৰকত আমি বিজ্ঞানী উলিওৱাত ব্যৰ্থ হৈছো।

**প্ৰশ্নঃ** *১৯৬৯ চনত মানুহে চন্দ্ৰত অৱতৰন কৰা সময়তে আপুনি চন্দ্ৰ অভিযানৰ ওপৰত প্ৰথম কল্পবিজ্ঞান পুথি লিখিছিল, তাৰ উদ্দেশ্য কি আছিল?*

**ড° বিজয় কৃষ্ণ দেৱশৰ্মা ঃ** আমেৰিকাই যেতিয়াই চন্দ্ৰলৈ অভিযান আৰম্ভ কৰিলে তেতিয়া মই নিজে পুলকিত হলো আৰু লগতে আমাৰ ছাত্ৰ-ছাত্ৰীসকলক সেই বিষয়ে জনাবৰ বাবে এক বিশেষ ইচ্ছা প্ৰকাশ কৰিলো। সেয়ে মই পৰিকল্পনা কৰিলোযে নীল আমষ্ট্ৰংহত গৈ থাকোতে সেই বিষয়ক তথ্য জ্ঞান মই প্ৰকাশ কৰিম আৰু তেওঁলোক ঘূৰি আহি পাওতে সেই লিখা সম্পূৰ্ণ কৰিম। সেইমতে কাম কৰিলো, মই সফলো হ'লো আৰু প্ৰায় তিনিমাহৰ মূৰত 'চন্দ্ৰলোকত প্ৰথম মানুহ' তৈয়াৰ হ'ল।

**প্ৰশ্নঃ** *অসমৰ বৰ্তমান বিজ্ঞান শিক্ষাই সমাজত বৈজ্ঞানিক মানসিকতাৰ বিকাশত সহায় কৰিছে বুলি ভাবেনে?*

**ড° বিজয় কৃষ্ণ দেৱশৰ্মা ঃ** একে এষাৰত ক'বলৈ হ'লে আমাৰ বৰ্তমান বিজ্ঞান শিক্ষাৰ সমাজত বিজ্ঞান মানসিকতাৰ পৰিৱেশ সৃষ্টি কৰিব পৰা নাই। ইয়াৰ কাৰণ মই এইমাত্ৰ উল্লেখ কৰা দোষ-দুষ্ট বিজ্ঞান শিক্ষা প্ৰণালী। বিজ্ঞান মানসিকতা তৈয়াৰ কৰিবলৈ হ'লে বিজ্ঞানৰ আঁৰৰ কথাবোৰ উপলব্ধ হব লাগিব আৰু ই সমাজত কিদৰে অন্তৰ্নিহিতশক্তি হিচাপে কাম কৰিছে বুজিব লাগিব।

**প্ৰশ্নঃ** *গড়ঁ হত্যা, ডাইনী হত্যাকে ধৰি অন্ধবিশ্বাস বৰ্তমানে দ্ৰুতগতিত বাঢ়ি গৈছে। এইবিলাক নিৰ্মূলকৰণত বিজ্ঞান কৰ্মী সকলৰ কেনে ভূমিকা হোৱা উচিত বুলি ভাৱে?*

**ড° বিজয় কৃষ্ণ দেৱশৰ্মা ঃ** যিকোনো সমাজতে অন্ধবিশ্বাস প্ৰচলিত হৈ থাকে বিজ্ঞান মানসিকতাৰ অভাৱত। মানৰ সমাজ আৰম্ভ হোৱা দিনৰে পৰা সমাজত বিশ্বাস আৰু অন্ধবিশ্বাস সমভাৱে প্ৰচলিত হৈ আহিছে। যি বিশ্বাসৰ হেতু নাই তাকেই অন্ধবিশ্বাস বুলি কব পাৰি। আচলতে আমাৰ সমাজৰ অধিকাংশলোকে কাৰ্য-কাৰণৰ মাজত থকা সম্বন্ধ বিচাৰি নাচাই। আৰু সেইকাৰণেই পৰম্পৰাগত বিশ্বাসৰ আশ্ৰয়লৈ অন্ধবিশ্বাসৰ বলি হয়। গতিকে এনে অন্ধবিশ্বাস আঁতৰ কৰিবলৈ হ'লে আমাৰ, বিজ্ঞান-কৰ্মী সকলে যিকোনো কাৰ্যৰেই আঁৰত থকা কাৰণবোৰ উদঙাই জনসমাজত প্ৰদৰ্শন কৰিব লাগিব। লগতেই তেনেকোৱা বিশ্বাস, অন্ধবিশ্বাসলৈ পৰিণত হয় তাৰ হেতু ব্যাখ্যা কৰি সমাজক বুজাই দিব লাগিব। অন্ধবিশ্বাস শতকৰা ১০০ ভাগ নিৰ্মূল কৰাতো অসম্ভৱ। কাৰণ আমাৰ সমাজত এতিয়াও শিক্ষাই এশভাগ ভাৱে প্ৰসাৰিত হোৱা নাই। শিক্ষাৰ অভাৱতে অন্ধবিশ্বাস যুগে যুগে প্ৰচলিত হৈ আহিছে যদিও এচাম শিক্ষিত মানুহেও পৰম্পৰাৰ দোহাই দি বিশেষ কোনো চিন্তা নকৰাকৈ অন্ধবিশ্বাস মানি আহিছে।

**প্ৰশ্নঃ** *বিজ্ঞান জনপ্ৰিয়কৰণৰ ক্ষেত্ৰত আপোনাৰ ভৱিষ্যত পৰিকল্পনা কি?*

**ড° বিজয় কৃষ্ণ দেৱশৰ্মা ঃ** বিজ্ঞান জনপ্ৰিয়কৰণৰ কাৰণে আমাৰ বিজ্ঞান কৰ্মী সকলে তথা অসমত থকা বিজ্ঞান সমিতিবোৰে আনুষ্ঠানিকভাৱে কিছুমান কাম লব লাগিব। বিশেষকৈ কি পৰিস্থিতিত অন্ধবিশ্বাস আৰম্ভ হয় আৰু কিদৰে সমাজখন তাৰ বলি হয় এনে কথাবোৰ আমাৰ বিজ্ঞানকৰ্মী সকেল ৰাইজক বুজাই দিয়ক এইয়ে মোৰ বিশেষ অনুৰোধ। বিজ্ঞান জনপ্ৰিয়কৰণ ব্যক্তিগতভাৱে কোনো এজনে সম্পূৰ্ণ কৰিব নোৱাৰে। ইয়াত লাগিব বিজ্ঞান কৰ্মীৰ সংগবদ্ধ প্ৰচেষ্টা। তদুপৰি আমাৰ বিজ্ঞান কৰ্মীসকলে ব্যৱহাৰিক জীৱনত কিদৰে বিজ্ঞান বা বিজ্ঞানৰ তাৎপৰ্য্য প্ৰভাৱিত হৈ আছে তাক সৰ্বসাধাৰণক উদঙাই বুজাই দিয়ক।

**প্ৰশ্নঃ** *চাৰিকুৰি এবছৰৰ দেওনাত ভৰি দিয়াৰ পাছতো আপুনি এগৰাকী উদ্যমী যুৱকৰ দৰে কৰ্ম কৰি আছে? ইয়াৰ ৰহস্য জনাব নেকি?*

**ড° বিজয় কৃষ্ণ দেৱশৰ্মা ঃ** যিকোনো কাম এটা ব্যক্তি এজনৰ বাবে যেতিয়া অভ্যাসত পৰিণত হয় তেতিয়া তাক এৰাটো টান। বয়সেও অভ্যাস সলনি কৰিব নোৱাৰে। আমাৰ এটা সুন্দৰ ফকৰা আছে-

"চোৰে নেৰে চোৰ বৃত্তি, কুকুৰে নেৰে ছাই।

যাৰ যি স্বভাৱ, মৰিলেহে লগত যাই।।"

গতিকে মোৰ বয়স হৈছে সেই কথাতো মই অনুভৱ নকৰো। মই সদায় ভাবো ক'ত কেতিয়া লিখা এটা দিব লাগে।

**প্ৰশ্নঃ** *শেষত, আমি জানিব পাৰিছোযে শোণিতপুৰ জিলাৰ বিশ্বনাথ চাৰিআলিস্থিত অসম তথা উত্তৰ-পূৰ্বাঞ্চলতে একমাত্ৰ শিশুৰ মাজত বিজ্ঞান মানসিকতাৰ গঢ় দিবলৈ বিশিষ্ট বিজ্ঞান লিখক ক্ষীৰধৰ বৰুৱাই ২০০১ চনত স্থাপন কৰা-'আকাশঃ শিশু বিজ্ঞান অনুষ্ঠানৰ' ৰ আপুনি এজন অন্যতম উপদেষ্টা। এই অনুষ্ঠানৰ লগত সুদীৰ্ঘকাল জড়িত থাকি আপোনাৰ অনুভৱ কেনে জানিব বিচাৰো।*

**ড° বিজয় কৃষ্ণ দেৱশৰ্মা ঃ** আকাশৰ লগত মোৰ সাহচৰ্য সাৱলীল বুলি কব পাৰি। ক্ষীৰধৰ বৰুৱাই এই অনুষ্ঠান পাতোতে মোৰ সৈতে আলোচনা কৰিছিল আৰু মই পাৰ্যমানে সহায় কৰিম বুলি প্ৰতিশ্ৰুতিও দিছিলো। আচলতে এনেধৰণৰ শিশুৰ বাবে বিজ্ঞানৰ অনুষ্ঠান আমাৰ মাজত অতিকৈ প্ৰয়োজন আছে। শিশুসকলক আমি বিজ্ঞানমনা কৰি তুলিব পাৰিলেহে আমাৰ সমাজত আমি নতুন বিজ্ঞানীৰ সন্ধান লাভ কৰিব পাৰিম। আমাৰ ভাৰতবৰ্ষৰদৰে এখন বিশাল দেশত চি. ভি. ৰামণৰ পাছত নোবেল বঁটা লাভ কৰা এগৰাকী বিজ্ঞানী নোলোৱাতো অতি পৰিতাপৰ কথা। গতিকে মোৰ কামনা আকাশৰ দৰে শিশু বিজ্ঞান অনুষ্ঠান আৰু গঢ় লওক আৰু আমাৰ শিশুসকলক বিজ্ঞান মানসিকতাৰে পুষ্ট কৰিবলৈ প্ৰেৰণা যোগাওক।

ম'বাইল নং ঃ ৯৮৬৪৩-৬৬১৬১,

email: ripunjaybordoloi@gmail.com

(লিখকে ২০১৩ বৰ্ষত ***পৰ্যাবৰণ মিত্ৰ শ্ৰেষ্ঠ শিক্ষক***ৰ বটা ভাৰত চৰকাৰৰ পৰিৱেশ শিক্ষা কেন্দ্ৰৰ উত্তৰ পূবৰ শাখাৰ পৰা লাভ কৰিছে। তেখেতক এই বটা বিদ্যালয়ত বিজ্ঞান আৰু পৰিৱেশ শিক্ষাক পাঠ্যক্ৰম অন্তৰ্গত আৰু সহপাঠ্যক্ৰমৰ ক্ষেত্ৰত লাভ কৰা সফলতাৰ বাবে প্ৰদান কৰা হৈছে।)

৬ পৃষ্ঠাৰ পৰা

# শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তন

বছৰত দুবাৰ নিযুক্তি দিয়া হয় কোনো কেন্দ্ৰীয় শিল্প কাৰখানাত।

ওপৰত উল্লেখ কৰাৰ উপৰি কলা বিষয়ক আৰু বৃত্তিমুখী বহুতো পাঠ্যক্ৰম আছে যাৰ দ্বাৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব পাৰে। উদাহৰণত ঃ নতুন দিল্লীত ছাত্ৰীৰ বাবে আই টি আই আছে য'ত এবছৰীয়া চাৰ্টিফিকেট পাঠ্যক্ৰম দিয়া হয় সৌন্দৰ্য চৰ্চা আৰু পোছাক প্ৰস্তুতকৰণত। তাত প্ৰশাধন তত্ত্বৰ তিনি মহীয়া পাঠ, ভ্ৰমণ প্ৰতিনিধিৰ বাবে এবছৰীয়াপাঠ, ঘৰৰ আভ্যন্তৰীণ সাজ-সজ্জা বিষয়ক এবছৰীয়া পাঠ দিয়া হয়। একেদৰে মুম্বাইতো আছে এনে অনুষ্ঠান। ইয়াৰ উপৰি আহমেদাবাদ, হুবলী, বাংগালুৰু , কালিকট, ত্ৰিশূৰ, ত্ৰিবান্দ্ৰম, ভুপাল, লক্ষ্ণৌ, আলিগড় আৰু কলকাতাত এনে অনুষ্ঠান আছে। আমাৰ অসমৰ শিক্ষা বিভাগে এই দিশতো পদক্ষেপ ল'ব পাৰে, মানে লোৱাটো সমীচীন হ'ব।

আমাৰ দেশৰ বহু ঠাইত বিমান চালকৰ প্ৰশিক্ষণ দিয়া কেন্দ্ৰ, নৌবাহিনীৰ ভিন ভিন দিশত প্ৰশিক্ষণ দিয়া কেন্দ্ৰ, আৰক্ষী বিভাগত নিযুক্তি, সৈন্য বাহিনীত নিযুক্তিকৰণৰ সুবিধা আছে হাইস্কুল শিক্ষান্ত পৰীক্ষা পাছ কৰাসকলৰ বাবে। এনে তথ্য আমি আমাৰ ছাত্ৰ-ছাত্ৰীক, বিশেষকৈ গ্ৰামাঞ্চলত বাস কৰাসকলক তথ্য সেৱা কেন্দ্ৰযোগে অৱগত কৰা উচিত। সেয়ে কওঁ আমাৰ শিক্ষা বিভাগে অভিযান্ত্ৰিক আৰু চিকিৎসা মহাবিদ্যালয় স্থাপন কৰাৰ আৰ্হিৰে উচ্চ শিক্ষা আহৰণ নকৰা বা কৰিব নোৱাৰাসকলৰ বাবেও আমি উল্লেখ কৰা ধৰণে শিক্ষা কেন্দ্ৰ আদি স্থাপন কৰাৰ দিহা কৰক। তেতিয়াহে গণতান্ত্ৰিক ব্যৱস্থা ত জনকল্যাণমূলক আঁচনি ৰূপায়ণ সাৰ্থক হ'ব।

(লেখক উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয়ৰ মহাবিদ্যালয় উন্নয়ন পৰিষদৰ প্ৰাক্তন সঞ্চালক) ফোন ঃ ৯৪৩৫১৪৬৭৬৯

৬ পৃষ্ঠাৰ পৰা

# চৈত্যভূমি ঃ ড° ভীমৰাও..

সেইবাবেই চৈত্যভূমি স্মৃতিচিহ্ন বৌধ বিহাৰৰ আৰ্হিৰে নিৰ্মিত। স্তুপত ভীক্ষু সকলৰ বাবে জিৰণিৰ ঠাই আছে। ১৯৭১ চনৰ ৫ ডিচেম্বৰত আম্বেদকাৰৰ বোৱাৰীয়েক মীৰা বাঈ আম্বেদকাৰে চৈত্যভূমি উদ্বোধন কৰিছিল। জানিব পৰা মতে বিগত পঞ্চাশ বছৰত ভাৰতৰ দুজন প্ৰধানমন্ত্ৰীয়ে চৈত্যভূমিলৈ আহি এইগৰাকী বিশিষ্ট সমাজ সংগঠক আৰু আইনজ্ঞ ড° ভীমৰাও আম্বেদকাৰলৈ শ্ৰদ্ধা নিবেদন কৰিছিল। প্ৰথমগৰাকী আছিল পূৰ্বৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী যি ১৯৭৫-১৯৮০ চনৰ নিৰ্বাচনী প্ৰচাৰৰ সময়ত চৈত্যভূমিলৈ আহিছিল আৰু দ্বিতীয়জন হৈছে বৰ্তমানৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী। আম্বেদকাৰ আৰু স্মৃতিচিহ্ন চৈত্যভূমিৰ কথা সংক্ষিপ্ততে লিখি যাওতে বাবা চাহেবে ১৯৫০ চনত সংবিধান সভাত উত্থাপন কৰা বাক্যশাৰী বাৰে বাৰে মনলৈ আহিছে "আমি নিশ্চয়কৈ গণৰাজ্য লাভ কৰিম কিন্তু আমাৰ স্বাধীনতাৰ স্বৰূপ কি হ'ব? সঁচা আজি সাতটা দশকৰ পিছতো আমি ইয়াৰ এটা সঠিক উত্তৰ পাইছোনে। ফোন - ৯৯২০০৫৬৪৬৫

## বীৰাংগনা হৈ নাৰী নিৰ্যাতনৰ বিৰুদ্ধে থিয় দিয়ক

**মনীষা শৰ্মা**

অপ্ৰিয় হ'লেও সত্য আজি একৈশ শতিকাতো আমাৰ সমাজত নাৰী সুৰক্ষিত নহয়। যিখন দেশত নাৰীক দেৱী দুৰ্গা, লক্ষ্মী, সৰস্বতী, কালীৰূপে পূজা কৰা হয় সেইখন দেশতে নাৰী নিৰ্যাতনৰ ঘটনা দিনক দিনে বৃদ্ধি পাইছে। মৃন্ময় নাৰী মূৰ্ত্তিক এফালে দেৱী হিচাপে পূজা কৰা হয়, অন্যহাতে একে সময়তে কিয় নাৰী ধৰ্ষণ, হত্যাৰ চিকাৰ হয়? ধৰ্ষণৰ বলি হোৱাগৰাকীও জানো কোনোবা পুৰুষৰ ভনী, পত্নী, মা নহয়? সমাজত পুৰুষসকলৰ সকলোৰে বাই-ভনী অথবা পত্নী আছে। তথাপিও এচাম পুৰুষ লিপ্ত হয় হত্যা-ধৰ্ষণত। নাৰী বা পুৰুষে পৰস্পৰ অবিহনে জীয়াই থাকিব নোৱাৰে। সমাজত যিবোৰ নাৰী হত্যা, ধৰ্ষণ, যৌতুকৰ বলি হৈছে তাৰ বাবে নাৰীসকলো ক'ৰবাত দায়ী নহয় জানো? আমাৰ এচাম নাৰীয়ে পশ্চিমৰ দোহাই দি অনবৰতে মুক্ত আৰু আধুনিকতাৰ কথা কয়। বহুতো নামী-দামী কোম্পানীয়ে প্ৰস্তুত কৰি বজাৰলৈ মেলি দিয়া নগ্নতা ঢাক নোখোৱা ডিজাইনাৰ চুটি চুটি সাজপাৰ পিন্ধাটো জানো শুভ লক্ষণ? আজি আমাৰ নাৰীসকলে সজাগ হ'বলগীয়া সময়ো আহি পৰিছে। যদিও নাৰীক দেৱী ৰূপত পূজা কৰা হয় কিন্তু বিভিন্ন সময়ত বিভিন্ন বয়সৰ মহিলাও নানা অসৎ ব্যক্তিৰ হাতত নিৰ্যাতিতা হ'বলগীয়া হোৱাৰ বাতৰি বিভিন্ন সময়ত দেখিবলৈ শুনিবলৈ পাওঁ। এই বিষয়ে সচেতন হোৱাৰ প্ৰয়োজন বুলি আমি ভাবোঁ।

৮ পৃষ্ঠাৰ পৰা

# অসম সাহিত্য সভাৰ নিৰ্বাচন

৩) দশম ছেদৰ ৩৩ক, ৩৩খ সংশোধন হ'ব লাগে সেই কেইটা দফাত বিসংগতি আছে।

**সভাপতি নিৰ্বাচন সম্পৰ্কে পৰামৰ্শ**

সভাৰ ইতিহাস অধ্যয়ন কৰিলে দেখা যায় সভাৰ সভাপতি আৰু প্ৰধান সম্পাদকজনক এজন ৰাজনীতিক ব্যক্তিতকৈ অধিক শ্ৰদ্ধা প্ৰদৰ্শন কৰে ৰাইজে। আমাৰ হাতত থকা তথ্যমতে স্বাশ্ৰয়ী, গুণান্বিত, গৱেষক পণ্ডিত সকলকেই শাখাসমূহে নাম প্ৰস্তাৱ কৰি আহিছিল। কিন্তু এই ব্যৱস্থাৰ সুবিধা লৈ পৰৱৰ্তী কালত দুই এখন শাখাই সংশ্লিষ্ট গাঁওখনৰ গাঁওবুঢ়াজনৰ নামো তালিকাত অৰ্ন্তভুক্ত কৰিলে। আজিৰ নিয়মাৱলীত এই সুৰুঙা আছে। ততালিকে পৰৱৰ্তী সংশোধনী বৈঠকত নামবোৰ শাখা সভাৰ পৰা আহ্বান নকৰি নাম সন্নিবিষ্ট তালিকা শাখালৈ পঠিয়াব লাগে। কলিয়াবৰত সংশোধিত নিয়মাৱলীত পুনৰ একে ব্যৱস্থা কৰাত এই বৰ্যত শাখা সভা সমূহ বিমোৰত পৰিছে আৰু গাঁৱৰ গাঁবুঢ়াৰ নাম অহাৰ বাটো মুকলি হৈ আছে।

একাদশ ছেদৰ নিৰ্বাচন বিধিসমূহ নিলগাই অৰ্থাৎ প্ৰস্তাৱ আহ্বান কৰা অংশ। এই অংশই সভাৰ মৰ্যাদা হানি কৰিছে। তদুপৰি ইয়াৰ কোনো ঠাইতে 'জীৱন পঞ্জী' শব্দটো নাই যদিও ৫৫বছৰটো নিৰ্ধাৰণ কৰা 'লব্ধ প্ৰতিষ্ঠ বৰেণ্য লেখক' বুলি থকাৰ বাবেই জীৱন পঞ্জী অপহুতা ওলাল।

গতিকে আমি ভাবোঁ -

১) প্ৰাক্তন সভাপতি, প্ৰাক্তন প্ৰধান সম্পাদক, বৰ্তমানৰ সভাপতি আৰু প্ৰধান সম্পাদকক লৈ এখন পৰামৰ্শ দাতা সমিতি গঠন কৰিব লাগে। এই সমিতিয়ে সভাৰ প্ৰতি দায়বদ্ধ, লব্ধ প্ৰতিষ্ঠ লেখক-লেখিকাৰ সাহিত্য কৰ্ম অধ্যয়ন কৰি তিনি জনৰ নাম প্ৰস্তাৱ কৰিব। প্ৰস্তাৱিত নাম সমূহ কাৰ্য নিৰ্বাহৰ অনুমোদন লৈ নিৰ্বাচনী বিষয়াক অৰ্পন কৰিব। নিয়মাৱলী অনুযায়ী নিৰ্বাচনী সমিতিয়ে 'বেলট পেপাৰ' যুগুত কৰি শাখা সভাৰ মতামত বিচাৰিব। ইয়াৰ ফলত শাখা সমূহ প্ৰাৰ্থী সম্পৰ্কে স্পষ্ট হ'ব।

একেই ব্যৱস্থা 'প্ৰধান সম্পাদক'ৰ নিৰ্বাচনতো হ'ব লাগে। বৰ্তমান এজনৰ বাহিৰে সাহিত্যিক হিচাপে কাৰো নাম চকুত পৰা নাই এই বছৰৰ প্ৰধান সম্পাদক প্ৰাৰ্থী সকলৰ মাজত। প্ৰধান সম্পাদক জনো নমস্য লোক হোৱাৰ উপৰি সাংগঠনিকভাৱে দক্ষ হোৱা স্বচ্ছ নিকা ভাৱমূৰ্তি থকা, এজন শ্ৰদ্ধেয় লোকক নাম তালিকাত অৰ্ন্তভুক্ত হ'ব লাগে। সভাপতিৰ লগতে প্ৰধান সম্পাদকৰ নামো সন্নিৱিষ্ট কৰি কাৰ্যনিৰ্বাহৰ অনুমোদনৰ বাবে পঠিয়াই নিৰ্বাচনী বিষয়াক অৰ্পণ কৰিব লাগে। শাখা সমূহ তেতিয়াহে স্পষ্ট হ'ব।

তদুপৰি নিয়মাৱলীৰ ৭০এঃ দফা মানি চলাৰ প্ৰতি নিৰ্বাচনী বিষয়া কঠোৰ হ'ব লাগে।

৩৩তম বিধিত প্ৰতিনিধি সভা আৰু বিষয়বাছনি সভাৰ প্ৰভেদ ৰক্ষা হোৱা নাই। এইমতে দুদিনীয়া অধিৱেশনখন 'সাংগঠনিক সভা'। ইয়াত কোনো গুৰুত্বপূৰ্ণ সিদ্ধান্ত ল'ব নোৱাৰে। সংবিধানত এই বিষয়টো স্পষ্ট কৰি দিব লাগে।

'প্ৰতিনিধি সভা' আৰু 'বিষয় বাছনী সভা' এই নাম দুটা লৈ হাওৱাঘাট অধিৱেশনৰ (১৯৯৭) বিষয়বাছনী সভা শেষ হওঁতে কাউৰীয়ে কা কৰিছিল।

৮ পৃষ্ঠাৰ পৰা

## হেৰাই যাব নীলা..

গানবিলাকো নোহোৱা হৈ যাব যেন লাগিছে।

(১)
" কাউৰী পৰে
কলৰে পাততে
কাউৰী পৰে
চকুৰে নেদেখা দূৰণিতে
আছোহি পিয়নৰ চাকৰিতে
চিঠিৰ বোজা মই
পিঠিত বান্ধি লৈ
পৰৰ চেনেহ কঢ়িয়াও
মোৰ বা চেনেহীয়ে
কি কথা ভাবিছে
তাৰ একো গমকে নাপাওঁ...।"

(২)
"চিঠি তোমালৈ
তোমালৈ পঠালো ডাকত
আখৰেৰে চুমা দিলো
............................
............................"

(৩)
"ভাবিছিলো লিখো বুলি
চিঠি তোমালৈ
ও.....ও.....
নেপালো যে

৩ পৃষ্ঠাৰ পৰা

# সোণোৱালী কণীৰে সীমান্তৰ চমকপদ

প্ৰতি বিঘাই প্ৰায় ৩৪মোন পৰ্যন্ত উৎপাদন কৰি আন এক নিদৰ্শন দাঙি ধৰিছে। যিসময়ত অসমৰ কৃষকসকলে একেদৰা মাটি এটা খেতি কৰিবলৈ অনিহা প্ৰকাশ কৰাৰ বিপৰীতে সীমান্ত বৰুৱাই দুতৰপীয়া খেতি কৰি কৃষিক্ষেত্ৰত আন বিপ্লৱ সূচনা কৰিছে। বৃত্তিমুখী শিক্ষালৈ চৰকাৰী সংস্থাপন নাপায় হাবো-ডাবো খোৱাসকলে সীমান্তৰ আদৰ্শ লোৱাৰ সময় সমাগত।

চলিতবৰ্ষৰ চনৰ জুন মাহত শিৱসাগৰ জিলাৰ কেইবা শতাধিক আত্মসহায়ক গোটে সীমান্তৰ ফাৰ্ম পৰিদৰ্শন কৰিবলৈ অহা স্মৰণীয় তথা ভাললগা দিন বুলি পৰিয়ালটোৱে ব্যক্ত কৰে।

অন্যহাতে ৬৭সংখ্যক স্বাধীনতা দিৱসত শিৱসাগৰ জিলা ভিত্তিত শ্ৰেষ্ঠ প'লিট্ৰি ফাৰ্মাৰ হিচাপে জিলা উপায়ুক্তয়ে মানপত্ৰ প্ৰদান কৰিছিল। সীমান্তৰ দৰে উদ্যোগী যুৱকৰ আদৰ্শৰাজীক সমাজৰ প্ৰতি স্তৰতে বহুলভাৱে প্ৰচাৰ কৰাৰ স্থূল যথেষ্ট আছে। ইয়াৰ দ্বাৰা নৱপ্ৰজন্মইও প্ৰেৰণা লাভ কৰিব। সীমান্তৰ দৰে উদ্যোগী যুৱকক সহায় সহযোগ আগবঢ়োৱাত চৰকাৰৰো দায়িত্ব আছে।

পোৱালী দানা আৰু ঔষধ যোগান ধৰিব পৰা আছে এখন বিপনী। আনহাতে নিজৰ লগতে আন বহু মুৰ্গী পালকক দানা যোগান ধৰিব পৰাকৈ সীমান্তৰ আছে দানা প্ৰস্তুত কৰিব পৰা দুটা উদ্যোগ। উল্লেখ্য উদ্যোগী কুকুৰা পালক সীমান্ত বৰুৱাৰ লগতে আন ন জন মুৰ্গী পালকৰ "জোনাক" নামৰ এটা আত্মসহায়ক গোট আছে।

শিৱসাগৰ জিলা গ্ৰামোন্নয়ন বিভাগে "জোনাক"লৈ আগবঢ়োৱা পাঁচ লাখ টকাৰ অনুদানেৰে স্থাপন কৰিছিল দানা প্ৰস্তুত কৰা উদ্যোগ। সম্প্ৰতি মুৰ্গী পালনেৰে উজ্জলি উঠা সীমান্ত বৰুৱাৰ এই চমকপদ সফলতাৰ আঁৰত আছে।

৯ পৃষ্ঠাৰ পৰা

# অসমীয়া লোক-সংস্কৃতিৰ এক আপুৰুগীয়া সম্পদ ‘ঢেকীশাল’

যায়। ‘ঢেঁকী’ কেতিয়া আৰু কোনে সাজি উলিয়াইছিল সেই উত্তৰ সঠিককৈ কোৱা টান। তথাপি ‘ঢেঁকী’ৰ ঐতিহ্য অতি পুৰণি। ধৰ্মীয় শাস্ত্ৰমতে ব্ৰহ্মাৰ মানস পুত্ৰ, মহৰ্ষি নাৰদৰ বাহন আছিল ‘ঢেঁকী’। এই ‘ঢেঁকী’ত উঠিয়েই নাৰদে অবাধে ত্ৰিলোক ভ্ৰমণ কৰিছিল বুলি মনোৰম ধৰ্মীয় কাহিনী আছে।

অসমৰ কৃষকসকলে ঋতু অনুসৰি বিভিন্ন জাতৰ ধানখেতি কৰি অতি পুৰণি কালৰ পৰাই জীৱন নিৰ্বাহ কৰি আহিছে। অসমৰ জনগণৰ প্ৰধান আহাৰ ভাত। পুৰুষ প্ৰধান ৰাজ্যখনত মহিলাসকলে ভাতৰ উপৰি চাউলৰ পৰা প্ৰস্তুত কৰা নানা ধৰণৰ পিঠা, পিঠাগুৰি আদিৰে মহান হৈ আহিছে। এই খাদ্যসমূহ প্ৰস্তুত কৰা মূল সহায়ক হ’ল ‘ঢেঁকীশাল’। ‘ঢেঁকীশাল’ক বাদ দি অসমীয়া লোকৰ গৃহস্থালি ঘৰ এখন সম্পূৰ্ণ হোৱা বুলি ক’ব নোৱাৰি। কাৰণ আমি প্ৰতিজন লোকেই জানো যে এখন গৃহস্থালিত ‘ঢেঁকীশাল’ এটাৰ কিমান প্ৰয়োজন। বিশেষকৈ বিহুৰ আগে আগে, পূজা-তিথি, বিয়া-সবাহ, উৎসৱ-পাৰ্বণ অনুষ্ঠানবোৰৰ ক্ষেত্ৰত ‘ঢেঁকীশাল’ৰ প্ৰয়োজন বেছি হৈ পৰে। বিহুৰ আগে আগে চিৰা সান্দহ, গুৰা সান্দহ, পিঠাগুড়ি, ধান-চাউল আদি খুন্দিবলৈ গ্ৰামাঞ্চলৰ বহু মানুহৰ ঘৰত ঢেঁকীশাললৈ লানি-নিছিগা সোঁত বয়। প্ৰতিঘৰৰ জীয়াৰী-বোৱাৰীসকল ব্যস্ত হৈ পৰে এই কামত। ‘ঢেঁকীশাল’ত খুন্দা-বনা কামত কেতিয়াবা ওচৰৰ মিতিৰ-কুটুমে সহায় কৰি দিয়াও দেখা যায়। ল’ৰা-ছোৱালীৰ বিয়াৰ আগত পৰিয়ালৰ লগতে ওচৰ-চুবুৰীয়াৰ তিৰোতাসকলে ঢেঁকীৰ চাবে চাবে উৰুলী জোকাৰ, বিয়াগীত, জোৰানাম আদিৰে ঢেঁকীশাল মুখৰিত কৰি তোলাৰ লগতে ঘৰখনলৈ নমাই আনে এক উৎসৱমুখী পৰিৱেশ।

অসমীয়া সমাজখনৰ লোক বিশ্বাস আৰু আচাৰ অনুষ্ঠানত ঢেঁকীয়ে এক বিশেষ স্থান অধিকাৰ কৰি আহিছে। ধান ধন ঐশ্বৰ্য-বিভূতিৰ অধিকাৰী শাস্ত্ৰীয় লক্ষ্মী দেৱীয়ে অসমীয়া লোক-সংস্কৃতি আৰু কৃষিকাৰ্যৰ লগত নিবিড় ভাৱে জড়িত হৈ আই লখিমী ৰূপে পৰিচিত হৈছে। লখিমীক পূজা কৰিলে শস্যে-মৎস্যে নদন-বদন হোৱাৰো অনেক কাহিনী প্ৰচলিত হৈ আহিছে। সেয়ে ঢেঁকী নাইবা আৱশ্যকীয় আহিলাখিনিয়ে কৃষক সমাজত এখন পবিত্ৰময় আসন দখল কৰি আহিছে। যাৰ ফলত প্ৰতিজন অসমীয়া মানুহে ভঁৰাল ঘৰ, ৰান্ধনি ঘৰৰ নিচিনা পবিত্ৰ বুলি জ্ঞান কৰি আহিছে। সেয়ে কিছুমান তিথি বাৰ বা সময়ত ঢেঁকী ব্যৱহাৰ কৰা নিষেধ। বিশেষকৈ ভৰ-দুপৰীয়া, কাল-সন্ধিয়া, বিহু-সংক্ৰান্তিত, পূজা-পাৰ্বনৰ সময়ত ঢেঁকী ব্যৱহাৰ কৰা নহয়। ল’ৰা-ছোৱালীৰ বিবাহৰ পূৰ্বে যাত্ৰা সান্দহ খুন্দা আৰু সুৱাগৰ ধান বনাৰ সময়ত ঢেঁকীটোৰ আগঅংশত সেন্দুৰৰ ফোট দিয়াৰ নিয়মো হিন্দু সমাজত চলি আহিছে।

অসমীয়া সমাজখনৰ মাজত ঢেঁকীয়ে অৰ্থনীতিৰো প্ৰভাৱ পেলোৱা দেখা গৈছিল। কিয়নো গাঁৱৰ দুখীয়া নিচলা তিৰোতা সকলে ধনী কৃষক মানুহবোৰৰ ঘৰে ঘৰে ঢেঁকীৰ কাম কৰি অৰ্থাৎ ধান বানি, চাউল কাঢ়ি জীৱিকা নিৰ্বাহ কৰিছিল। ইয়াৰোপৰি প্ৰতিঘৰৰ জীয়াৰী-বোৱাৰীসকলে প্ৰয়োজনীয় চাউলখিনি ঘৰতে উলিয়াই লৈছিল ‘ঢেঁকী’ৰ জৰিয়তে।

স্বাস্থ্য বিজ্ঞানীসকলে ‘ঢেঁকী’ তিৰোতাসকলৰ এটা সুন্দৰ ব্যায়ামৰ থলী হিচাপে চিহ্নিত কৰিছিল। ‘ঢেঁকী’ দিয়া কামটো তিৰোতা সকলৰ একপ্ৰকাৰ ভাল শাৰীৰিক ব্যায়াম। এই ব্যায়ামে শৰীৰৰ জঠৰতা বহু পৰিমাণে কমোৱাৰ উপৰি তিৰোতাৰ শৰীৰত মেদ জমা হোৱাত বাধা দি সু-স্বাস্থ্যৰ গৰাকী কৰি তোলে।

অসমীয়া সমাজখনত ‘ঢেঁকী’ক লৈ বহুতো লোকবিশ্বাস প্ৰচলিত হৈ আহিছে। উদাহৰণস্বৰূপে, দেশত অনাবৃষ্টি হ’লে ‘ঢেঁকী’ চুৰি কৰি আনি তিনিআলি, চাৰিআলি নাইবা পথাৰত ওপৰমুৱাকৈ পুতি ৰাখিলে বৰুণ দেৱতা সন্তুষ্ট হৈ বৰষুণ দিয়ে বুলি কৃষক সমাজত বিশ্বাস চলি আহিছে। আন এক বিশ্বাস মতে, ঘৰৰ ওপৰেৰে উৰণীয়া মৌৰ জাক পাৰ হ’বলৈ ল’লে তঁতাতয়াকৈ গৈ ঢেঁকী দি ঢেঁকীৰ শব্দ মৌক শুনালে তেতিয়া সেই মৌ জাক গৃহস্থৰ বাৰী ঢাপৰ গছত ৰৈ যায়। ল’ৰা-ছোৱালীৰ শিয়ালগালা বেমাৰ হ’লে ‘ঢেঁকী’ৰ ফিচাত বহি খোলা চাপৰি পিঠাৰে সেক দিলে এই বেমাৰ ভাল হয় বুলি বিশ্বাস চলি আহিছে।

ফকৰা-যোজনা, প্ৰৱচন আদিতো ‘ঢেঁকী’ৰ উল্লেখ থকা দেখা যায়। একে সময়তে এজন মানুহে তিনিটা কাম এক বুঢ়ী তিনি কাম, ধান বানে সুতা কাটে চোহে আম। গৰাকীয়ে ভাল পালে তলতীয়া মানুহে কষ্ট নকৰাকৈ খাবলৈ পায় - বজাই ভাল পায় যাক, ঢেঁকী পোখেলী নেলাগে তাক। বিশেষ পৰিস্থিতিত অসম্ভৱো সম্ভৱ হোৱা অৰ্থত হেনহেন পাকত ঢেঁকী ঠোৰা সোমাল নাকত। অকৰ্মন্য এলেহুৱা মানুহক কোৱা হয় - মত্‌ফেলৰ ঢেঁকী। অচিনাকি লোকক আশ্ৰয় দিলে বিপদ হ’ব পাৰে এনে অৰ্থত - অচিন কাঠৰ ঠোৰা নলগাবা।

লোক-সংস্কৃতিৰ এই আপুৰুগীয়া অমূল্য সম্পদ ‘ঢেঁকীশাল’টো বৰ্তমান কালৰ গৰ্ভত হেৰুৱাই যোৱাৰ পথত। বিজ্ঞানৰ প্ৰযুক্তি বিদ্যাৰ প্ৰসাৰ আৰু অসমীয়া মানুহৰ অকৰ্মন্যতাই ‘ঢেঁকীশাল’ হেৰাই যাবলৈ ওলোৱাৰ মূল কাৰণ। যান্ত্ৰিক যুগৰ পদাৰ্পনৰ লগে লগে ঢেঁকীশালৰ চাহিদা কমি অহা পৰিলক্ষিত হৈছে। অসমীয়া লোক সংস্কৃতিৰ বুনিয়াদ গঢ়ি তোলা ‘ঢেঁকীশাল’ৰ অস্তিত্বৰ প্ৰতি ভাবুকি মাতি আনিছে কাৰেণ্টযুক্ত ধান-বনা মিলৰ প্ৰচলনে। কিয়নো এই মিলত অতি কম সময়তে আৰু কম কষ্টতে বহুত ধান বানিব পৰা যায়। আনকি সম্প্ৰতি পিঠাগুৰি খিনিও এই মিলতে খুন্দি আনে। গ্ৰামাঞ্চলত আগৰ লেখিয়াকৈ আজিকালিৰ কাহিলি পুৱাতে জীয়াৰী-বোৱাৰীহঁতে শুনোৱা ‘ঢেঁকী’ৰ মাত আজি যেন নোহোৱা হৈছে। গাঁওসমূহৰ দুই-এঘৰ মানুহৰ ঘৰত ‘ঢেঁকীশাল’ আছে যদিও সেইটোও আজি অব্যৱহৃত হৈ পৰি আছে। এটা কথা সত্য বুলি প্ৰতিজন লোকে মানি লবই লাগিব যে ঢেঁকীত বনা খাদ্যৰ গুণখিনি মিলত বনা খাদ্যৰ গুণতকৈ বহু উত্তম।

অসমৰ কৃষিজীৱী ৰাইজৰ লগত ওতঃপ্ৰোতভাৱে জড়িত ‘ঢেঁকীশাল’ৰ সংৰক্ষণৰ ব্যৱস্থা কৰাৰ লগতে প্ৰতিজন অসমীয়াই প্ৰতি ঘৰে ঘৰে ‘ঢেঁকীশাল’ পাতি লৈ ইয়াক ব্যৱহাৰ কৰিলে লোক-সংস্কৃতিৰ সম্পদবিধে ন-কৈ প্ৰাণ পাই উঠিব। এই দায়িত্ব কিন্তু প্ৰতিজন অসমীয়াৰে। নহ’লে ‘ঢেঁকীশাল’ যে এদিন বিলুপ্তি হ’ব সেয়া খাটাং।

**নগেন তালুকদাৰ**
নলবাৰী
ফোন-৯৮৫৯৪ ৬১১৫৭

৪ পৃষ্ঠাৰ পৰা

# উচ্চতম ন্যায়ালয়ৰ ধমক

বিজেপি কেন্দ্ৰীয় চৰকাৰৰ এই কামৰ বাবে ৰাজনীতিৰ মোট সলোৱা এই ভীৰু কাপুৰুষ নেতাসকলে আজ্ঞাবাহী ভৃত্যৰ দৰে নতশিৰে মানিলৈ টু-শব্দ এটা কৰিবলৈও সাহস গোটাব পৰা নাই। এসময়ৰ ছাত্ৰৰ নামত, অসম গণ পৰিষদৰ নামত, অসমৰ স্বাৰ্থত সিংহৰ দৰে গৰ্জন দিয়া এয়া হ’ল এতিয়াৰ সেই জাতীয়তাবাদী নেতাৰ চৰিত্ৰঙ্গ

বহু অপেক্ষাৰ অন্তত ২০১০ চনত এন.আৰ.চি.ৰ কাম আৰম্ভ হয়। ২০১০ চনত বৰপেটা জিলাৰ দুটা ৰাজহ চক্ৰত পাইলট প্ৰজে” হিচাপে এন.আৰ.চি.ৰ প্ৰস্তুতৰ কাম আৰম্ভ কৰে। কিন্তু তেতিয়াৰ মুখ্যমন্ত্ৰী তৰুণ গগৈৰ দুৰ্বল ভূমিকাত একাংশ সংখ্যালঘু জনতাৰ বাধাৰ বাবে এন.আৰ.চি.ৰ কাম ব্যাহত হয়। পুনৰ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশত ২০১৫ চনতএন.আৰ.চি.ৰ কাম আৰম্ভ বয়। কিন্তু এইবাৰ কেন্দ্ৰৰ বিজেপি চৰকাৰ আৰু ২০১৬ চনত অসমৰ বিজেপি নেতৃত্বত সৰ্বানন্দ সোণোৱাল চৰকাৰে পাছলৈ নানা অজুহাত আৰু বুদ্ধি-ফন্দিৰে এন.আৰ.চি.ৰ কামত আওপকীয়াকৈ বাধা জন্মাবলৈ চেষ্টা কৰে। ২০১৬ চনত এই সৰ্বানন্দ সোণোৱালে বৰ্তমানৰ বিজেপি নেতৃত্বত মিত্ৰদল চৰকাৰৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিয়েই কাম-কাজ অগ্ৰগতিৰ বুজ লোৱাৰ বাবে নাগৰিকপঞ্জীৰ সঞ্চালকায়লৈ গৈছিল। অভিযোগ মতে কিন্তু কিবা এক ৰহস্যৰ কাৰণত বিজেপি চৰকাৰে এন.আৰ.চি. কৰ্তৃপক্ষক প্ৰয়োজনীয় পুঁজি আৰু কৰ্মচাৰী দিয়াৰ ক্ষেত্ৰত অৱহেলা কৰা পৰিলক্ষিত হয়। সন্দেহ হয়, এন. আৰ. চি. খচৰা প্ৰকাশৰ সময় এইদৰে পিছুৱাই নি দেশৰ নাগৰিকত্ব আইন সংশোধনী ঘটাই ২০১৪ চনৰ ৩১ ডিচেম্বৰৰ সময় সীমাৰ ভিতৰৰ হিন্দু-বাংলাদেশীক যাতে নাগৰিকত্ব প্ৰদান কৰি এন.আৰ.চি.ত নাম অন্তৰ্ভুক্ত কৰিব পাৰি তাৰ বাবেই চৰকাৰৰ এই কূট-কৌশল ৰচনাৰ অভিসন্ধি। কাৰণ অসম চৰকাৰ, বিজেপি আৰু আৰ. এছ. এছ. য়ে খোলাখুলি ভাৱে প্ৰকাশ কৰে যে ২০১৪ চনৰ ৩১ ডিচেম্বৰলৈ অসমত থকা সকলো অমুছলমান বিদেশীক ভাৰতীয় নাগৰিক হিচাপে স্বীকৃতি দিব লাগে আৰু তেওঁলোকৰ নাম এন.আৰ.চি.ত অন্তৰ্ভুক্ত হ’ব লাগে। এয়া হ’ল বিজেপি আৰু আৰ.এছ.এছ.ৰ তত্ব।

অসম চুক্তিৰ আধাৰত ১৯৭১ চনৰ ২৪ মাৰ্চক ভিত্তি বৰ্ষ ধৰি লগতে আন প্ৰয়োজনীয় নথিৰ সহায়ত এখন শুদ্ধ নাগৰিকপঞ্জী প্ৰস্তুত কৰি বিদেশী সমস্যাটো খৰতকীয়াকৈ সমাধান কৰিব লাগে - এয়া অসম, অসমীয়াৰ দাবী। কিন্তু ইয়াৰ বিপৰীতে কেন্দ্ৰীয় বিজেপি চৰকাৰে নানা অজুহাত ফন্দি-ফিকিৰ আৰু চৰ্ত আৰোপেৰে এন.আৰ.চি. প্ৰকাশৰ সময় পিছুৱাই ইয়াক বাধাগ্ৰস্ত কৰাৰ অভিসন্ধি ৰচনা কৰাত লাগিল। কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰে পূৰ্বে ২০১৭ চনৰ ৩১ ডিচেম্বৰত ইয়াক প্ৰকাশৰ সময় ঠিক কৰিছিল। উচ্চতম ন্যায়ালয়ে ইয়াত সন্মতি প্ৰদান কৰিছিল। কিন্তু শেষ মুহূৰ্তত ভাৰতৰ মহাপঞ্জীয়কে এন.আৰ.চি. প্ৰকাশৰ বাবে পুনৰ কিয় ৭ মাহৰ সময় বৃদ্ধিৰে ইয়াৰ প্ৰকাশৰ বাবে ২০১৮ চনৰ ৩১ জুলাইলৈ পিছুৱাবলৈ আবেদন কৰে। এই ক্ষেত্ৰত কেন্দ্ৰীয় বিজেপি চৰকাৰে সমৰ্থন দিয়াৰ উপৰিও অসমৰ সৰ্বানন্দ সোণোৱাল চৰকাৰে ইয়াত আপত্তি দৰ্শোৱা নাছিল। ইয়াতেই সৰ্বানন্দ সোণোৱালৰ এন.আৰ.চি.ৰ সম্পৰ্কত সদিচ্ছাৰ আচল স্বৰূপ প্ৰকাশ পায়। অবৈজ্ঞানিক ধ্যান-ধাৰণা, যুক্তিহীন ধৰ্মীয় আৱেগৰ বশৱৰ্তী আৰু অন্ধ বিশ্বাসত নিমগ্ন ভাৰতীয় জনতা পাৰ্টীৰ যুক্তিৰ ফুটা ঢেকেলীৰ পৰা এন.আৰ.চি.ৰ খচৰা প্ৰকাশৰ সময় পিছুৱাবলৈ দেশৰ এটৰ্ণী জেনেৰেল আৰু অসমৰ চৰকাৰী উকীলে জনজাতৰি সন্দৰ্ভত ন্যায়ালয়ত আগবঢ়োৱা ল’ৰামতীয়া তৰল যুক্তি সঁচাকৈ হাস্যপদ আৰু লজ্জাজনক। ইয়াৰ বাবে উচ্চতম ন্যায়ালয়ৰ পৰা এটৰ্ণী জেনেৰেল আৰু অসমৰ চৰকাৰী উকীলে ধমক খাব লগীয়া হয়। আৰু এন.আৰ.চি.ৰ খচৰা প্ৰকাশৰ সময় ২০১৭ চনৰ ৩১ ডিচেম্বৰ কোনো পধ্যে পিছুৱাব নোৱাৰিব বুলি উচ্চতম ন্যায়ালয়ে কঠোৰ নিৰ্দেশনা জাৰি কৰে। ইয়াৰ পাচত চৰকাৰে খৰতকীয়াকৈ এন.আৰ. চি.ৰ কামত ধৰি প্ৰথমে দুই কোটি আঠত্ৰিশ লাখৰ নাম সম্বলিত এন. আৰ. চি.ৰ খচৰা প্ৰকাশ কৰিবলৈ বাধ্য হয়।

দেশৰ চৰকাৰী কাম-কাজৰ সোপা-ঢিলাৰ মূলতেই হ’ল চৰকাৰে সমস্যাৰ গুৰুত্ব বুজি ইয়াক পুংখানুপুংখ ভাৱে যুক্তি সহকাৰে বিচাৰ বিশ্লেষণ কৰি ইয়াৰ সমাধানৰ উপায় উদ্ভাৱনত ব্যৰ্থ হোৱাটো। ইয়াৰ বাবে তেওঁলোকে দেশৰ এটা স্পৰ্শকাতৰ বিষয় দেশৰ গৰিমাসনা উচ্চতম ন্যায়ালয়ত কেনেধৰণেৰে, কি যুক্তিৰে উপস্থাপন কৰিব লাগে তাক বুজি নাপালে। জেইচা ৰজা ৰাম সিং, সেইচা মন্ত্ৰী ঘিটিং টিং। গতিকে দেশৰ উচ্চতম ন্যায়ালয়ক ল’ৰা ধেমালিৰ মঞ্চ জ্ঞান কৰি এই সকল চৰকাৰী বিষয়াই “ৰাজসভাত কলথোকা বাদুলিয়ে খালে”ৰ অৱতাৰণা।

কনক চন্দ্ৰ বৰা
জ্যোতিনগৰ,তিতাবৰ
ফোন-৯৪৩৫০৯৩০৫১

১১ পৃষ্ঠাৰ পৰা

# চৰ্যাপদ ঃ এক বিশ্লেষাত্মক অধ্যয়ন

মহামানৱ গৌতম বুদ্ধই মূৰ্তি পূজা বৰ্জন কৰি নিৰাকাৰ ঈশ্বৰৰ সৈতে সত্য আৰু অহিংসাৰে অৱস্থান কৰি নিৰ্বাণ লাভৰ ওপৰত গুৰুত্ব দিছিল। আচৰিত কথা, বুদ্ধদেৱৰ মহা নিৰ্বাণৰ পিছতেই তেওঁৰ শিষ্যসকলে মূৰ্ত্তিপূজা বৰ্জন কৰা সেই বুদ্ধদেৱৰ মূৰ্ত্তি স্থাপন কৰি পূজা কৰিবলৈ ল'লে। বৌদ্ধ ধৰ্ম দুটা ভাগত বিভক্ত কৰা হ'ল মহাযান আৰু হীনযান। খ্ৰীষ্টীয় সপ্তম শতিকামানত বৌদ্ধ মহাযান পন্থাৰো পৰিৱৰ্তন ঘটিল। তান্ত্ৰিক মতবাদ তথা তন্ত্ৰযানৰ উদ্ভৱ হ'ল। অষ্টম শতিকা এক উল্লেখযোগ্য সময়। এই শতিকাতে তন্ত্ৰযানৰ পৰাই সহজযান শাখাৰ উদ্ভৱ হয়। অষ্টম শতিকা এক উল্লেখযোগ্য সময়। এই শতিকাতে তন্ত্ৰযানৰ পৰাই সহজযান শাখাৰ উদ্ভৱ হয়। এই শাখাৰো মূল লক্ষ্য হ'ল নিৰ্বাণ লাভ। বিষয় বাসনা ত্যাগ কৰি সকলো প্ৰকাৰৰ বাহ্যিক ভাবৰ বিলোপ সাধনেৰে মন বা চিত্ত শূন্যতালৈ লৈ গৈ শূন্যতাবোধৰ দ্বাৰা নিৰ্বাণ প্ৰাপ্তি এয়াই সহজ মাৰ্গ। চৰ্যাপদৰ দৰ্শন আৰু বিষয়বস্তু চাবলৈ গ'লে দুটা মতবাদৰ প্ৰভাৱ দেখা যায়, যদিও বৌদ্ধ মহামানী পন্থাৰ অন্তৰ্গত দাৰ্শনিক সম্প্ৰদায়সমূহৰ মতবাদৰ ভিত্তিত চৰ্যাপদৰ দাৰ্শনিক পটভূমি সৃষ্টি হৈছে। সিদ্ধাচাৰ্য নাগাৰ্জুনৰ দ্বাৰা প্ৰৱৰ্তন কৰা শূন্যবাগ বা মাধ্যমিকবাদ আৰু মৈত্ৰেয়, অসঙ্গ, বসুবন্ধু দ্বাৰা প্ৰৱৰ্তিত বিজ্ঞানবাদ বা যোগাচাৰ এই দুই মতবাদৰ প্ৰভাৱ সমান্তৰালভাৱে চৰ্যাপদৰ ওপৰত পৰিছে। সহজযান পন্থাই কাৰ্য সাধনত ব্ৰতী হৈছে। যোগ ধ্যান আদিৰ মাধ্যমেৰেই দুখ কষ্টৰ সংসাৰৰ পৰা নিবৃত্তি বা নিৰ্বাণ লাভ কৰিব পাৰি। নিৰ্বাণ মানেই মহাসুখ। এই মহাসুখ ভাব হৈছে বৌদ্ধ সহজীয়া পথ বা সহজযান। এই পন্থাৰে ধৰ্মকায়ত সমাহিত নৈৰাত্মা দেৱীৰ লগত একাত্ম হোৱা। আৰু নৈৰাত্মাদেৱীৰ স'তে মহাশূন্যত বিলীন হোৱা মানেই জীৱাত্মা আৰু পৰমাত্মাৰ মিলন।

সহজযান অদৈতবাদী দৰ্শনৰ দ্বাৰা পৰিচালিত। এই দৰ্শন মতে ধৰ্মকায়ত অধিস্থিত হোৱা মাত্ৰকেই জগতৰ দ্বৈতভাৱ অন্তৰ্হিত হয়। এই অদ্বৈত জ্ঞান আহৰণ কৰা কঠিন। অদ্বৈত জ্ঞান আৰু মহাসুখ প্ৰাপ্তিৰ বাবে গুৰুৰ উপদেশ অপৰিহাৰ্য। চৰ্যাপদসমূহ দ্ব্যৰ্থক পাৰিভাশিক শব্দৰ জাল। গুৰু অবিহনে তাক বুজা বা আয়ত্ব কৰা সম্ভৱপৰ নহয়। তাত যোগ, দাৰ্শনিক তত্ত্ব আৰু তান্ত্ৰিক তত্ত্ব লুকাই আছে। সেই বিষয়ে জানিবলৈ হ'লে গুৰুত শৰণ ল'বই লাগিব।

চৰ্যাপদৰ ভাষাত থকা ধ্বনি, ৰূপ আৰু শব্দৰ অসমীয়া ভাষাৰ লগত থকা সাদৃশ্য পণ্ডিতসকলে সিদ্ধ কৰি দেখুৱাইছে। বেছিভাগ কামৰূপৰ কথিত ভাষাৰ ওচৰ চপা। তাৰ কেইটামান বাপুৰা, ৰূপা, গেল, ভতাৰ, বপা, হাক, বাক, দাপণ, দাহিণ, ধনি, ভিড়ি আদি। মান্যভাষাৰ লগতো সাদৃশ্য আছে - দুআৰ, ডাল, হৰিণী, অনুভৱ, শিখৰ, পৰশ, হেৰ, সোণ ইত্যাদি। আনহাতে চৰ্যাপদত সংযুক্ত অনেক ৰাগ ৰাগিনী পুৰণি কামৰূপত প্ৰচলিত আছিল। ভৈৰৱী, কামোদ, মালসী, পটমঞ্জৰী, ধনসী, গুঞ্জৰী, মল্লাৰী ৰামক্ৰী, শৱৰী আদি বিভিন্ন বৰগীত আৰু ওজাপালিত দেখা যায়। পিতাম্বৰ কবিৰ কাব্য, মনকৰী আৰু দুৰ্গাবৰীতো কিছুমান ৰাগৰ প্ৰয়োগ দেখা যায়।

১১ পৃষ্ঠাৰ পৰা

# বিষাদৰ বৰষুণ জীৱনৰ ৰ'দ

২) আপোনাৰ মুখৰ হাঁহি সহজ লভ্য কৰি তোলক। প্ৰতি প্ৰভাততে আৰ্চিৰ সমুখত থিয় হওক আৰু নিজেই এবাৰ হাঁহি চাওক। আপোনাৰ হাঁহিটো নিজা সম্পত্তি, ইয়াক আনক কাঢ়ি নিব নিদিব। মানুহে সততে আনক খং প্ৰদৰ্শন কৰে আৰু হাঁহি কাচিৎহে, যেনিবা হাঁহিৰ মূল্য বহুত আৰু ইয়াক যধে-মধে খৰছ কৰিব নোৱাৰি।

৩) নীৰৱে ভবাৰ অভ্যাস গঢ়ি তোলক। দিনটোৰ কামৰ বোজাৰ মাজতে অলপমান সময় উলিয়াই নীৰৱে আত্ম-বিশ্লেষণ কৰি ভাবিব পৰা জনে জীৱন সুচাৰুৰূপে চলাবলৈ অৱকাশ পাব।

৪) সদায় ছাত্ৰ হৈ থকাৰ অভ্যাস কৰক। নিজকে কেতিয়াও সৰ্বজ্ঞানী বুলি নাভাবিব। জ্ঞান সদায় 'Secondhand' বস্তু, ই যিকোনো সময়তে যিকোনো ফালৰ পৰা আপোনালৈ আহিব পাৰে। পৃথিৱীতকৈ মহান শিক্ষক আৰু দ্বিতীয়জন নাই।

৫) জীৱনৰ ক্ষণভংগুৰতাক অনুভৱ কৰিবলৈ শিকক। কেৱল অনুভৱ কৰক "মই কোন?" "মোৰ জীৱনকাল কিমান?"

৬) ধ্যান কৰক। ধ্যান যাক নতুনকৈ "Meditation" নাম দিয়া হৈছে, ইয়ে হ'ল দুঃচিন্তা নোহোৱা কৰাৰ উত্তম উপায়। চিন্তাহীন মনেই হ'ল ধ্যানৰ আধাৰ।

৭) পৃথিৱীখন সুন্দৰ কৰিবলৈ পাৰ্যমানে সকলোৰে প্ৰতি দয়াশীল হওক। যেতিয়া আপুনি আনৰ প্ৰতি দয়াশীল হ'ব তেতিয়া আপোনাৰ প্ৰকৃত স্বভাৱ হৈ পৰিব প্ৰেম আৰু শান্তিৰ বাৰ্তাবাহক।

ৰবিশংকৰৰ এই সাতোটা পৰামৰ্শ মানৱ জীৱনত শান্তি লাভ কৰিবলৈ একেবাৰে সহজ আৰু যিকোনো ব্যক্তিয়েই ইয়াক কাৰ্যকৰী কৰিব পাৰিব। ইয়াৰে তিনি আৰু চাৰি নম্বৰ পৰামৰ্শ দুটা অৰ্থাৎ নীৰৱতাৰ চৰ্চা আৰু জীৱনভৰ ছাত্ৰ বা শিকাৰু হৈ থকাতো সকলোৰে বাবে সহজ বা উজু নহ'ব পাৰে। ইয়াৰ তাৎপৰ্য এইটোৱেই যে অনিয়ন্ত্ৰিত মনৰ মানুহে নীৰবে থাকিব নোৱাৰে আৰু তেনেকুৱা মানুহেই আমাৰ সমাজত অধিক। প্ৰখ্যাত দাৰ্শনিক আৰু কবি পাব্‌লো নেৰুদাই 'Keeping Quiet' নামৰ কবিতাটো কৈছে —

"Perhaps a huge silence
Might interrupt this sadness
of never understanding ourselves
and of threatening ourselves with death"

সুখৰ সন্ধান পাবলৈ মান-যশ, সম্পদ, ক্ষমতা আদি একোৱে আধাৰ হ'ব নোৱাৰে। মানৱ জীৱনত খলা-বমা, আশা-নিৰাশা, হতাশা সকলো আছে, তথাপি প্ৰত্যেকে বুজি উঠিব লাগিব যে আন্ধাৰ যিমানেই গভীৰ হ'ব পোহৰ সিমানেই উজ্জ্বল হ'ব। ইন্দ্ৰিয়জনীত যি সুখ কিম্বা মনৰ আনন্দ ই সকলো অস্থায়ী, কিন্তু আত্মাৰ বা মনৰ আনন্দ, যি আনন্দ আমাৰ ভিতৰত একোতেই নিৰ্ভৰ নকৰা, আচল যি নিসংগ আনন্দ সেয়া সম্পূৰ্ণ স্বাধীন আৰু স্বাধীনতাই স্বৰ্গীয় সুখ। Democritus এ কৈছে — "Happiness resides not in possessions and not in gold, the feeling of happiness dwells in our soul" আৰু আমি আত্মাৰ প্ৰশান্তিৰ পথ প্ৰশস্ত কৰিব লাগিব। আশা-নিৰাশাৰ মাজতেই মানুহে জীৱনটো সুন্দৰ আৰু সুখময় কৰি তুলিব লাগিব। কবিসকলে কোৱা কথাষাৰ মনত ৰাখিব লাগিব সকলোৱে —

"জীৱন বাটত
আছে খলা-বমা
সেয়ে জীৱন ধন্য
আশা-নিৰাশাৰ
হেন্দোলনিত
এই পৃথিৱীত অনন্য।"

আগলৈ...

১ পৃষ্ঠাৰ পৰা

# মানৱ অধিকাৰ ৰক্ষাৰ বাবে

শি কাব লাগে। সমাজত দুই শ্ৰেণীৰ মানুহ থাকে। খাটি খোৱা মানুহ আৰু প্ৰৱঞ্চক। খাটি খোৱা মানুহৰ কোনো ধৰ্ম, কোনো ভাষা নাথাকে। আমি আমাৰ সন্তানত সকলো মানুহক শ্ৰদ্ধা কৰিব শিকাব লাগে। তেতিয়া মানৱ অধিকাৰ বিষয়ৰ আলোচনাৰ কোনো প্ৰয়োজনেইনাথাকিব। কিন্তু ঘৃণাৰ মনোভাৱত মানৱ অধিকাৰ নাথাকে। প্ৰবীণ সাংবাদিক গৰাকীয়ে ইয়াকো কয় যে, আমি যিপাত ঘৃণাৰ কাড় আনলৈ মাৰি পঠিয়াও সেইপাতে মানুহজনৰ পৰিৱৰ্তে ঘূৰি আহি আমাৰ নিজৰ কলিজাতে বিন্ধিব। কাৰোবাক অপমান কৰিলে মানুহজন দেখাত অপমানিত হ'ব পাৰে কিন্তু তাৰ লগতে নিজকো অপমানিত কৰা হ'ব বুলি তেওঁ মন্তব্য আগবঢ়ায়। ভাষণ প্ৰসংগত তেওঁ পুনৰ কয় যে আজি আমাৰ সমাজখন হত্যা-হিংসা-ঘৃণা-বিদ্বেষ-ধৰ্ষণ-লুণ্ঠন আদিৰে ভৰি পৰিছে। ১৯৮০ চনলৈকে অসমীয়া মানুহে পাৰ চৰাই মাৰি খাব নাজানিছিল। হিংসা-হত্যা নাছিল। বৰ্তমান সময়ত আমি এফালে বিশ্বায়নৰ কথা কও কিন্তু আনফালে মানুহক ধৰ্ম-বৰ্ণৰে জোখো। এসময়ত বাংলাদেশীয়ে যেতিয়া ভাৰতীয় নাগৰিকত্ব লাভ কৰিছে তেতিয়া আমাৰ অধিকাৰৰ পাৰ্থক্য নাই। অথবা কাম কৰি খোৱা জনেও নিজৰ কষ্টৰে উপাৰ্জন কৰে। তেনেস্থলত তেওঁলোকক বাংলাদেশী বিহাৰী বুলি আমি তুচ্চ-তাচ্ছিল্য কৰি তেওঁলোকৰ অধিকাৰ ভংগ কৰা নাইনে? হাতত অস্ত্ৰ লৈ সুকীয়া ৰাজ্য বিচৰা আৰু তেওঁলোকক ৰাজ্য প্ৰদান কৰাৰ সন্দৰ্ভতো ডেকাই কয় তেওঁলোকক ৰাজ্য দিয়া হ'ল। এতিয়া মিচি, ৰাভা, তিৱা সকলকো দিয়া হ'ব। কিন্তু ৰাজ্যত থকা অন্যান্য সকলৰ অধিকাৰ নাই নেকি? ক্ষমতাত থকা সকলে ভাল সুবিধা অধিকাৰ পালে। কিন্তু অন্যান্য সকলে ৰাজনৈতিক-অৰ্থনৈতিক সা-সুবিধাৰ পৰা বঞ্চিত হ'ল। ইয়াতকৈ মানৱ অধিকাৰ উলংঘন একো হ'ব নোৱাৰে। প্ৰসংগক্ৰমে বিভাজনৰ বাটটোৱে মানৱ অধিকাৰ ৰক্ষা নকৰে বুলিও ডেকাই কয়। বিভিন্ন সময়ত ঘোষণা কৰা বন্ধ সমূহেও মানৱ অধিকাৰ উলংঘা কৰে বুলি প্ৰবীণ সাংবাদিক গৰাকীয়ে ক্ষোভ প্ৰকাশ কৰি কয় আজিকালি চাৰি-পাঁচজনে মিলিও ৰে'লপথ অৱৰোধ, অসম বন্ধ দিয়ে। ইয়াৰ দ্বাৰা তেওঁলোকে নিজৰ দাবী প্ৰচাৰ কৰিলে। কিন্তু হাজিৰা কৰা বা খাটি খোৱা মানুহৰ অধিকাৰ ভংগ হয়। মানৱ অধিকাৰ ৰক্ষাৰ বাবে আন্দোলন বন্ধ হ'ব লাগে বুলিও তেওঁ মত প্ৰকাশ কৰে। মানৱ অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত সংবাদ মাধ্যমে বৰ্তমান পূৰ্বৰ ভূমিকা ল'ব পাৰিবনে নাই সেয়াও আলোচনাৰ বিষয় বুলি উল্লেখ কৰি ডেকাই লগতে কয় আগতে বাতৰি কাকতত মিছা বাতৰি ওলাই বুলি কোনো সন্দেহ নাছিল। এতিয়া অলপ সন্দেহ থাকে। যিমানেই বিখ্যাত লেখক হ'লেও কিবা স্বাৰ্থ আছে নেকি বুলি পঢ়ুৱৈয়ে ভাৱে। আগতে সমাজৰ বাবে কিবা কৰাৰ ইচ্ছা থকাসকলেহে বাতৰি কাকত উলিয়াইছিল। এতিয়া টকা-পইচা থাকিলে নাম অৰ্জন কৰিব বিচৰা সকলে বাতৰি কাকত উলিয়ায়। বাতৰি কাকতে পূৰ্বৰ মৰ্যাদা হেৰুৱাইছে বুলি কয় প্ৰবীণ সাংবাদিকগৰাকীয়ে। বিশিষ্ট সাহিত্যিক পাণ্ডু মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ভবানী প্ৰসাদ অধিকাৰীয়ে সভাপতিত্ব কৰা মুকলি সভাখন উদ্বোধন কৰে উত্তৰ পূব পাৰ্বত্য বিশ্ব বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ মহাবিদ্যালয়ৰ উন্নয়ন পৰিষদৰ প্ৰাক্তন সঞ্চালক তথা বিজ্ঞান লেখক ড° বিজয় কৃষ্ণ দেৱ শৰ্মাই। সভাখনত সভাপতিত্ব কৰি প্ৰাক্তন অধ্যাপক অধিকাৰীয়ে কয় জন্মলাভৰ লগে লগে সকলোৱে অধিকাৰ লাভ কৰে। জীৱশ্ৰেষ্ঠ মানুহে জন্ম লাভ কৰিয়েই স্বাধীনতা বিচাৰে। সকলোৱে নিজৰ ভূমিত স্ব-মৰ্যাদাৰে থাকিব বিচাৰে। মানুহে মানুহক শাসন কৰে। অৰ্থাৎ মানৱসৃষ্ট আইনে মানুহক শাসন কৰে। মানৱ অধিকাৰৰ বিষয়টো এতিয়াও বিশ্লেষণৰ পৰ্যায়ত থাকিব লগা হোৱাটো দুৰ্ভাগ্যজনক। অন্যহাতে উদ্বোধনক ভাষণত ড° বিজয় কৃষ্ণ দেৱ শৰ্মাই কয় যে, ১৯৪৮ চনত যেতিয়া মানৱ অধিকাৰ দিৱস প্ৰচলন কৰে তেতিয়াও একাংশ মানুহ দলিত আছিল, দাসত্ব প্ৰথা আছিল। অধিকাৰ লাভৰ সমানে সমাজৰ প্ৰতি আমাৰ দায়িত্ব আৰু কৰণীয়ও আছে। মানুহে মানুহৰ প্ৰতি চিন্তা কৰাৰ প্ৰয়োজনীয়তাও আছে ড০ দেৱ শৰ্মাই ইয়াকো কয় যে, সমাজ যেতিয়ালৈকে অৰ্থনৈতিকভাৱে সুস্থ-সবল নহয় তেতিয়ালৈকে মানৱ অধিকাৰ প্ৰতিষ্ঠাও সম্ভৱ নহয়। সভাত বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকি বিশিষ্ট সাংবাদিক হাইদৰ হুছেইনে কয় যে বিগত তিনি-চাৰি দশক ধৰি অসমত মানৱ অধিকাৰ উলংঘ হৈ আহিছে। দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ পিতনিত ডুব যোৱা ৰাজনীতিবিদ সকলে এতিয়া মানৱ অধিকাৰ ৰক্ষাৰ ভূমিকাত আছে। আনহাতে বিশ্ব মানৱ অধিকাৰ দিৱসৰ দিনা অসমে শ্বহীদ দিৱস উদ্‌যাপন কৰিবলগীয়া হোৱা ঘটনাক দুৰ্ভাগ্যজনক বুলি মতপোষণ কৰে সংযুক্ত মুক্তি বাহিনী অসমৰ সভাপতি অৰবিন্দ ৰাজখোৱা। ৰাজখোৱাই ইয়াকো কয় যে মাতৃ দুগ্ধ পান কৰাটো শিশুৰ জন্মগত অধিকাৰ আৰু এই অধিকাৰৰ পৰা বঞ্চিত শিশুৱে যি ৰূপ ধাৰণ কৰে হাতত অস্ত্ৰ তুলি লোৱাটো আমাৰ একে অৱস্থা আছিল। আজি গান্ধীৰ ফটো লৈ নিজৰ অধিকাৰৰ বাবে আগবাঢ়ি অহা লোকক চৰকাৰৰ বাহিনীয়ে হত্যা কৰাৰ দিন। নিজৰ বক্তব্যত ৰাজখোৱাই কয় যে, এন আৰ চিৰ খচৰা প্ৰস্তুত হ'লে আমাৰ অধিকাৰ খৰ্ব হ'ব। বিশ্ব মানৱ অধিকাৰ সহায়ক সংস্থাৰ অসম শাখাৰ সঞ্চালক কিৰণ কুমাৰ গগৈৰ উদ্দেশ্য ব্যাখ্যাৰে আৰম্ভ হোৱা আড়ম্বনপূৰ্ণ সভাখনৰ পুৱাৰ ভাগত অসম আন্দোলনৰ শ্বহীদ সকলক সুঁৱৰি শ্বহীদবেদীত পুষ্পাঞ্জলি অৰ্পণৰ লগতে কণ কণ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখন চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। মুকলি সভাত ভাৰতীয় দলিত সাহিত্য একাডেমীৰ উদ্যোগত তিলোত্তমা হাজৰিকা তামুলীৰ কথা আৰু সুৰেৰে পৰিৱেশন কৰা সমৱেত সংগীতে সভাখনৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

# ৰাছিয়া বিশ্বকাপ পিছতেই অৱসৰ মেচিৰ

**নিউজ ডেক্স ঃ** ৰাছিয়া বিশ্বকাপতেই মই অন্তিম বাৰৰ বাবে ফুটবল খেলিম। এই ঘোষণা ফুটবলৰ ৰাজপুত্ৰ লিঅ'নেল মেচিৰ। ফিফাৰ বৰ্ষশ্ৰেষ্ঠ পুৰস্কাৰ অনুষ্ঠানত উপস্থিত থাকি এই মন্তব্য প্ৰদান কৰে ফুটবলৰ ৰাজপুত্ৰগৰাকীয়ে। সম্প্ৰতি ৰাজপুত্ৰগৰাকীৰ এই ঘোষণাৰ পিছতেই বিশ্বৰ ফুটবল অনুৰাগীৰ মাজত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। অনুষ্ঠানত অংশগ্ৰহণ কৰি সাক্ষাৎকাৰ প্ৰদান কৰি মেচিয়ে কৈছিল তিনিবছৰ আগতে ব্ৰাজিল বিশ্বকাপত চেম্পিয়ন হোৱাৰ সুযোগ হেৰুৱাইছো। পুনৰ আমাৰ সন্মুখত সুযোগ আহিছে। এয়াই মোৰ বাবে শেষ সুযোগ। ৰাছিয়া বিশ্বকাপত আৰ্জেণ্টিনাৰ গ্ৰুপত আছে আইচলেণ্ড, নাইজেৰিয়া আৰু ক্ৰ'য়েচিয়া। ইতিমধ্যে এই গ্ৰুপকেই ফুটবলৰ অনুৰাগীসকলে গ্ৰুপ অব ডেঠ আখ্যা দিছে। মেচিয়ে আত্মবিশ্বাসেৰে এই কথা ক'লেও সম্প্ৰতি আৰ্জেণ্টিনাৰ কিন্তু সেই ছন্দ নাই। কোনোমতেহে ৰাছিয়া বিশ্বকাপলৈ যোগ্যতা অৰ্জন কৰিছে আৰ্জেণ্টিনাই। উল্লেখযোগ্য আৰ্জেণ্টিনাই বহুদিন ট্ৰফীৰ মুখ দেখা নাই। দেশবাসী ক্ৰমাৎ অধৈৰ্য হৈ পৰিছে। হয়তো দেশবাসীয়ে এইবাৰ দলটোক ক্ষমা নকৰে। মেচিৰ উপৰিও ডিমাৰিয়া, হিগুইন, আগুৱেৰোৰ বাবেও হয়তো অন্তিম বিশ্বকাপ। ৰাছিয়া বিশ্বকাপত মেচিৰ বয়স হ'ব ৩১ বছৰ। পৰৱৰ্তী বিশ্বকাপত তেওঁৰ বয়স হ'ব ৩৫ বছৰ। এই বয়সত জাতীয় দলৰ জাৰ্চি পিন্ধি খেলাটো মেচিৰ বাবে প্ৰায় অসম্ভৱ। এই সকলো কথা অনুভৱ কৰিয়েই মেচিয়ে




কয় আমি অতি কঠিন সময় লৈ আগবাঢ়িছো। দলৰ এই প্ৰদৰ্শনেৰে বিশ্বকাপ জয় কৰা সম্ভৱ নহ'ব। ব্ৰাজিল, জাৰ্মানী, ফ্ৰান্স আদি দেশবোৰে দিনক দিনে উন্নতি কৰিছে। তাৰ তুলনাত আমি পিছপৰি আছো।

# ভাৰতৰ বিৰুদ্ধে প্ৰথম টেষ্টত অৱতীৰ্ণ হ'ব আফগানিস্তান

**নতুন দিল্লী ঃ** অলপতে টেষ্ট খেলাৰ মৰ্যাদা লাভ কৰা আফগানিস্তানে তেওঁলোকৰ প্ৰথমখন টেষ্ট ভাৰতৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ২০১৯ ত আফগানিস্তানে ভাৰতৰ বিৰুদ্ধে প্ৰথমখন টেষ্ট খেলিব। বি চি চি আইৰ বিশেষ সাধাৰণ সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয় বুলি ভাৰপ্ৰাপ্ত সচিব অমিতাভ চৌধুৰীয়ে সদৰি কৰে। তেওঁ জনায় যে, ২০১৯ ত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে আফগানিস্তানে প্ৰথমখন টেষ্ট খেলাৰ কথা আছিল। কিন্তু চুবুৰীয়া দেশখনৰ সৈতে এক সু-সম্পৰ্ক থকাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰথমখন টেষ্ট আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখযোগ্য যে, যোৱা জুন মাহত আফগানিস্তানৰ লগতে আয়াৰলেণ্ডকো টেষ্ট খেলাৰ মৰ্যাদা প্ৰদান কৰিছিল আই চি চিয়ে। টেষ্ট ক্ৰিকেটত আফগানিস্তানক স্বাগতম জনোৱাৰ লগতে বি চি চি আয়ে এইক্ষেত্ৰত তেওঁলোকক সকলো সহায়ৰ হাত আগবঢ়াব বুলি সচিব অমিতাভ চৌধুৰীয়ে জানিবলৈ দিয়ে। উল্লেখযোগ্য যে, চলিত বৰ্ষত আফগানিস্তানৰ দুগৰাকী খেলুৱৈয়ে আই পি এলত অংশগ্ৰহণ কৰিছিল।

# ছুপাৰ চিৰিজ জয় কৰাৰ লক্ষ্য শ্বাটলাৰ শ্ৰীকান্তৰ



**মুম্বাই ঃ** চলিত বছৰটোত দুৰ্দান্ত প্ৰদৰ্শন দাঙি ধৰা কিদাম্বি শ্ৰীকান্ত সম্প্ৰতি সুস্থ হৈ উঠিছে। যোৱা মাহত ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত উৰুত আঘাত পোৱাৰ ফলত চীন অ'পেন আৰু হংকং অ'পেন ছুপাৰ চিৰিজ প্ৰতিযোগিতাৰ পৰা আতৰি থাকিবলগীয়া হৈছিল। পিছে বিশ্বৰ চতুৰ্থ বাছনিৰ খেলুৱৈগৰাকী সুস্থ হৈ উঠিছে আৰু ডুবাইত আৰম্ভ হ'বলগীয়া বিশ্ব ছুপাৰ চিৰিজৰ ফাইনেলতো অংশগ্ৰহণ কৰিব। আনহাতে সুস্থ হৈ উঠি শ্বাটলাৰ গৰাকীয়ে কয় যে, দহ দিন আঘাতৰ বাবে আতৰি থকাৰ পিছত মই দুসপ্তাহ কঠোৰ অনুশীলন কৰিছো। চলিত বৰ্ষত ইণ্ডোনেচিয়া অ'পেন, ডেনমাৰ্ক অ'পেন, অষ্ট্ৰেলিয়ান অ'পেন আৰু ফ্ৰেন্স অ'পেনৰ খিতাপ লাভ কৰা শ্ৰীকান্তে ডুবাইত সুন্দৰ প্ৰদৰ্শনৰ ধাৰা অব্যাহত ৰাখিব বুলি প্ৰকাশ কৰে। যদিহে তেওঁ এই খিতাপ অৰ্জন কৰে তেন্তে বিশ্ব ৰেংকিঙৰ শীৰ্ষ স্থান দখল কৰিব। পিছে ৰেংকিঙক লৈ চিন্তিত নহয় শ্বাটলাৰ কিদাম্বি শ্ৰীকান্ত। তেওঁ কয় যে, ৰেংকিং মোৰ বাবে গুৰুত্ব নহয়, ছুপাৰ চিৰিজ প্ৰতিযোগিতাৰ জয় হোৱাটোহে মোৰ বাবে গুৰুত্বপূৰ্ণ।

# এবছৰলৈ নিষিদ্ধ পেৰুৰ অধিনায়ক পাওলো



**নিউজ ডেক্স ঃ** সমাগত ৰাছিয়া-২০১৮ বিশ্বকাপ। ইতিমধ্যে বিশ্বৰ ফুটবল মহাৰণখনক কেন্দ্ৰ কৰি অনুৰাগীসকলৰ মাজত তীব্ৰ আশা উদ্দীপনা বৃদ্ধি পাইছে। সেই মৰ্মে বৃদ্ধি পাইছে খেলুৱৈ সকলৰো অনুশীলন। কিন্তু তাৰ মাজতেই বিশ্ব ফুটবল সংস্থা ফিফাই পেৰুৰ অধিনায়ক পাওলো গুৰেৰোক এবছৰলৈ নিষিদ্ধ ঘোষণা কৰিছে। নিষিদ্ধ ড্ৰাগছ সেৱনৰ ফলত খেলুৱৈগৰাকীৰ ওপৰত এই নিষেধাজ্ঞা জাৰি কৰিছে ফিফাই। যোৱা অক্টোবৰ মাহত আৰ্জেণ্টিনাৰ বিৰুদ্ধে বিশ্বকাপৰ যোগ্যতা নিৰ্ণায়ক মেচখনৰ সময়তে খেলুৱৈ গৰাকী ড'প টেষ্টৰ সময়ত ড্ৰাগছ সেৱন কৰাৰ কথা ধৰা পৰিছিল। ব্ৰাজিলৰ ফ্লেমিংগ'ত খেলা পাওলোক ফিফাই সাময়িকভাৱে বৰ্খাস্ত কৰিলেও এক প্ৰেছ বিজ্ঞপ্তিযোগে এবছৰলৈ নিষেধাজ্ঞা আৰোপ কৰে। উল্লেখযোগ্য যে, ৩৫ বছৰৰ বিৰতিৰ মূৰত পেৰুৱে এইবাৰ বিশ্বকাপৰ মূল পৰ্বত খেলাৰ যোগ্যতা অৰ্জন কৰিছিল।

# বাংলাদেশৰ নেতৃত্বত ছাকিব



**ঢাকা ঃ** বাংলাদেশ টেষ্ট দলত পুনৰ নেতৃত্ব প্ৰদান কৰিব বিশ্বৰ সৰ্বশ্ৰেষ্ঠ অল ৰাউণ্ডাৰ তথা দেশখনৰ নিয়মিত খেলুৱৈ ছাকিব আল হাছানে। আসন্ন শ্ৰীলংকা ভ্ৰমণ হ'ব অল ৰাউণ্ডাৰ গৰাকীৰ টেষ্ট অধিনায়ক হিচাপে কেৰিয়াৰৰ দ্বিতীয় ইনিংছ। ইয়াৰ উপৰি দলটোৰ সহ অধিনায়কৰ ভূমিকা গ্ৰহণ কৰিব মাহমুদুল্লাহ। ইয়াৰ পূৰ্বে ছাকিবে বাংলাদেশক ৯ খন টেষ্টত নেতৃত্ব দিছিল। ২০০৯ ত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে পোন প্ৰথম বাৰলৈ জাতীয় দলটোক নেতৃত্ব দিয়া ছাকিবে ২০১১ ত জিম্বাব'ৱেৰ বিৰুদ্ধে টেষ্ট দলক অন্তিমবাৰলৈ নেতৃত্ব প্ৰদান কৰিছিল।

## আইএছএলৰ সপ্তাহটোৰ খেল সমূহ

- ১৪ ডিচেম্বৰ ঃ পুনে চিটি বনাম বাংগালুৰু
- ১৫ ডিচেম্বৰ ঃ কেৰেলা ব্লাষ্টাছ বনাম নৰ্থ ইষ্ট
- ১৬ ডিচেম্বৰ ঃ দিল্লী বনাম গোৱা
- ১৭ ডিচেম্বৰ ঃ বাংগালুৰু বনাম চেন্নাই
- ১৭ ডিচেম্বৰ ঃ মুম্বাই চিটি বনাম এ টি কে
- ২০ ডিচেম্বৰ ঃ নৰ্থ ইষ্ট বনাম মুম্বাই চিটি
- ২১ ডিচেম্বৰ ঃ বেংগালুৰু বনাম জামছেদপুৰ
- ২২ ডিচেম্বৰঃ চেন্নাই বনাম কেৰালা ব্লাষ্টাছ

# জাইৰা ৱাছিমক বিমানত অশালীন আচৰণ কৰা অভিযুক্তক গ্ৰেপ্তাৰ



**নতুন দিল্লী ঃ** বলীউডৰ কিশোৰী অভিনেত্ৰী জাইৰা ৱাছিমক দিল্লী-মুম্বাই ভিষ্টাৰা বিমানত এজন ব্যক্তিয়ে অশালীন আচৰণ কৰাৰ সমগ্ৰ ঘটনা অভিনেত্ৰীগৰাকীয়ে ইনষ্টাগ্ৰামৰ জৰিয়তে প্ৰকাশ কৰাৰ পিছত সমগ্ৰ দেশজুৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আমিৰ খানৰ 'ডংগল' ছবিৰ অভিনেত্ৰী ভিষ্টাৰা বিমানত ব্যক্তিজনে সংঘটিত কৰা অশালীন আচৰণ সম্পৰ্কত এটি ভিডিঅ' ছ'চিয়েল নেটৱৰ্কিং চাইট ইনষ্টাগ্ৰামত আপলোড কৰে আৰু সমগ্ৰ ঘটনা বৰ্ণনা কৰি ভাৰতীয় নাৰীৰ সুৰক্ষা আৰু নিৰাপত্তাৰ ক্ষেত্ৰত প্ৰশ্ন উত্থাপন কৰে। উল্লেখযোগ্য যে সোতৰ বছৰীয়া জাইৰা ৱাছিমক তেওঁৰ পিছৰ আসনত বহা এগৰাকী মধ্য বয়সীয়া যাত্ৰীয়ে তেওঁৰ ভৰিৰ পৰা ডিঙিলৈ স্পৰ্শ কৰি অভব্য আচৰণ কৰিছিল। ইতিমধ্যে মুম্বাই আৰক্ষীয়ে ভাৰতীয় দণ্ডবিধিৰ ৩৫৪ নং ধাৰাৰ অধীনত ব্যক্তিজনক গ্ৰেপ্তাৰ কৰিছে। ব্যক্তিজন বিকাশ সহদেৱ বুলি জানিব পৰা গৈছে।

# তিনি দশকৰ অন্তত ছৌদি আৰৱত চলচ্চিত্ৰ গৃহ মুকলি



অহা বৰ্ষৰ পৰা ছৌদি আৰৱৰ নাগৰিকে মুকলিকৈ চিনেমা গৃহত বহি চিনেমাৰ উপভোগ কৰিব পাৰিব। পৰৱৰ্তী বৰ্ষৰ পৰাই দেশখনৰ চলচ্চিত্ৰ গৃহত আৰোপ কৰা নিষেধাজ্ঞা উঠাই লোৱা হৈছে। এই কথা জানিবলৈ দিয়ে ছৌদি আৰৱৰ প্ৰশাসনে। লগতে কয় যে, ২০১৮ বৰ্ষৰ মাৰ্চ মাহৰ পৰা দেশখনত প্ৰথমটো চিনেমা হল মুকলি হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। উল্লেখযোগ্য যে, ছৌদি আৰৱত বিগত কেইবা দশকৰ পৰাই বন্ধ হৈ আছিল চলচ্চিত্ৰ গৃহ সমূহ। ১৯৮০ চনত দেশখনৰ চিত্ৰগৃহ সমূহত নিষেধাজ্ঞা আৰোপ কৰা হৈছিল আৰু তেতিয়াৰ পৰাই ছৌদিৰ নাগৰিকে চিনেমা গৃহত বহি চলচ্চিত্ৰ উপভোগ কৰাৰ পৰা বঞ্চিত হৈ আছিল। কঠোৰ ৰক্ষণশীল ছৌদি আৰৱৰ যুৱৰাজ মহম্মদ বীণ চলমানে গ্ৰহণ কৰা ভিজন ২০৩০ ৰ অধীনত ছৌদি আৰৱত কেতবোৰ সংস্কাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। সামাজিক আৰু অৰ্থনৈতিক সংস্কাৰৰ বাবে গ্ৰহণ কৰা এই পদক্ষেপৰ অধীনত ইতিমধ্যে ছৌদি আৰৱে মহিলাক গাড়ী চলোৱাৰ অনুমতি প্ৰদান কৰিছে। চৰকাৰৰ চিনেমা হলৰ সন্দৰ্ভত গ্ৰহণ কৰা সিদ্ধান্তক আদৰণি জনাইছে অস্কাৰৰ বাবে মনোনীত ছৌদি আৰৱৰ প্ৰথমগৰাকী ব্যক্তি হাইফাআল মনচুৰে।

## সপ্তাহটোৰ মডেল



নিলাক্ষী মেধি




কিৰণ কুমাৰ গগৈৰ হৈ সংগীতা চৌধুৰীৰ দ্বাৰা অনুভূতি প্ৰিণ্টাৰ্ছ এণ্ড পাব্লিকেশ্বন, এ ডি টাৱাৰ লালমাটি, বেলতলা, গুৱাহাটী-৭৮১ ০২৯ ত মুদ্ৰিত আৰু ৰাজগড় পথ, বিহুতলি, গুৱাহাটী-৭৮১০০৭ কুঁহিপাত প্ৰেছত প্ৰকাশিত।
ফোন ঃ ৭০৮৬৫২২৫৫৮/৭৩৯৯০৩৫৭৫০/ই-মেইল- Janamukti11@gmail.com
মুখ্য সম্পাদক ঃ উপেন্দ্ৰ নাথ কলিতা
সম্পাদক ঃ ৰীতা দেৱী